## তৃতীয় অধ্যায়

# মাৰ্ক্সবাদী সাহিত্য তত্ত্ব ঃ এক তাত্ত্বিক আলোচনা

মাৰ্ক্সবাদী সাহিত্য তত্ত্ব সম্পৰ্কে আলোচনা কৰিবলৈ যোৱাৰ পূৰ্বে মাৰ্ক্সবাদ তত্ত্বনো কি সেই বিষয়ে কিছু কথা আলোচনা কৰা দৰকাৰ। মাৰ্ক্সবাদ তত্ত্বৰ নামকৰণ কাৰ্ল হাইনৰিখ মাৰ্ক্সৰ (১৮১৮ -১৮৮৩) নাম অনুসৰি ৰখা হয়। কাৰ্ল মাৰ্ক্সে ফ্ৰেডৰিক এঙ্গেলচ্‌ৰ লগত লগ হৈ এই তত্ত্ব প্ৰতিষ্ঠিত কৰে। আধুনিক যুগত বৈজ্ঞানিক সমাজতন্ত্ৰবাদৰ স্ৰষ্টাৰূপে কাৰ্ল মাৰ্ক্সক জনা যায়। কাৰ্ল মাৰ্ক্সে দ্বান্দ্বিক ঐতিহাসিক বস্তুবাদী দৰ্শনৰ প্ৰতিষ্ঠা কৰে। পৰৱৰ্তী সময়ত বৈজ্ঞানিক সমাজতন্ত্ৰবাদৰ প্ৰচাৰকৰূপে দাৰ্শনিক কাৰ্ল মাৰ্ক্স সমগ্ৰ পৃথিৱীতে খ্যাতি লাভ কৰে। মাৰ্ক্সীয় তত্ত্ব অনুসৰি আধুনিক পৃথিৱীৰ বহুদেশে সমাজতান্ত্ৰিক শাসন ব্যৱস্থাৰ গঠন কৰিছে। মাৰ্ক্সে সমাজতান্ত্ৰিক তত্ত্বৰ দ্বাৰা সমাজতন্ত্ৰৰ বৈজ্ঞানিক ব্যাখ্যা কৰিছে। কাৰ্ল মাৰ্ক্স আৰু ফ্ৰেডৰিক এঙ্গেলচৰ 'কমিউনিষ্ট ইস্তাহাৰ' (Manifesto of Communist Party), আৰু 'ডাচ কেপিটেল' এই দুখন কিতাপত মাৰ্ক্সীয় দৰ্শনৰ প্ৰধান কথা, যুক্তিবোৰ পোৱা যায়।

মাৰ্ক্সৰ সমাজতন্ত্ৰ তত্ত্বৰ মতে, কোনো সমাজ ব্যৱস্থাত সম্পদৰ উৎপাদন ব্যৱস্থাই সমাজক পৰিচালিত কৰে। প্ৰতিটো সমাজতে সম্পদৰ উৎপাদন ব্যৱস্থা আৰু সম্পদৰ ওপৰত নিয়ন্ত্ৰণৰ দ্বাৰা সমাজখন পৰিচালিত হয়। এই উৎপাদনী শক্তি আৰু সম্পদক দখল বা নিজৰ আয়ত্বাধীন কৰিবলৈ নিৰন্তৰভাবে বিভিন্ন শ্ৰেণীৰ মাজত সংগ্ৰাম চলে। উৎপাদনী শক্তি আৰু সম্পদক দখলৰ দ্বন্দ্বকেই মাৰ্ক্সৰ দ্বন্দ্বমূলক বস্তুবাদ (dialectial materialism) বোলা হয়। মাৰ্ক্সবাদ তত্ত্বৰ প্ৰচাৰ আৰু প্ৰসাৰ সৰ্বপ্ৰথমে ইউৰোপত ওঠৰ শতিকাৰ শেষ ভাগত আৰু ঊনবিংশ শতিকাৰ প্ৰথমৰ সময়ছোৱাত হৈছিল। মাৰ্ক্সবাদে সামাজিক মহা পৰিৱৰ্তনৰ আৰম্ভণি কৰে। সামন্ততান্ত্ৰিক সমাজৰ বিলুপ্তি ঘটাই সমাজত বুৰ্জোৱা সমাজ ব্যৱস্থাৰ প্ৰৱৰ্তন কৰে। ইউৰোপত আৰম্ভ হোৱা এই আন্দোলনে লাহে লাহে পৃথিৱীৰ বিভিন্ন দেশলৈ বিয়পি পৰে। ফ্ৰান্স, ইটালি, স্পেইন, অষ্ট্ৰিয়া, পোলেণ্ড আৰু গ্ৰীচ দেশৰ জনতাই শোষক-শাসক শ্ৰেণীৰ বিৰুদ্ধে আৰু নিজৰ অধিকাৰৰ হকে জাগি উঠিছিল। সামন্ততান্ত্ৰিক সমাজে পুঁজিবাদী সমাজৰ নিয়মসমূহক

আগৰে পৰা জনাটো সম্ভৱ নাছিল, কাৰণ তেতিয়াও পুঁজিবাদীসকলৰ বিস্তাৰ হোৱা নাছিল আৰু লগতে আনুষঙ্গিক প্ৰয়োগো ঘটা নাছিল। একমাত্ৰ পুঁজিবাদী সমাজবাদী সমাজৰ পৰাই মাৰ্ক্সবাদৰ জন্ম সম্ভৱ হৈছিল। মাৰ্ক্সৰ পৰৱৰ্তীত লেনিন আৰু ষ্টেলিনে এই তত্ত্বক আগবঢ়াই লৈ যায়। মাৰ্ক্সবাদে সদায় সৰ্বহাৰাৰ হকে যুঁজ দিছিল। পুঁজিবাদী সমাজৰ বাবে সৰ্বহাৰা শ্ৰেণীটো প্ৰয়োগৰ প্ৰথম স্তৰত অৰ্থাৎ হাড়ভঙা কঠোৰ পৰিশ্ৰম-সংগ্ৰামৰ যুগত কেৱল জ্ঞানৰ ইন্দ্ৰিয়গ্ৰাহ্য অৱস্থাত আছিল। সেই সময়ত ধনী পুঁজিপতিসকলে বাহ্য ৰূপত কিছু পৃথক দিশত মন দিছিলে। সৰ্বহাৰা শ্ৰেণীটোৰ তেতিয়াও কোনো পৰিৱৰ্তন হোৱা নাছিল। সৰ্বহাৰা শ্ৰেণীটোৰ দীৰ্ঘ সংগ্ৰামৰ ফলত আৰু নিজৰ অভিজ্ঞতাৰ ফলত নিজৰ উত্তৰণ ঘটাবলৈ ধৰিলে। পৰৱৰ্তী সময়ত কাৰ্ল মাৰ্ক্স আৰু এঙ্গেল্‌চৰ বিজ্ঞানসন্মত পদ্ধতিত অভিজ্ঞতাৰ দ্বাৰা পুষ্ট হৈ মাৰ্ক্সবাদী তত্ত্বৰ সৃষ্টি কৰিলে আৰু তাৰ দ্বাৰা সৰ্বহাৰা শ্ৰেণীটোক শিক্ষিত কৰি তোলাৰ ফলত সৰ্বহাৰা-শোষিত শ্ৰেণীটোৱে পুঁজিবাদী সমাজৰ শোষণৰ কথা বুজিব পাৰিলে। সামাজিক শ্ৰেণীটোৱে শোষণৰ বিৰুদ্ধে আৰু নিজৰ ইতিহাসিক কৰ্তব্যক বুজিব পাৰিলে। সৰ্বহাৰা শ্ৰেণীটোৱে নিজৰ অধিকাৰৰ বাবে শোষণকাৰী পুঁজিপতি শ্ৰেণীটোৰ বিৰুদ্ধে বিপ্লৱ ঘোষণা কৰিলে।

কাৰ্ল মাৰ্ক্স বাৰ্লিন বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি থকাৰ সময়ত জাৰ্মান দাৰ্শনিক হেগেলৰ দ্বাৰা প্ৰভাৱান্বিত হয়। মাৰ্ক্সে অৰ্থনৈতিক ক্ষেত্ৰত দ্বন্দ্বমূলক বস্তুবাদ তত্ত্বৰ (Dialectical Materialism) ব্যাখ্যা কৰে। এই তত্ত্ব মাৰ্ক্সে ইতিহাসৰ ব্যাখ্যাত প্ৰয়োগ কৰি সমাজ ব্যৱস্থাত অৰ্থনৈতিক পৰিৱৰ্তন তত্ত্বৰ ব্যাখ্যা আগবঢ়ায়। কাৰ্ল মাৰ্ক্সে 'ৰেইনিশজেইটুং' নামৰ এখন পত্ৰিকা সম্পাদনা কৰে। এই পত্ৰিকাখনতে তেওঁৰ প্ৰথম ভাগৰ ৰচনাখিনি প্ৰকাশিত হয়। ৰাছিয়া চৰকাৰৰ বিৰুদ্ধে লিখা প্ৰবন্ধবোৰৰ বাবে মাৰ্ক্সক দেশ ত্যাগ কৰিবলৈ আদেশ দিয়ে। মাৰ্ক্সে পেৰিছলৈ গুচি আহে। পেৰিছত মাৰ্ক্সে লগ পায় জাৰ্মান চিন্তাবিদ-দাৰ্শনিক ফ্ৰেডৰিক এঙ্গেল্‌চক। ফ্ৰেডৰিক এঙ্গেল্‌চে মাৰ্ক্সৰ বহু দাৰ্শনিক তত্ত্বক সম্পূৰ্ণতা দান কৰে।

মাৰ্ক্সে ৰচনা কৰা গ্ৰন্থসমূহতে মাৰ্ক্সবাদ তত্ত্বসমূহ সোমাই আছে। মাৰ্ক্স আৰু ফ্ৰেডৰিক এঙ্গেলচৰ যৌথ ৰচনা 'কমিউনিষ্ট ইস্তাহাৰ' '(Manifesto of the Communist Party)' গ্ৰন্থখন ১৮৪৮ চনত ৰচনা কৰে। এই কিতাপখনে আছিল মাৰ্ক্সীয় সমাজতন্ত্ৰবাদৰ প্ৰথম তাত্ত্বিক বিশ্লেষণাত্মক গ্ৰন্থ। পৰৱৰ্তী গ্ৰন্থ 'ক্ৰিটিক অব পলিটিক্যাল ইকনমি'খন ১৮৫৯ চনত প্ৰকাশিত হয়।

কাৰ্ল মাৰ্ক্সৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ হ'ল 'ডাচ কেপিটেল' (Das Capital)। এই গ্ৰন্থখনি ১৮৬৭ চনত প্ৰকাশ হয়। এই গ্ৰন্থখনতে মাৰ্ক্সে দাৰ্শনিক তত্ত্বসমূহৰ পূৰ্ণ বিশ্লেষণ আগবঢ়ায়।

**মাৰ্ক্সৰ ৰাষ্ট্ৰৰ তত্ত্ব ঃ**

কাৰ্ল মাৰ্ক্সে তেওঁৰ বিভিন্ন চিন্তাত ৰাষ্ট্ৰৰ ধাৰণা সম্পৰ্কে উল্লেখ কৰিছে। মাৰ্ক্সৰ মতে ব্যক্তিগত সম্পত্তি উদ্ভাৱনৰ লগে লগে ৰাষ্ট্ৰ সম্পৰ্কে ধাৰণা গঢ় লৈ উঠে। ৰাষ্ট্ৰৰ বিকাশৰ লগে লগে সমাজত শোষণকাৰী আৰু শোষিত দুটা শ্ৰেণীৰ জন্ম হয়। শোষণকাৰীসকলক ৰক্ষণাবেক্ষণ দিয়াৰ প্ৰথা তেতিয়াৰ পৰাই চলি আহিছে। ইয়াৰ উদাহৰণস্বৰূপে সমাজত মহাজন বা ধনী শ্ৰেণীটোৱে দাসবিলাকক শোষণ কৰিছিল। বৰ্তমানৰ সমাজ ব্যৱস্থাতো পুঁজিপতি শ্ৰেণী আৰু শ্ৰমিক শ্ৰেণী — এই দুটা শ্ৰেণী আছে। এই দুই শ্ৰেণীৰ ভিতৰত উৎপাদনকাৰী পুঁজিপতিসকলে শ্ৰমিক শ্ৰেণীটোৰ ওপৰত শোষণ কৰে। উৎপাদনকাৰী পুঁজিপতি শ্ৰেণীটোৱে অৰ্থনৈতিকভাৱে আৰু ৰাজনৈতিকভাৱে ক্ষমতাৰ অধিকাৰী হৈ শ্ৰমিক শ্ৰেণীক শোষণ কৰে। পুঁজিপতিসকলে নিজৰ স্বাৰ্থ পূৰণৰ বাবে চৰকাৰৰ দ্বাৰা আইনসমূহ প্ৰণয়ন কৰে। সেইবাবে মাৰ্ক্সে ৰাষ্ট্ৰক এক শোষণৰ আহিলা বুলি কৈছে। মাৰ্ক্সে শ্ৰেণীসংঘৰ্ষৰ জৰিয়তে পুঁজিবাদৰ অৱসানৰ লগতে ৰাষ্ট্ৰকো উচ্ছেদ কৰাৰ কথা কৈছে। মাৰ্ক্সৰ মতে ৰাষ্ট্ৰক কেৱল সম্পতিশালী লোকৰ সেৱক বুলিহে অভিহিত কৰিব পাৰি। পুঁজিবাদৰ অৱসানৰ পিছত সৰ্বহাৰাৰ একনায়কত্ববাদ প্ৰতিষ্ঠা কৰাৰ পিছতো ৰাষ্ট্ৰ কাৰ্যকৰী হৈ থাকিব। মাৰ্ক্সৰ মতে সমাজবাদ প্ৰতিষ্ঠাৰ লগে লগে শ্ৰেণী সংঘৰ্ষৰ অৱসান ঘটিব আৰু মানৱ জাতিয়ে পূৰ্ণতা লাভ কৰিবলৈ সক্ষম হ'ব। মাৰ্ক্সে সমাজৰপৰা বিভিন্ন শ্ৰেণী উচ্ছেদ কৰি শ্ৰেণীবিহীন সমাজ প্ৰতিষ্ঠা কৰিবৰ বাবে বিপ্লৱৰ পোষকতা কৰে।

কাৰ্ল মাৰ্ক্সৰ এখন সমাজবাদী সমাজত ৰাষ্ট্ৰ ব্যৱস্থাৰ কাৰ্যাৱলী পাঁচটা শ্ৰেণীত ভাগ কৰিব পাৰি। সেইসমূহ হৈছে —

(ক) ৰাজনৈতিক কাৰ্যাৱলী (Political functions)

(খ) ইতিবাচক কাৰ্যাৱলী (Positive functions)

(গ) অৰ্থনৈতিক কাৰ্যাৱলী (Economic functions)

(ঘ) আন্তৰ্জাতিক কাৰ্যাৱলী (International functions)

(ঙ) সাংস্কৃতিক কাৰ্যাৱলী (Cultural functions)।

(গগৈ, পুৰন্দৰ, আধুনিক ৰাজনৈতিক চিন্তাবিদ, পৃ. ৩৫৭)

**(ক) ৰাজনৈতিক কাৰ্যাৱলী (Political functions)**

কাৰ্ল মাৰ্ক্সৰ ৰাষ্ট্ৰতত্ত্বৰ এটা প্ৰধান কাৰ্য হৈছে সৰ্বহাৰাৰ অধিকাৰ বা একনায়কত্ববাদ প্ৰতিষ্ঠা কৰা। সৰ্বহাৰাসকলে একনায়কত্ববাদ প্ৰতিষ্ঠা কৰিলেও পুঁজিপতি শ্ৰেণীটোৰ অৱসান নঘটে। সৰ্বহাৰা একনায়কত্ববাদী শাসন ব্যৱস্থাই অৱশিষ্ট থকা পুঁজিপতি শ্ৰেণীটোৰ নিঃশেষ হোৱাটো বিচাৰে।

সৰ্বহাৰাৰ একনায়কত্ববাদ শাসনে সৰ্বপ্ৰথমতে জনসাধাৰণৰ বাবে গণতান্ত্ৰিক শাসন ব্যৱস্থা প্ৰতিষ্ঠা কৰি সংখ্যাগৰিষ্ঠৰ সমৰ্থনপ্ৰাপ্ত হৈ শোষণকাৰী পুঁজিপতিসকলক বশ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব। সমাজবাদী সমাজৰ অন্য এক দায়িত্ব হ'ব সমাজৰপৰা শ্ৰেণী নোহোৱা কৰাটো। সৰ্বহাৰা শ্ৰেণীটোৱে পুঁজিপতি শ্ৰেণীৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আৰু বিধিগতভাৱে যিসমূহ অনুষ্ঠান আছে সেইসমূহ ধ্বংস কৰি, সেইবোৰৰ ঠাইত সমাজবাদী ব্যৱস্থা প্ৰতিষ্ঠা কৰাটো মাৰ্ক্সবাদৰ ৰাজনৈতিক কাৰ্যাৱলীৰ ভিতৰত আছিল। সমাজবাদী ৰাষ্ট্ৰ ব্যৱস্থাত শ্ৰমিকৰ স্বাৰ্থ সুৰক্ষিত কৰা, শোষণমুক্ত সমাজ প্ৰতিষ্ঠা কৰা, সমাজবাদী সংস্কৃতি, নৈতিকতা, সকলোৰে বাবে শিক্ষা-স্বাস্থ্য আৰু সমাজ ব্যৱস্থা প্ৰৱৰ্তনৰ লক্ষ্য আছিল।

**(খ) ইতিবাচক কাৰ্যাৱলী (Positive functions)**

সমাজবাদী ৰাষ্ট্ৰই সৰ্বহাৰাৰ অধিকাৰ স্থাপনৰ হকে কেতবোৰ ধ্বংসাত্মক কাৰ্য সম্পাদনা কৰাৰ লগতে কিছুমান ইতিবাচক কামো সম্পাদনা কৰিবলগীয়া হয়। কাৰ্ল মাৰ্ক্সে স্পষ্টভাৱে নিজে ইতিবাচক কাৰ্যাৱলীৰ বিশদ তালিকা দিয়া নাছিল যদিও পৰৱৰ্তী সময়ত লেনিন, ষ্টেলিন, মাও আদিয়ে ইতিবাচক কাৰ্যাৱলীত পুঁজিপতি উৎপাদন ব্যৱস্থাৰ পৰিৱৰ্তন সাধন, শোষণবিহীন সমাজ প্ৰতিষ্ঠা কৰা, শ্ৰমিকৰ স্বাৰ্থ সুৰক্ষা কৰা, সমাজবাদী আৰ্হিত উৎপাদিত সামগ্ৰীৰ স্বীকৃতি দিয়া, সমাজবাদী সংস্কৃতি, নীতি-নিয়ম, শিক্ষা আৰু সামাজিক ব্যৱস্থা প্ৰতিষ্ঠা কৰা। এই গোটেইবোৰ মাৰ্ক্সৰ ইতিবাচক কাৰ্যাৱলীৰ ভিতৰত পৰে।

**(গ) অৰ্থনৈতিক কাৰ্যাৱলী (Economic Functions)**

সমাজবাদী ৰাষ্ট্ৰ এখনত অৰ্থনৈতিক দিশতো গুৰুত্ব আৰোপ কৰিবলগীয়া হয়। অৰ্থনৈতিক উন্নতি অবিহনে সমাজৰ উন্নতি সম্ভৱ নহয়। মাৰ্ক্সবাদে সমাজত অৰ্থনৈতিক উন্নতিৰ হকে বিভিন্ন দিহা আগবঢ়াইছে।

অৰ্থনৈতিক উন্নতিৰ বাবে বিভিন্ন সামগ্ৰীৰ উৎপাদন বৃদ্ধিত গুৰুত্ব আৰোপ কৰিব লাগিব। পুঁজিপতিসকলৰ ব্যক্তিগত সম্পতি উচ্ছেদ কৰি সমাজবাদী উৎপাদন ব্যৱস্থা প্ৰৱৰ্তন কৰা। সমাজবাদী উৎপাদন ব্যৱস্থা বৃদ্ধিৰ বাবে ৰাষ্ট্ৰই উদ্যোগ, কাৰখানা আদিৰ দ্বাৰা সম্পাদন কৰিব পাৰে। সমাজৰ প্ৰয়োজনীয় আৱশ্যকতাৰ প্ৰতি লক্ষ্য ৰাখি সমাজবাদী উৎপাদনী ব্যৱস্থাৰ প্ৰচলন কৰিব লাগে। ভূমি সংস্কাৰৰ লগতে সমবায় ব্যৱস্থা আৰু চৰকাৰী পাম প্ৰতিষ্ঠা কৰি জনসাধাৰণক ইয়াৰ দ্বাৰা লাভাৱান্বিত কৰিব পৰা যাব। নিত্য নতুন বৈজ্ঞানিক আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগ কৰি উদ্যোগিক আৰু কৃষিকাৰ্যত উৎপাদন বৃদ্ধি কৰিব লাগিব। শ্ৰমিকসকলৰ বাবে কামৰ সময় নিৰ্দ্ধাৰিত কৰাকে আদি কৰি জিৰণি, বন্ধৰ দিন, ছুটীৰ ব্যৱস্থা, পেঞ্চন আদিৰ ব্যৱস্থা কৰিব লাগিব।

**(ঘ) সাংস্কৃতিক কাৰ্যাৱলী (Cultural Functions) ঃ**

মাৰ্ক্সে সমাজবাদী ৰাষ্ট্ৰ এখনত সাংস্কৃতিক দিশতো বহুতো গুৰুত্ব দিছে। সমাজবাদী ৰাষ্ট্ৰ এখনত সমাজবাদ, সংস্কৃতি, নৈতিকতাৰ বিকাশৰ বাবে গুৰুত্ব আৰোপ কৰিছে। মাৰ্ক্সে পুঁজিপতিৰ নৈতিকতা, সংস্কৃতি আৰু সমাজ ব্যৱস্থাৰ ধ্বংসৰ কথা কৈছে। পুঁজিপতি সমাজে সাধাৰণ শ্ৰেণীক শোষণ কৰি নিজৰ ব্যক্তিগত স্বাৰ্থ পূৰণৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিছিল। সমাজবাদী ৰাষ্ট্ৰৰ শিক্ষা ব্যৱস্থা বৈজ্ঞানিক ভিত্তিত প্ৰতিষ্ঠা কৰিব লাগে। ল'ৰা-ছোৱালীৰ শিক্ষা অভিভাৱক সামৰ্থৰ ওপৰত নতুবা কেৱল চাকৰিৰ উদ্দেশ্যত হ'ব নালাগে। সাংস্কৃতিক কাৰ্যাৱলীৰ অন্য এক কাৰ্য হৈছে যে জাতি, বৰ্ণ, ধৰ্ম, ভাষা, স্থান নিৰ্বিশেষে সমাজৰ সকলো লোকৰ সামাজিক আৰু সাংস্কৃতিক দিশত সমতা থাকিব লাগে। সমাজবাদী ৰাষ্ট্ৰ ব্যৱস্থাত সামাজিক নৈতিকতা প্ৰতিষ্ঠা কৰাত জনসাধাৰণৰ সহযোগিতা থাকিব লাগিব।

**(ঙ) আন্তৰ্জাতিক কাৰ্যাৱলী (International Functions) ঃ**

কাৰ্ল মাৰ্ক্সৰ মতে আন্তৰ্জাতিক ক্ষেত্ৰতো সমাজবাদী ৰাষ্ট্ৰৰ ব্যৱস্থা থাকিব লাগিব। ৰাষ্ট্ৰখনে শ্ৰমিকক ঐক্যবদ্ধ কৰিবলৈ বিভিন্ন ৰাষ্ট্ৰৰ সহযোগ গ্ৰহণ কৰিব পাৰে। বিশ্বৰ যিসমূহ দেশত শ্ৰমিক শ্ৰেণীটো বঞ্চিত হৈ আছে, শ্ৰমিকসকলে নিজৰ প্ৰাপ্যৰ বাবে প্ৰগতিশীল আন্দোলন কৰিছে, সেই শ্ৰমিকসকলক সমাজবাদী ৰাষ্ট্ৰই সাহায্য প্ৰদান কৰিব। মুক্তি সংগ্ৰামৰ লগত জড়িত বিপ্লৱীসকলক ৰাজনৈতিক আশ্ৰয় দিব লাগিব। সমাজবাদী ৰাষ্ট্ৰই আন্তৰ্জাতিক শান্তি, প্ৰগতি আৰু ন্যায় প্ৰতিষ্ঠাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব। মাৰ্ক্সে এইদৰে সমাজবাদী ৰাষ্ট্ৰৰ ওপৰত নিজৰ মত দিছিল।

**মাৰ্ক্সৰ ৰাষ্ট্ৰতত্ত্বৰ আলোচনা ঃ**

ৰাষ্ট্ৰতত্ত্বৰ বিষয়ে মাৰ্ক্স আৰু এঙ্গেল্‌চ্‌ৰ 'কমিউনিষ্ট ইস্তাহাৰ' (The Communist Manifesto, 1848) ত লিখিছিল "এক শ্ৰেণীয়ে অন্য শ্ৰেণীক দমন কৰাৰ সংগঠিত ৰাজনৈতিক অধিকাৰেই হ'ল ৰাষ্ট্ৰ। সিহঁতৰ মতে, আধুনিক ৰাষ্ট্ৰৰ কামেই হ'ল সমগ্ৰ বুৰ্জোৱা শ্ৰেণীৰ স্বাৰ্থ ৰক্ষা কৰা। ৰাষ্ট্ৰ হ'ল এক শ্ৰেণীৰ দ্বাৰা অন্য শ্ৰেণীক দমন কৰাৰ যন্ত্ৰ বিশেষ। আধুনিক ৰাষ্ট্ৰৰ শাসকসকলেই হ'ল সমগ্ৰ বুৰ্জোৱা শ্ৰেণীটোৰ সাধাৰণ কাম-কাজ পৰিচালনা কৰা কমিটি এখন মাত্ৰ।" (মাৰ্ক্স, কাৰ্ল আৰু এঙ্গেল্‌চ্ ফ্ৰেডৰিক। কমিউনিষ্ট ইস্তাহাৰ, অসমীয়া অনু-হীৰেন গগৈ, পৃ. ৩১)।

মাৰ্ক্সীয় তত্ত্বত ৰাষ্ট্ৰৰ দুটা আৰ্হি বা নমুনা পোৱা যায়। প্ৰথমটো হ'ল যন্ত্ৰবাদী (Instrumentalist) আৰু দ্বিতীয়টো হ'ল ৰাষ্ট্ৰৰ আপেক্ষিক স্বতন্ত্ৰৰ মতবাদ (Relative autonomy of the state)। মাৰ্ক্স আৰু এঙ্গেল্‌চ্‌ৰ অধিকাংশ লেখাতেই ৰাষ্ট্ৰক অকল শাসক শ্ৰেণীৰ শোষণৰ যন্ত্ৰ হিচাপে কাম কৰা অৰ্থাৎ সম্পত্তিৰ মালিক তথা পুঁজিপতিসকলে যাতে শ্ৰমিক শ্ৰেণীৰ তথা সৰ্বহাৰাসকলৰ ওপৰত নিয়ন্ত্ৰণ ৰাখিব পাৰে, ৰাষ্ট্ৰ সেই কামতেই নিয়োজিত থাকে। এইদৰেই ৰাষ্ট্ৰত শ্ৰমিক, সৰ্বহাৰা সমাজত পুঁজিপতি বুৰ্জোৱা, সামন্ততান্ত্ৰিকসকলৰ স্বাৰ্থ ৰক্ষা কৰি আহিছে। এই সমাজত ৰাষ্ট্ৰৰ বিভিন্ন সংস্থাসমূহ যেনে পুলিচ, আমোলাতন্ত্ৰ, সেনাবাহিনী প্ৰভৃতিসকলে পুঁজিপতি শ্ৰেণীৰ প্ৰতিনিধিৰূপে কাম কৰে।

**মাৰ্ক্সৰ দ্বান্দ্বিক পদ্ধতিৰ ব্যাখ্যা ঃ**

কাৰ্ল মাৰ্ক্স হৈছে দ্বান্দ্বিক বস্তুবাদৰ প্ৰৱৰ্তক। Dialectic শব্দটি ইংৰাজী শব্দ dialogue ৰ

পৰা আহিছে, যাৰ অৰ্থ হ'ল কথোপকথন। ইয়াৰ অৰ্থ হ'ল জীৱনৰ আৰু জগতৰ সপক্ষে বা বিপক্ষে দ্বন্দ্বৰ মাজেৰে কৰা আলোচনা। এই পদ্ধতিৰ দুটা দিশ হৈছে সদৰ্থক দ্বান্দ্বিক পদ্ধতি আৰু নঞৰ্থক দ্বান্দ্বিক পদ্ধতি। দ্বন্দ্ব শব্দৰ অৰ্থ হৈছে বিৰোধ। সদৰ্থক দ্বান্দ্বিক পদ্ধতিৰ প্ৰৱৰ্তক হৈছে জাৰ্মান দাৰ্শনিক হেগেল। সদৰ্থক দ্বান্দ্বিক পদ্ধতিয়ে মানুহৰ চিন্তাধাৰা সন্মুখৰ ফালে আগুৱাই লৈ যায় আৰু দ্বন্দ্বৰ সময়ত পথত শক্তি আৰু প্ৰেৰণা যোগায়। আনফালে নঞৰ্থক দ্বান্দ্বিক পদ্ধতিয়ে বিপৰীত পক্ষৰ মতবাদক খণ্ডন কৰি সেই মতবাদক অসাৰ প্ৰতিপন্ন কৰে। এই মতবাদৰ ত্ৰুটি এয়ে যে সদৰ্থকৰ দিশৰ পৰা জীৱন আৰু জগতৰ সত্তা নিৰূপণ আৰু পদ্ধতি বিচাৰত ব্যৰ্থতাৰ পৰিচয় দিয়ে। গ্ৰীক দাৰ্শনিক চক্ৰেটিছ, প্লেটো আৰু কাণ্টে নঞৰ্থক দ্বান্দ্বিক পদ্ধতিৰ অনুসৰণ কৰিছিল। মানুহৰ চিন্তাৰ গতি দ্বান্দ্বিক পদ্ধতিত অগ্ৰসৰ হয়। দ্বন্দ্ব মানেই ইয়াত বিৰোধ নহয়। প্ৰথমতে বিৰোধ, পিছত ঐক্য।

মাৰ্ক্সীয় দ্বন্দ্ব পদ্ধতিত দুই ধাৰণাৰ ব্যাখ্যা পোৱা যায়। (ক) মাৰ্ক্সীয় দ্বান্দ্বিক বা দ্বন্দ্বাত্মক বস্তুবাদ আৰু (খ) ইতিহাসিক বস্তুবাদ।

প্ৰথমতে, দ্বান্দ্বিক বা দ্বন্দ্বাত্মক বস্তুবাদ (Dialectical Materialism)ৰ বিষয়ে আলোচনাৰ প্ৰযত্ন কৰা হ'ব। মাৰ্ক্সীয় দ্বান্দ্বিক বা দ্বন্দ্বমূলক পদ্ধতিৰ প্ৰধান লক্ষণবোৰ হৈছে —

(ক) অধিবিদ্যাৰ সম্পূৰ্ণ বিপৰীত এই দ্বন্দ্বতত্ত্বই বস্তুজগতক পৰস্পৰ সম্পৰ্কহীন আৰু বিচ্ছিন্ন, সম্পূৰ্ণ স্বতন্ত্ৰ ঘটনাপুঞ্জৰ আকস্মিক সমাৱেশ বুলি বিবেচনা নকৰে, বৰং ই কয় যে বস্তুজগত হ'ল অখণ্ড আৰু সামগ্ৰিকভাৱে সম্পৰ্কযুক্ত আৰু তাৰ প্ৰতিটো বস্তু আৰু ঘটনাপুঞ্জৰ পাৰস্পৰিক প্ৰকৃতিগত সংযোগ আছে, সিবোৰ পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল আৰু পৰস্পৰৰ দ্বাৰা প্ৰভাৱিত। (ষ্টেলিন, জে. ভি। দ্বন্দ্বমূলক আৰু ঐতিহাসিক বস্তুবাদ, পৃ. ৩)।

(খ) দ্বন্দ্বমূলক পদ্ধতিয়ে বিচাৰে যে জগতত সংঘটিত হোৱা যিকোনো ঘটনাক অন্যান্য কোনো বস্তুৰ লগত তাৰ পাৰস্পৰিক সম্পৰ্ক বা নিৰ্ভৰশীলতাৰ দিশৰ পৰা বিচাৰ কৰি চালেই নহ'ব বৰং ঘটনাৰ গতি, পৰিৱৰ্তন, ক্ৰমবিকাশ, আৱিৰ্ভাৱ আৰু তিৰোভাৱ সকলো দিশৰ পৰাই বিচাৰ কৰিব লাগিব।

এঙ্গেলচে কৈছে, "ক্ষুদ্ৰতমৰ পৰা বৃহত্তম বস্তু এটি, বালিকণাৰ পৰা সূৰ্যলৈ, আদিম প্ৰাণীকোষৰ পৰা মানুহলৈ সমগ্ৰ প্ৰকৃতিয়েই প্ৰতি মুহূৰ্ততে আৱিৰ্ভূত আৰু তিৰোহিত হৈছে, প্ৰতি

মুহূৰ্ত্ততে পৰিৱৰ্তন সংঘটিত হৈছে, সকলো বস্তুই নিৰৱচ্ছিন্ন গতি আৰু ৰূপান্তৰৰ অৱস্থাত আছে। (এঙ্গেল্‌চ্। 'ডায়েলক্‌টিকচ অব নেচাৰ; জে ভি ষ্টেলিন। দ্বন্দ্বমূলক আৰু ঐতিহাসিক বস্তুবাদ। পৃ. ৪)। এঙ্গেল্‌চ্‌ৰ মতেৰে— দ্বন্দ্বতত্ত্বই প্ৰত্যেক বস্তু আৰু বস্তুটোৰ স্থিতি, বস্তুটোৰ মানসিক প্ৰতিচ্ছবি মূলতঃ সিবোৰৰ পৰস্পৰ সম্পৰ্ক সংলগ্নতা, গতি, উত্থান, পতন, আৱিৰ্ভাৱ তিৰোভাৱৰ পৰিপ্ৰেক্ষিতত বিচাৰ কৰা হয়।

(গ) বিকাশৰ এক প্ৰক্ৰিয়াত দ্বন্দ্বমূলক পদ্ধতি অনুসৰি একেটা বৃত্তৰ ভিতৰত আৱৰ্তন নহয় অথবা পূৰ্বৰ যি অৱস্থান আছিল সেয়াও গতানুগতিক পুনৰাবৃত্তি নঘটে। ক্ৰমবিকাশৰ প্ৰক্ৰিয়া সদায় উন্নতিৰ পিনে অগ্ৰসৰ হয়। ইয়াৰ উন্নতিৰ প্ৰক্ৰিয়া গুণৰ পুৰণি পৰ্যায়ৰ পৰা নতুনকৈ যাত্ৰা, সহজৰ পৰা জটিললৈ আৰু নিম্নতৰৰ পৰা উচ্চতৰ স্তৰলৈ বিকাশেই হ'ল ইয়াৰ প্ৰকৃতি।

দ্বন্দ্বমূলক ক্ৰমবিকাশৰ প্ৰক্ৰিয়াক পৰিমাণগত পৰিৱৰ্তনৰ পৰা গুণগত ৰূপান্তৰৰ সন্দৰ্ভত এঙ্গেল্‌চে তেখেতৰ 'ডায়েলেক্‌টিচ অব নেচাৰ' গ্ৰন্থত লিখিছে— "পদাৰ্থ বিজ্ঞানত প্ৰতিটো পৰিৱৰ্তনেই হ'ল পৰিমাণৰ পৰা গুণৰ ৰূপান্তৰ। ই হ'ল কোনো বস্তুৰ অন্তৰ্নিহিত গতি নাইবা বাহিৰৰ পৰা সঞ্চাৰিত গতিৰ পৰিমাণগত পৰিৱৰ্তনৰ ফল। উদাহৰণ হিচাপে পানীৰ তৰল অৱস্থাৰে ওপৰত প্ৰথমে পানীৰ উত্তাপৰ কোনো প্ৰভাৱ দেখা নাযায়; কিন্তু তৰল পানীৰ উত্তাপৰ উঠা-নমাৰ লগে লগে এনেকুৱা মুহূৰ্ত আহি পৰে যেতিয়া এই সংহত অৱস্থাৰ পৰিৱৰ্তন আৰম্ভ হয়। এটা ক্ষেত্ৰত পানী বাষ্পলৈ আৰু আন এটা ক্ষেত্ৰত বৰফলৈ ৰূপান্তৰিত হয়।" (ষ্টেলিন, জে. ভি.। দ্বন্দ্বমূলক আৰু ঐতিহাসিক বস্তুবাদ, পৃ. ৬)।

(ঘ) দ্বন্দ্বতত্ত্ব অনুসৰি যিকোনো বস্তু নিম্নস্তৰৰ পৰা উচ্চস্তৰলৈ যোৱাটো বিৰোধহীন এক ঘটনা প্ৰবাহৰ ফল নহয় বৰং সেইটো হ'ল বস্তুটোৰ বা ঘটনা প্ৰবাহৰ অন্তৰ্নিহিত বিৰোধৰেই প্ৰকাশ। এই সকলো বিৰোধৰ ওপৰত ভিত্তি কৰিয়েই যিবোৰ ধাৰা বিপৰীতভাৱে সক্ৰিয় হৈ আছে সেইবোৰ তাৰ সংঘৰ্ষৰ ফল।

এই সন্দৰ্ভত লেনিনে কৈছে যে— "প্ৰকৃত প্ৰস্তাৱত বস্তু প্ৰকৃতিৰ মৰ্মমূলৰ অন্তৰ্নিহিত বিৰোধ আলোচনাই হ'ল দ্বন্দ্বতত্ত্ব।" (ষ্টেলিন, দ্বন্দ্বমূলক আৰু ঐতিহাসিক বস্তুবাদ, পৃ. ৭)। সংক্ষেপত এইবোৰেই হ'ল মাৰ্ক্সীয় দ্বন্দ্বমূলক পদ্ধতিৰ প্ৰধান বৈশিষ্ট্য।

মার্ক্সীয় চিন্তাধাৰাৰ লগত যুক্ত ব্যক্তিসকলে বিশ্বাস কৰে যে মানৱ সমাজত উৎপাদনৰ কাৰ্যকলাপ নিম্ন স্তৰৰ পৰা উচ্চতৰ স্তৰত পৰ্যায়ক্ৰমে বিকাশ লাভ হয়। সেইবাবেই প্ৰকৃতি সম্পৰ্কেই হওক অথবা সমাজ সম্পৰ্কেই হওক, মানুহৰ জ্ঞানত সেইমতে নিম্নতৰ হয়। উচ্চতৰ স্তৰত বিকাশ লাভ কৰে। একমুখী জ্ঞানৰ পৰা বহুমুখী জ্ঞানলৈ বিকাশ লাভ হয়। মাৰ্ক্সবাদীসকলৰ মতে, মানুহৰ সামাজিক প্ৰয়োগেই বৰ্হিজগত সম্পৰ্কে মানুহৰ জ্ঞানৰ সঠিকতা নিৰূপণ কৰাৰ একমাত্ৰ মাপকাঠি। বৰ্তমানত যি ঘটনা ঘটিত হয়, মানুহ যেতিয়া সামাজিক প্ৰয়োগৰ প্ৰক্ৰিয়াৰ (বৈষয়িক উৎপাদন, শ্ৰেণী সংগ্ৰাম অথবা বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষাৰ প্ৰক্ৰিয়াৰ) পৰা তাৰ প্ৰত্যাশিত ফল লাভ কৰে। যেতিয়া কোনো এজন মানুহে নিজৰ কৰ্মত সাফল্য লাভ কৰিব বাবে যত্ন কৰে, তেতিয়া হ'লে নিজৰ চিন্তাক অৱশ্যেই বিষয়গতভাৱে বৰ্হিজগতৰ নিয়মৰ লগত সংগতিপূৰ্ণ কৰি তুলিব লাগিব। তেতিয়া মানুহে নিজৰ বিফলতাক সফলতালৈ পৰিৱৰ্তন কৰিব পাৰে। মাৰ্ক্সবাদ তত্ত্বত দ্বান্দ্বিক বস্তুবাদৰ জ্ঞানতত্ত্বক প্ৰয়োগৰ দিশত প্ৰথমতে স্থান দিয়ে। এই তত্ত্বই মানুহৰ জ্ঞানক তাৰ প্ৰয়োগৰ পৰা কোনভাবেই বিচ্ছিন্ন কৰিব পৰা নাযায়। লেনিনে কৈছিল— "প্ৰয়োগ তত্ত্বগত জ্ঞানৰ পৰা বহুত বেছি ব্যাপক কাৰণ তাৰ যে মাথো সাৰ্বজনীন গুণেই আছে তেনে নহয়, তাতে আছে সৰল বাস্তৱতাৰ গুণো' (হেগেল, যুক্তি শাস্ত্ৰেৰ বিজ্ঞান)। দ্বান্দ্বিক বস্তুবাদ তত্ত্বত মাৰ্ক্সবাদ দৰ্শনৰ দুটা প্ৰধান উল্লেখযোগ্য বৈশিষ্ট্য আছে। প্ৰথমটো হৈছে শ্ৰেণী প্ৰকৃতি আৰু দ্বিতীয়টো হৈছে বাস্তৱ প্ৰকৃতি। শ্ৰেণী প্ৰকৃতি সম্পৰ্কে মাৰ্ক্সবাদীসকলে ঘোষণা কৰে যে, দ্বান্দ্বিক বস্তুবাদ সৰ্বহাৰাশ্ৰেণীৰ সেৱাত নিয়োজিত আৰু বাস্তৱ প্ৰকৃতিত গুৰুত্ব দিয়া হয় যে তত্ত্ব প্ৰয়োগৰ ওপৰত নিৰ্ভৰশীল, তত্ত্বৰ মূল কথাই হৈছে প্ৰয়োগ। তত্ত্ব আকৌ প্ৰয়োগৰ সেৱা কৰে। জ্ঞান বা তত্ত্বৰ সত্যতা বিষয়গত অনুভূতিৰ দ্বাৰা নিৰ্ধাৰণ কৰিব নোৱাৰি। নিৰ্ধাৰণৰ সঠিক উপায় হৈছে সামাজিক প্ৰয়োগত সেইবোৰৰ বাস্তৱ ফলাফল নিৰ্ণয় কৰা। সামাজিক প্ৰয়োগেই সত্যৰ একমাত্ৰ মাপকাঠি হ'ব পাৰে। মাৰ্ক্সৰ মতে— "দ্বান্দ্বিক বস্তুবাদৰ জ্ঞানতত্ত্বৰ প্ৰয়োগৰ দৃষ্টিভঙ্গী হ'ল প্ৰথম আৰু মূল দৃষ্টিভঙ্গী' (মাৰ্ক্স, কাৰ্ল। ফয়েৰবাক সম্পৰ্কে থিসিস, দ্বিতীয় অধ্যায় ষষ্ঠ পৰিচ্ছেদ)। দ্বান্দ্বিক বস্তুবাদৰ মতে প্ৰকৃতিৰ মাজত পৰিৱৰ্তন নিহিত হৈ থাকে। বস্তু জড় নহয়, বস্তু গতিশীল। ফ্ৰেডৰিক এঙ্গেল্‌চে্ তেওঁৰ 'Dialectics of Nature' ত তিনিটা মূল সূত্ৰ সংক্ষিপ্ত আকাৰত প্ৰকাশ কৰে। এই তিনিটা সূত্ৰ হ'ল— (১) পৰিমাণগত পৰিৱৰ্তনৰ পৰা গুণগত

পৰিৱৰ্তনৰ নীতি, (২) বিৰুদ্ধ উপাদানৰ একতত্ত্বৰ নীতি আৰু (৩) নিষেধৰ নিষেধ নীতি। এই সূত্ৰসমূহ দ্বান্দ্বিক বস্তুবাদৰ মৌলিক নীতি বুলি জনা যায়।" (মো. শাহজাহান, সোভিয়েট ইউনিয়নৰ ইতিহাস, পৃ. ১০৭)।

(১) পৰিমাণগত পৰিৱৰ্তনৰ পৰা গুণগত পৰিৱৰ্তনৰ নীতি প্ৰাচীনৰ পৰা নতুনৰ আৱিৰ্ভাৱকে দৰ্শনত বলা হয় গুণগত পৰিৱৰ্তন। যদি বস্তুৰ বিভিন্ন অংশ কমে বা বেছি হয় অথচ বস্তুৰ স্বকীয়তা বজাই থাকে তেতিয়া দৰ্শনৰ মতে সেয়া হয় পৰিমাণগত পৰিৱৰ্তন। উদাহৰণস্বৰূপে তাপ দিলে পানী উত্তাপ হয়। তাপমাত্ৰা ক্ৰমান্বয়ে বাঢ়ি যায়। উত্তাপ পানী পানীয়েই হৈ থাকে। উত্তাপ পানী এটা মুহূৰ্তলৈকে পানীয়েই হৈ থাকে। ৯৯ ডিগ্ৰী পৰ্যন্ত তাপমাত্ৰা বাঢ়ি গ'লে পানী ক্ৰমাত বাষ্প হ'বলৈ আৰম্ভ কৰে এই পৰিৱৰ্তনক গুণগত পৰিৱৰ্তন বুলিব পাৰি। এই পৰিৱৰ্তন প্ৰথমে খুব লাহে লাহে হয় আৰু তাপমাত্ৰা বৃদ্ধি হ'লেই এক নতুন ৰূপৰ গতি লক্ষ্য কৰা যায়। এই পৰিৱৰ্তন প্ৰাচীনৰ ধ্বংস আৰু নতুনৰ আৰম্ভণি। এই পৰিৱৰ্তন প্ৰক্ৰিয়া দুটা পদ্ধতিত হয় (ক) ধীৰগতিত পৰিমাণগত পৰিৱৰ্তন আৰু (খ) দ্ৰুতগতিত হোৱা গুণগত পৰিৱৰ্তন। প্ৰাগৈতিহাসিক যুগত গছৰ ডালৰ পৰা বনমানুহ (এপম্যন) যেতিয়া মাটিলৈ নামি আহিল সেয়া আছিল পৰিমাণগত পৰিৱৰ্তনৰ স্তৰ। কিন্তু যেতিয়া সেই বনমানুহে ভৰিৰ ওপৰত থিয় হৈ খোজকাঢ়িব শিকিলে তেতিয়া সেই পশুস্তৰৰ পৰা মানুহৰ জগতলৈ প্ৰৱেশ কৰিলে। সেই বনমানুহ প্ৰাণীকূলৰ পৰা নাম কাটি উন্নত প্ৰজাতিলৈ আগবাঢ়িল। এয়েই হৈছে গুণগত পৰিৱৰ্তন। গুণগত পৰিৱৰ্তন সম্পন্ন হ'বলৈ সময় লাগিছিল লাখ-কোটি বছৰ। ওপৰত উল্লেখ কৰা পৰিৱৰ্তনবোৰ মানৰ সমাজত আজিও প্ৰযোজ্য হৈ আছে। মাৰ্ক্সবাদৰ দৃষ্টিত চাব গ'লে পুঁজিতন্ত্ৰ পৰিণত হ'ব পাৰে সমাজতন্ত্ৰলৈ। পৰিৱৰ্তনৰ এই প্ৰক্ৰিয়া গুণগতভাৱে চলি থাকে। এইদৰেই সামাজিক জগতত পৰিৱৰ্তনৰ সময়ত এটা বিপ্লৱৰ সৃষ্টি হয়। ইয়াৰ ফলত পুঁজিবাদী পদ্ধতিৰ গুণগত ৰূপান্তৰ সমাজবাদী বিপ্লৱৰ মাধ্যমত ফলপ্ৰসু হ'ব পাৰে।

অনুশীলনৰ ওপৰত ভিত্তি কৰি প্ৰতিষ্ঠিত হোৱা আৰু জ্ঞানৰ অগভীৰতাৰ পৰা গভীৰতালৈ অগ্ৰসৰ এই জ্ঞান বিকাশৰ প্ৰক্ৰিয়া দ্বান্দ্বিক বস্তুবাদী তত্ত্ব মাৰ্ক্সবাদৰ তত্ত্ব অহাৰ আগত কোনেও কেতিয়াও উপস্থাপন কৰা নাছিল। মাৰ্ক্সীয় বস্তুবাদ তত্ত্বই এই সমস্যাৰ সঠিক সমাধান দিয়ে। মাৰ্ক্সৰ বস্তুবাদী আৰু দ্বান্দ্বিক উভয় দিশৰ পৰাই জ্ঞানৰ ক্ৰমগভীৰ গতিক দেখুৱাই দিয়ে আৰু দেখুৱাই

দিয়ে যে, সমাজত মানুহ তাৰ উৎপাদন আৰু শ্ৰেণী সংগ্ৰামৰ জটিল আৰু নিয়মিতভাৱে বিৱৰ্তনশীল প্ৰয়োগৰ মাধ্যমত ইন্দ্ৰিয়গ্ৰাহ্য জ্ঞানৰ পৰা যৌক্তিক জ্ঞানৰ ফালে আগুৱাই যায়। লেনিনে এই প্ৰসংগত কৈছিল— "পদাৰ্থৰ বিমূৰ্তকৰণ (abstraction), প্ৰকৃতিৰ নিয়ম বিধৰ বিমূৰ্তককৰণ, মূল্য প্ৰভৃতিৰ বিমূৰ্তকৰণ সংক্ষেপে সকলো বিজ্ঞানসন্মত (সঠিক, গুৰুত্বপূৰ্ণ, অভ্ৰান্ত) বিমূৰ্তকৰণৰ প্ৰকৃতিক আৰু গভীৰভাৱে, সঠিকভাৱে আৰু পূৰ্ণভাৱে প্ৰতিফলিত কৰে।" ('হেগেল ঃ যুক্তিশাস্ত্ৰের বিজ্ঞান এর সংক্ষিপ্ত সার' দ্ৰষ্টব্য)।

মাৰ্ক্সৰ পূৰ্বৱৰ্তী দ্বন্দ্বাত্মক বস্তুবাদৰ আলোচক আছিল হেগেল। মাৰ্ক্সে মূলতঃ হেগেলৰ পৰাই দ্বন্দ্বাত্মক বস্তুবাদৰ ধাৰণাটো গ্ৰহণ কৰিছিল। ধাৰণাটো গ্ৰহণ কৰিলেও দুয়োজনৰ মাজত আদৰ্শগত প্ৰভেদ আছিল। হেগেল আছিল এজন আদৰ্শবাদী বা ভাৱবাদী আৰু মাৰ্ক্স আছিল বস্তুবাদ তত্ত্বৰ বিশ্বাসী। দ্বন্দ্বাত্মক বস্তুবাদৰ ক্ষেত্ৰত আদৰ্শবাদ বা ভাৱবাদ আৰু বস্তুবাদীসকলৰ মাজত মত পাৰ্থক্য আছে। আদৰ্শবাদী বা ভাৱবাদীসকলে বিশ্বাস কৰে যে আদৰ্শ বা ভাৱ হৈছে আমাৰ প্ৰকৃত সত্য। সমাজ বাস্তৱতাৰ এক অসম্পূৰ্ণ প্ৰতিচ্ছবি হৈছে ভাৱবাদ। ইয়াৰ বিপৰীতে বস্তুবাদীসকলে বিশ্বাস কৰে যে ভাৱবাদ বা আদৰ্শ কেতিয়াও সত্য হ'ব নোৱাৰে। এইখন পৃথিৱীত থকা বস্তুবোৰহে সত্য। বস্তুবোৰৰ ওপৰত ভিত্তি কৰিহে আদৰ্শ বা ভাৱবোৰৰ সৃষ্টি হয়। মাৰ্ক্সে কৈছে ঃ "মোৰ দ্বন্দ্বমূলক পদ্ধতি হেগেলীয় পদ্ধতিৰ পৰা কেৱল পৃথকেই নহয় ঠিক তাৰ বিপৰীত। হেগেলৰ বাবে যি মনন পদ্ধতি যাক হেগেলে মানস (আইডিয়া) নাম দি সম্পূৰ্ণ স্বাধীন সভাৈলে ৰূপান্তৰিত কৰিছে সেই মনন পদ্ধতিয়ে হ'ল বস্তুজগতৰ স্ৰষ্টা আৰু বস্তুজগত হ'ল কেৱল এই 'মানস'ৰ বাহ্যিক দৃশ্যমান ৰূপ। আনহাতে মোৰ মতে মানুহৰ মনত প্ৰতিফলিত আৰু বিভিন্ন মনন প্ৰকৰণত ৰূপান্তৰিত বস্তু জগতৰ বাহিৰে আন একোৱেই নহয়।" (ষ্টেলিন, ক্যাপিটাল প্ৰথম খণ্ড, দ্বিতীয় জাৰ্মান সংস্কৰণ। দ্বন্দ্বমূলক আৰু ঐতিহাসিক বস্তুবাদ, পৃ. ২)।

মাৰ্ক্সবাদী বস্তুবাদীসকলে 'পৰমাত্মাৰ মূৰ্তিৰূপ' এই ধৰণৰ ভাৱবাদী কল্পনাবোৰৰ বিৰোধ কৰে। মাৰ্ক্সবাদী বস্তুবাদীসকলে কয় যে জগতৰ প্ৰকৃতি স্বাভাৱিকতেই বস্তুগত, ইয়াৰ প্ৰকাশ বস্তুৰ বিভিন্ন গতিশীল ৰূপৰ বাহিৰে আন একোৱেই নহয়। বস্তুবাদৰ সম্পৰ্কত কাৰ্ল মাৰ্ক্সে কৈছে— 'যি বস্তুৱে চিন্তা কৰে তাৰ পৰা চিন্তাক বিচ্ছিন্ন কৰাটো অসম্ভৱ। বস্তুৱে হ'ল সমস্ত পৰিৱৰ্তনৰ কৰ্তা।' (মাৰ্ক্স, কাৰ্ল, নিৰ্বাচিত ৰচনা, পৃ. ৪০)। মাৰ্ক্সীয় বস্তুবাদী দৰ্শনৰ প্ৰসংগ ব্যাখ্যা কৰি লেনিনে

কৈছে— "সাধাৰণভাৱে বস্তুবাদে বিশ্বাস কৰে যে বাস্তৱ জগতত প্ৰকৃত সত্তাৰ (বস্তু) স্বতন্ত্ৰ অস্তিত্ব আছে, তাৰ অস্তিত্ব চৈতন্য, অনুভূতি বা অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ নকৰে। ...চৈতন্য হ'ল বস্তুসত্তাৰ প্ৰতিচ্ছবি যিটো হ'ল বৰ বেছি মোটামুটিভাৱে যথাৰ্থ (যথাযথ), সম্পূৰ্ণ সঠিক প্ৰতিচ্ছায়া।' (ষ্টেলিন, দ্বন্দ্বমূলক আৰু ঐতিহাসিক বস্তুবাদ, পৃ. ১২)।

মাৰ্ক্সীয় বস্তুবাদৰ মতে বিশ্ব প্ৰকৃতিত থকা কোনো বস্তুৱেই অজেয় নহয়। বস্তুবাদীসকলে বিশ্বাস কৰে যে বিশ্ব প্ৰকৃতিত থকা নিয়ম-কানুন জনাটো সম্পূৰ্ণ সম্ভৱ প্ৰকৃতিৰ প্ৰচলিত নিয়ম-কানুন সম্পৰ্কত পৰীক্ষা আৰু প্ৰয়োগসিদ্ধ জ্ঞানেই হ'ল বাস্তৱ আৰু প্ৰমাণিত সত্য। কাৰ্ল মাৰ্ক্স আৰু এঙ্গেল্‌চ্‌ দুয়ো দ্বন্দ্বাত্মক বস্তুবাদৰ নিয়মক সামাজিক, ঐতিহাসিক প্ৰক্ৰিয়াৰ বিভিন্ন পৰ্যালোচনাত প্ৰয়োগ কৰিছিল। তেওঁলোক দুজনে আৱিষ্কাৰ কৰিলে যে উৎপাদন ব্যক্তি আৰু উৎপাদন সম্পৰ্কত দ্বন্দ্বক শোষণ আৰু শোষিত শ্ৰেণীৰ মাজত দ্বন্দ্বক অৰ্থনৈতিক ভিত্তি আৰু লগতে ৰাজনৈতিক, মতাদৰ্শ ইত্যাদিয়ে বিভিন্ন শ্ৰেণী সমাজত বিভিন্ন ধৰণে সমাজ বিপ্লৱৰ জন্ম দিয়ে। মাৰ্ক্সে পুঁজিপতি ধনতান্ত্ৰিক সমাজৰ অৰ্থনৈতিক ভেটিৰ পৰ্যালোচনাত এই নিয়মৰ প্ৰয়োগ কৰি এই চিন্তাৰ আৱিষ্কাৰ কৰিলে যে এই প্ৰচলিত সমাজৰ মূল দ্বন্দ্ব হৈছে উৎপাদনৰ সামাজিক চৰিত্ৰ আৰু পুঁজিপতি মালিকসকলৰ ব্যক্তিগত চৰিত্ৰৰ মাজত দ্বন্দ্ব। পুঁজিপতি মালিকানাধীন উদ্যোগসমূহত উৎপাদনৰ সংগঠিত চৰিত্ৰ আৰু সমগ্ৰভাৱে সমাজত উৎপাদনৰ অসংগঠিত চৰিত্ৰসমূহৰ মাজত দ্বন্দ্বৰ সৃষ্টি হয়। এই দ্বন্দ্বই আত্মপ্ৰকাশ কৰে পুঁজিপতি বুৰ্জোৱা শ্ৰেণী আৰু শোষিত-সৰ্বহাৰা শ্ৰেণীৰ মাজত। মাৰ্ক্সবাদৰ ভেটি গঢ়ি উঠিছে প্ৰগতিশীল মতবাদৰ ওপৰত ভিত্তি কৰি। মতবাদটোৱে সমাজৰ বাস্তৱ জীৱন ব্যৱস্থাৰ বিকাশৰ দাবীক সঠিকভাৱে উপস্থাপন কৰে, মতবাদটোক উন্নীত সূত্ৰলৈ লৈ যায়।

**ঐতিহাসিক বস্তুবাদ ঃ**

কাৰ্ল মাৰ্ক্স আৰু ফ্ৰেডৰিক এঙ্গেল্‌চ্‌ দুয়োজনে ইতিহাসৰ অধ্যয়ন কৰিছিল দ্বান্দ্বিক পদ্ধতিৰ জৰিয়তে আৰু মানুহৰ সামাজিক জীৱনক বিশ্লেষণ কৰিছিল বস্তুবাদী দৃষ্টিকোণৰ জৰিয়তে, এইদৰে গঢ়ি উঠিছিল 'ঐতিহাসিক বস্তুবাদ' মতবাদ। দ্বন্দ্বমূলক আৰু ঐতিহাসিক বস্তুবাদ হৈছে মাৰ্ক্সবাদৰ মূল ভিত্তিস্বৰূপ। এই দুয়োটা মূলনীতিকে প্ৰয়োগ কৰি মাৰ্ক্সৰ বিপ্লৱৰ তত্ত্ব ঘোষিত হৈছে।

ঐতিহাসিক বস্তুবাদ কোনো সাৰ্বজনীন সত্তা বা অতিপ্ৰাকৃত শক্তিৰ মাজত সামাজিক অগ্ৰগতিৰ কাৰণ অনুসন্ধান নকৰে; বৰঞ্চ মানুহৰ বাস্তৱ জীৱনতেই ইয়াৰ অনুসন্ধান চলায়। জীয়াই থাকিবলৈ মানুহক প্ৰয়োজন হোৱা খাদ্য, বস্ত্ৰ, বাসস্থান, শক্তি ইত্যাদিৰ বিষয়ে আৰু লগতে এই প্ৰয়োজনীয় হোৱা সামগ্ৰীসমূহৰ উৎপাদন কিদৰে কৰিবলগা হয় সেইসমূহ দিশৰ অনুসন্ধান কৰে। বস্তুৰ উৎপাদনেই হ'ল প্ৰথম ঐতিহাসিক কৰ্ম যি মানৱ সমাজক অন্য প্ৰাণীজগতৰ পৰা পৃথক কৰে। মানুহক প্ৰয়োজন হোৱা উৎপাদনৰ বাবে বিভিন্ন সামগ্ৰীৰ প্ৰয়োজন হয়, যেনে— নাঙল, কোৰ, যন্ত্ৰ, তাঁতশাল ইত্যাদি। উৎপাদনৰ উপকৰণ, মানুহৰ শ্ৰম, শ্ৰমৰ দক্ষতা আৰু অভিজ্ঞতা এই সকলো মিলাই গঢ়ি উঠে উৎপাদিকা শক্তিৰ। মানুহৰ প্ৰয়োজনীয় উৎপাদনৰ প্ৰক্ৰিয়াত মানুহৰ নিজৰ মাজত যি সম্পৰ্ক প্ৰতিষ্ঠা কৰে সেয়া হ'ল উৎপাদন সম্পৰ্ক। উৎপাদনৰ সাহায্য কৰিবলৈ উৎপাদিকা শক্তিৰ সৈতে সঙ্গতিপূৰ্ণ হ'ব লাগিব। উৎপাদিকা শক্তি আৰু উৎপাদন সম্পৰ্ক এই দুয়ো মিলি গঠিত হয় উৎপাদন ব্যৱস্থা বা উৎপাদনৰ ধৰণৰ (mode of production)। উৎপাদন ব্যৱস্থাৰ পৰিৱৰ্তনৰ ফলত সমাজৰ পৰিৱৰ্তন হয়। মাৰ্ক্সে কৈছে— "উৎপাদনৰ বিষয়ত মানুহে কেৱল প্ৰকৃতিৰ ওপৰতে ক্ৰিয়া নকৰে, পৰস্পৰৰ ওপৰতো ক্ৰিয়া কৰে। এক বিশেষ ধৰণৰ সহযোগিতা আৰু পৰস্পৰ আদান-প্ৰদানৰ মাজেদিহে উৎপাদন সম্ভৱ হয়। উৎপাদন কৰিবলৈ হ'লে মানুহে পৰস্পৰৰ লগত কিছুমান বিশিষ্ট সম্পৰ্ক আৰু যোগাযোগ স্থাপন কৰিব লগা হয়। এই সামাজিক সম্পৰ্কৰ মাজেৰেহে প্ৰকৃতি জগতৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰাটো সম্ভৱ হয়।" (ষ্টেলিন, দ্বন্দ্বমূলক আৰু ঐতিহাসিক বস্তুবাদ, পৃ. ২৩)।

ঐতিহাসিক বস্তুবাদে উৎপাদন ব্যৱস্থাক এক স্থিৰ, জড় আৰু স্থায়ী কৰ্ম হিচাপে নেদেখুৱাই, অন্যৰূপে সদা পৰিৱৰ্তনশীল আৰু ৰূপান্তৰময় ৰূপে মানি আহিছে। যিকোনো উৎপাদন ব্যৱস্থাতেই প্ৰথমেই হয় উৎপাদিকা শক্তিৰ পৰিৱৰ্তন আৰু উৎপাদিকা শক্তিৰ মাজত অন্য উৎপাদনৰ উপকৰণৰ পৰিৱৰ্তন আহে সকলোৰে আগত। এই কাৰণে যিকোনো উৎপাদন ব্যৱস্থাতেই উৎপাদনৰ উপকৰণ হ'ল সকলোতকৈ বেছি সচল উপাদান। উৎপাদনৰ উপকৰণৰ দ্বাৰা শ্ৰমমূল্য নিৰ্ধাৰণ কৰা হয়। পৃথিৱীৰ ইতিহাসত আজিলৈকে পাঁচ ধৰণৰ উৎপাদন ব্যৱস্থা আৰু তাৰ ফলত পাঁচ প্ৰকাৰৰ সমাজ ব্যৱস্থা দেখা পোৱা যায়— আদিম সাম্যবাদ, দাসব্যৱস্থা, সামন্ততন্ত্ৰ, পুঁজিবাদ আৰু সমাজতন্ত্ৰ।

ঐতিহাসিক বস্তুবাদে ভাবে যে, উৎপাদিকা শক্তিও পৰিমাণৰ পৰা গুণলৈ, নিম্নস্তৰৰ পৰা

উচ্চস্তৰলৈ, সৰলৰ পৰা জটিলতালৈ এইদৰেই বিকাশ লাভ কৰে। প্ৰাগৈতিহাসিক যুগত (প্ৰস্তৰ যুগত) মানুহৰ অস্ত্ৰ আছিল শিলেৰে নিৰ্মিত, সেইবাবে একমাত্ৰ পাৰস্পৰিক সহযোগিতাৰ ভিত্তিত সেই আদিম মানৱে প্ৰাকৃতিক প্ৰতিকুলতা, বাধা নেওচি কোনোমতে জীয়াই থকাৰ বাবে সংগ্ৰাম কৰিবলগীয়া হৈছিল। সময়ৰ পৰিৱৰ্তনৰ ফলত শিলৰ অস্ত্ৰৰ পৰিৱৰ্তে ধাতৰ অস্ত্ৰৰ নিৰ্মাণ কৰা হয়। ধাতুৰ আৱিষ্কাৰে আদিম মানুহৰ উৎপাদনৰ উপকৰণৰ লগতে সমগ্ৰ সামাজিক জীৱনলৈ এক বৈপ্লৱিক পৰিৱৰ্তন হৈ আহে। উন্নত মানৰ অস্ত্ৰ-শস্ত্ৰই জীৱন ধাৰণৰ প্ৰয়োজনীয় বস্তুবোৰ উৎপাদনত এক বৃহৎ পৰিৱৰ্তন আনিলে। উৎপাদনৰ নতুন নতুন উপকৰণে মানুহৰ জীৱন ধাৰণৰ নতুন নতুন পথৰ সন্ধান দিলে। মানুহে জীৱিকাৰ বাবে বাছি ল'লে কৃষি, ধাতু শিল্প, হস্তশিল্প ইত্যাদি। এটা সময়ত গৈ শ্ৰমৰ বিভাজন আৰম্ভ হ'ল। আৰম্ভ হ'ল বিনিময়ৰ প্ৰত্যক্ষ ৰূপ আৰু লাহে লাহে ব্যক্তিগত সম্পত্তিৰ সৃষ্টি হ'ল। উন্নত আহিলা-সঁজুলিৰে কাম কৰাৰ ফলত উৎপাদন বৃদ্ধি পালে, উৎপাদন সংৰক্ষণ কৰা হ'ল আৰু কিছু উপকৰণ অতিৰিক্ত হৈ পৰিল। অতিৰিক্ত হৈ পৰা উৎপাদনৰ উপকৰণখিনি কামত লগাবৰ বাবে নতুন উপাদানৰ প্ৰয়োজন হৈ পৰিল। গোষ্ঠীযুদ্ধত পৰাজিত হোৱা বন্দীখিনিক দাসৰূপে উৎপাদিকা শ্ৰমৰ কৰ্মীৰূপে নিয়োগ কৰা হ'ল। এইদৰে সমাজত দাস ব্যৱস্থাৰ আৰম্ভ হ'ল। যিয়েই দাসৰ মালিক আছিল, সিয়েই আছিল উৎপাদনৰ উপকৰণৰো মালিক। পুঁজিপতি ধনী আৰু শ্ৰমিক দৰিদ্ৰ, শোষক আৰু শোষিত অধিকাৰ সম্পন্ন আৰু অধিকাৰবিহীন আৰু তেওঁলোকৰ মাজত তীব্ৰ শ্ৰেণী সংঘৰ্ষ এয়াই আছিল দাস প্ৰথাৰ চিত্ৰ। সমাজৰ উৎপাদিকা শক্তিৰ বিকাশৰ বাবে উৎপাদনৰ উপকৰণৰ বিকাশৰ ওপৰত নিৰ্ভৰশীল হয়। উৎপাদিকা শক্তিৰ বিকাশ বৃদ্ধি হ'লে উৎপাদন সম্পৰ্কতো অনুৰূপ পৰিৱৰ্তন আৰু বিকাশো ঘটে। মাৰ্ক্সে কৈছে— "সামাজিক সম্পৰ্কৰ লগত উৎপাদন শক্তিৰ এক বিশেষ যোগাযোগ আছে। নতুন উৎপাদন শক্তি অৰ্জন কৰিবলৈ মানুহে উৎপাদনৰ প্ৰক্ৰিয়াৰ পৰিৱৰ্তন কৰে, আকৌ এই প্ৰক্ৰিয়া পৰিৱৰ্তনৰ লগে লগে জীৱিকা উপাৰ্জনৰ উপায়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহে সমগ্ৰ সামাজিক সম্পৰ্কৰো পৰিৱৰ্তন ঘটায়। তুমি যেতিয়া হাতেৰে যন্ত্ৰ চলোৱা তেতিয়া তুমি বাস কৰা সামন্ত ব্যৱস্থাৰ যুগত, আকৌ যেতিয়া সেই যন্ত্ৰ গৈ বাষ্পচালিত হয়। তেতিয়া তুমি আছা ধনতন্ত্ৰৰ পৰিৱেশত।" (ষ্টেলিন, দ্বন্দ্বমূলক আৰু ঐতিহাসিক বস্তুবাদ, পৃ. ৩২)। উৎপাদন উপকৰণৰ বিকাশৰ প্ৰক্ৰিয়াত নতুন উপকৰণ যি সামাজিক পৰিৱৰ্তন মাতি আনিব পাৰে। মানুহে নিজৰ প্ৰয়োজনৰ বাবেই নতুন

উপকৰণৰ আৱিষ্কাৰ কৰে। সেইবাবেই উৎপাদনৰ উপকৰণৰ বিকাশৰ একোটা নির্দিষ্ট পর্যায়লৈকে স্বতস্ফূর্ত আৰু অসচেতন বুলি ক'ব পৰা যায়, কিন্তু ই এক সীমিত পর্যায়লৈকেহে। পুৰণি উৎপাদনৰ মাজত নতুন উৎপাদিকা শক্তি যেতিয়া পৰিপূর্ণভাবে বিকশিত হয় তেতিয়াই সিহঁতৰ প্ৰতিনিধিত্বকাৰী নতুন নতুন শ্ৰেণীসমূহৰ আৱিষ্কাৰ হ'বলৈ ধৰে। এই নতুন শ্ৰেণীসমূহৰ সৈতে অহা নতুন চিন্তা, নতুন ৰাজনীতি, নতুন দর্শন, নতুন আইন ইত্যাদি। এই নতুন তত্ত্ব, নতুন শ্ৰেণীসমূহক লৈ সচেতন প্ৰয়াসৰ মাজেদি পুৰণি উৎপাদনৰ লগত জড়িত প্ৰতিনিধিত্বকাৰী পুৰণি শ্ৰেণীসমূহক ক্ষমতাচ্যুত কৰে। আজিৰ এই পৃথিৱীত বৃহৎ পুঁজিপতিৰ বহুত উদ্যোগ আৰু উৎপাদন উপকৰণৰ মালিক। এওঁলোকে নিজৰ অত্যাধিক লাভৰ বাবে নিজৰ উৎপাদনক নিয়ন্ত্ৰণ কৰে। যেতিয়া পুঁজিপতিসকলৰ মুনাফা কমি আহে তেতিয়া সিহঁতৰ উদ্যোগবোৰ বন্ধ কৰি দিয়ে। ইয়াৰ ফলত হাজাৰ হাজাৰ শ্ৰমিকে কর্মসংস্থাপন হেৰুৱাই পেলায়, বিপুল পৰিমাণৰ উৎপাদিকা শক্তিৰ ধ্বংস হয়। ইয়াৰ ফলত পুঁজিবাদী আৰু শ্ৰমিক শ্ৰেণীৰ মাজত সংঘাত হয়। নতুন উৎপাদিকা শক্তিৰ প্ৰতিনিধি আন্তর্জাতিক সর্বহাৰা হৈ বিশ্বৰ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে একত্ৰিত হয়।

এঙ্গেল্‌চে ঐতিহাসিক বস্তুবাদ সম্পর্কত 'কমিউনিষ্ট পার্টিৰ ইস্তাহাৰ'ত কৈছে— "প্ৰত্যেক ঐতিহাসিক যুগৰে অর্থনৈতিক উৎপাদন আৰু অনিবার্যভাবে তাৰ পৰা উদ্ভৱ সমাজৰ গঠনে সেই যুগৰ ৰাজনীতি আৰু চিন্তাধাৰাৰ ইতিহাসৰ বুনিয়াদ সৃষ্টি কৰে। ......গতিকে আদিম যৌথ সমাজ ব্যৱস্থাৰ বিলোপৰ পাছৰ পৰা মানুহৰ ইতিহাস হ'ল শ্ৰেণী সংঘর্ষৰ ঐতিহাস, এই সংঘর্ষ হ'ল শোষক আৰু শোষিতৰ মাজত, সমাজৰ বিৱৰ্তনৰ বিভিন্ন স্তৰত শাসক আৰু শাসিত শ্ৰেণীৰ মাজত। আজি এই শ্ৰেণী সংগ্ৰামে এনেকুৱা পর্যায় পাইছেগৈ যে এতিয়া শোষিত আৰু অত্যাচাৰিত শ্ৰেণীয়ে (সর্বহাৰা) কেৱল নিজকে শোষক আৰু অত্যাচাৰী (বুর্জোৱা) শ্ৰেণীৰ হাতৰ পৰা মুক্ত কৰিব নোৱাৰে। মুক্তি পাবলৈ হ'লে লগে লগে চিৰদিনৰ কাৰণে সমগ্ৰ সমাজকেই শোষণ-অত্যাচাৰ আৰু শ্ৰেণী সংগ্ৰামৰ পৰা মুক্ত কৰিব লাগিব।" (মার্ক্স, এঙ্গেল্‌চ্‌, কমিউনিষ্ট পার্টিৰ ইস্তাহাৰ, ভূমিকা)। মার্ক্সৰ দ্বন্দ্বমূলক আৰু ঐতিহাসিক বস্তুবাদৰ লগতে সমাজতান্ত্ৰিক সমাজ ব্যৱস্থাটোও জড়িত হৈ আছে।

**সমাজতান্ত্ৰিক সমাজ ঃ**

মার্ক্সবাদে সদায় এখন সমাজতান্ত্ৰিক সমাজ ব্যৱস্থা প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। পুঁজিপতিসকলে

পণ্য উৎপাদনৰ বাবে স্থাপন কৰিছিল বৃহৎ বৃহৎ উদ্যোগ। সেই উদ্যোগত উৎপন্ন হ'ল মানুহৰ প্ৰয়োজনীয় বিভিন্ন পণ্যৰ। এই পণ্যসমূহৰ দাম তুলনামূলকভাৱে কম হয়। কম মূল্যত পোৱা এই পণ্যৰ সৈতে ক্ষুদ্ৰ উদ্যোগ আৰু হস্তশিল্পীসকলে উৎপন্ন কৰা পণ্যৰ মূল্য বেছি হোৱা বাবে লাহে লাহে ক্ষুদ্ৰ উদ্যোগ আৰু হস্তশিল্পৰ উদ্যোগসমূহ বন্ধ হৈ যোৱাৰ উপক্ৰম হ'ল। ক্ষুদ্ৰ উদ্যোগসমূহ বন্ধ হৈ যোৱাৰ ফলত উদ্যোগৰ লগত জড়িত লোকসকলে কৰ্মসংস্থাপন হেৰুৱাব লগা হ'ল। শ্ৰমিকসকলে যোগ দিব লগা হ'ল পুঁজিপতিসকলৰ উদ্যোগত। ক্ষুদ্ৰ উদ্যোগৰ লগত কৃষিখণ্ডতো পুঁজিবাদী ব্যৱস্থাৰ আৰম্ভ হ'ল। পুঁজিপতিসকলে হাজাৰ হাজাৰ বিঘা কৃষিভূমি নিজৰ দখললৈ ল'লে। সৰ্বহাৰা ভূমিদাসৰূপে পুঁজিপতিৰ উদ্যোগত কাম কৰিব ল'লে। পুঁজিপতিসকলে এই শ্ৰমিক শ্ৰেণীক শোষণ কৰিছিল বিভিন্ন প্ৰকাৰে। শ্ৰমিক শ্ৰেণীৰ কাম আছিল খুবেই কষ্টকৰ আৰু সেই অনুপাতে মজুৰী আছিল নগণ্য। পুঁজিবাদী উৎপাদন ব্যৱস্থাৰ মূল বৈশিষ্ট্য হ'ল— অত্যাধিক লাভৰ বাবে পণ্য উৎপাদন। পূৰ্বতে উৎপাদন হৈছিল প্ৰধানভাৱে ভোগ-বিলাসৰ বাবে। কিন্তু পুঁজিবাদী উৎপাদন মূলতঃ পণ্যোৎপাদন যাৰ মূল উদ্দেশ্য হৈছে মুনাফা লাভ।

পূৰ্বতে উৎপাদনকাৰীসকলে দ্ৰব্য উৎপন্ন কৰিছিল নিজৰ বাবে। পিছত বজাৰ ব্যৱস্থা আহিল। মুদ্ৰাৰ বিনিময়ত দ্ৰব্য বেচা-কিনা চলিল। লাহে লাহে সমাজত পুঁজিবাদী ব্যৱস্থাৰ প্ৰচলন হয়। পুঁজিবাদী ব্যৱস্থাত পুঁজিপতিসকলে মুদ্ৰাৰ বিনিময়ত দ্ৰব্য কিনে আৰু সেই দ্ৰব্য অধিক দামত বিক্ৰী কৰি আকৌ মুদ্ৰা আদায় কৰে। এই ধাৰাটো হৈছে— 'মুদ্ৰা → পণ্য → মুদ্ৰা'। পুঁজিপতিসকলে দ্ৰব্যৰ অধিক মূল্য আদায় কৰিছিল। সেই অধিক মূল্যই হৈছে 'উদ্বৃত্ত মূল্য'। আৰু এই উদ্বৃত্ত মূল্যই হৈছে পুঁজিপতিৰ মুনাফাৰ উৎস।

পুঁজিপতিয়ে তেওঁৰ পুঁজিৰ দ্বাৰা প্ৰথমতে ঘৰ, উদ্যোগ, যন্ত্ৰপাতি আৰু কেঁচামাল সংগ্ৰহ কৰে। এই সকলো বস্তুৰ দ্বাৰা উৎপাদন সম্ভৱ নহয়। উৎপাদনৰ বাবে লাগিব শ্ৰমিক। পুঁজিপতিয়ে মজুৰি দি শ্ৰমিকসকলৰ শ্ৰমশক্তি দিনটোৰ কেইঘণ্টামানৰ বাবে কিনি নিয়ে। আৰু সেই শ্ৰমশক্তি প্ৰয়োগ কৰে যন্ত্ৰপাতি আৰু কেঁচামালৰ দ্বাৰা দ্ৰব্য উৎপাদনত। পুঁজিবাদী ব্যৱস্থাত উৎপাদিত সকলো দ্ৰব্য-সামগ্ৰীৰ মূল্য নিৰ্ধাৰণ হয় তাৰ উৎপাদন খৰচৰ দ্বাৰা। শ্ৰমিকৰ শ্ৰমশক্তিৰ মূল্য হ'ল মজুৰি। শ্ৰমশক্তিৰ মূল্য অৰ্থাৎ মজুৰি স্থিৰ হয় শ্ৰমশক্তিৰ উৎপাদনৰ খৰচৰ দ্বাৰা। শ্ৰমিকসকলে মজুৰিৰ পৰিৱৰ্তে শ্ৰমশক্তি দিনৰ কেইঘণ্টামানৰ বাবে পুঁজিপতিৰ ওচৰত বিক্ৰী কৰে। শ্ৰমশক্তিৰ

বিনিময়ত শ্ৰমিকসকলে যিখিনি মজুৰি লাভ কৰে তাৰ পৰা অধিক বেছি মূল্যৰ দ্ৰব্য পুঁজিবাদীসকলে তৈয়াৰ কৰে। শ্ৰমিকক মজুৰি দিলেও পুঁজিপতিৰ হাতত বহু বেছি উদ্বৃত্ত-মূল্য ৰৈ যায়। লাভৰ বাবে পণ্যোৎপাদন প্ৰক্ৰিয়াক অৰ্থাৎ পুঁজিবাদী উৎপাদনক দুটা অংশত ভাগ কৰা যায়— (১) উৎপাদন প্ৰক্ৰিয়াৰ দ্বাৰা শ্ৰমিকক বঞ্চিত কৰি পণ্য সামগ্ৰীৰ উদ্বৃত্ত-মূল্য সৃষ্টি, (২) পণ্য সামগ্ৰীৰ বিক্ৰীৰ জৰিয়তে উদ্বৃত্ত-মূল্য মুদ্ৰালৈ ৰূপান্তৰিত কৰা। ইয়াৰ প্ৰথমটো হ'ল পুঁজিপতি আৰু শ্ৰমিকৰ মাজত দ্বন্দ্বৰ কাৰণ আৰু দ্বিতীয়টো হ'ল বুৰ্জোৱা শ্ৰেণীৰ (পুঁজিপতি) নিজৰ মাজতে দ্বন্দ্বৰ কাৰণ।

পুঁজিপতিসকলে উদ্বৃত্ত মূল্য সংগ্ৰহৰ মূল উদ্দেশ্য হ'ল অত্যাধিক মুনাফা আদায় আৰু এই মুনাফা আদায় হয় মুদ্ৰাত। সেইবাবেই পুঁজিপতিসকলৰ উদ্বৃত্ত-মূল্য আয়ৰ বাবে লোভৰ শেষ নাই। সেইবাবেই পুঁজিবাদী উৎপাদন ব্যৱস্থাত মজুৰি শ্ৰমিকৰ ওপৰত পুঁজিপতিসকলৰ শোষণৰ শেষ নাই।

পুঁজিবাদীসকলৰ নিজৰ উদ্বৃত্ত মূল্যৰ পৰিমাণ বৃদ্ধিৰ বাবে শ্ৰমিকৰ মজুৰি কমাই দিয়ে অথবা শ্ৰমৰ সময় বৃদ্ধি কৰে। পুঁজিবাদীসকলে নিজৰ পুঁজি বৃদ্ধি কৰিবলৈ নতুন নতুন ধৰণৰ উন্নত প্ৰযুক্তিৰ যন্ত্ৰপাতি আমদানি কৰে। এই যন্ত্ৰৰ দ্বাৰা কম সময়ত অধিক পণ্যৰ উৎপন্ন হয়। ইয়াত শ্ৰমিকসকলে অধিক শ্ৰম কৰিবলগীয়া হয়। শ্ৰমিকৰ শ্ৰম অধিক খটুৱাই পুঁজিবাদীসকলে উদ্বৃত্ত-মূল্যৰ পৰিমাণ, অৰ্থাৎ অধিক লাভ কৰে, ইয়াৰ ফলত শ্ৰমিকৰ ওপৰত শোষণৰ মাত্ৰা বৃদ্ধি পায়। প্ৰথম অৱস্থাত প্ৰতিটো কাৰখানাৰ শ্ৰমিকসকলে নিজ নিজ পুঁজিপতি মালিকৰ বিৰুদ্ধে সংগ্ৰাম কৰিছিল। শ্ৰমিক শ্ৰেণীটোৱে বুজিব পাৰিলে যে পুঁজিবাদী উৎপাদন ব্যৱস্থাই সিহঁতৰ দুখ-দুৰ্দশাৰ মূল। শ্ৰমিকসকলে সমগ্ৰ পুঁজিবাদী ব্যৱস্থাৰ ওপৰতে দ্ৰোহ ঘোষণা কৰে। পুঁজিবাদী উৎপাদন ব্যৱস্থাই পুঁজিপতি শ্ৰেণীৰ লগত সৰ্বহাৰা শ্ৰমিক শ্ৰেণীৰ দ্বন্দ্বৰ বাবে দায়ী।

পুঁজিবাদী ব্যৱস্থাৰ উচ্ছেদ কৰিবলৈ এঙ্গেল্‌চে মত প্ৰকাশ কৰিছিল যে পুঁজিপতি শ্ৰেণীটোৰ মুখামুখি থিয় হৈ আছে বিভিন্ন শ্ৰেণী, সেই শ্ৰেণীৰ ভিতৰত সৰ্বহাৰা শ্ৰেণীটোৱেই বিপ্লৱী শ্ৰেণী। অন্য শ্ৰেণীসমূহ পুঁজিবাদৰ চেপাত নিঃশেষ হৈ যাব পাৰে। সৰ্বহাৰা শ্ৰেণীটোৱে হ'ল এই শিল্প ব্যৱস্থাৰ বিশিষ্ট আৰু প্ৰয়োজনীয় উপাদান। সৰ্বহাৰা শ্ৰমিক শ্ৰেণীটোৰ মূল কথা হৈছে— উৎপাদনৰ উপাদানৰ ওপৰত থকা পুঁজিপতিসকলৰ ব্যক্তিগত মালিকাধীন উচ্ছেদ কৰি সামাজিক মালিকাধীন

প্ৰতিষ্ঠা কৰা। ইয়াৰ পিছতেই আৰম্ভ হয় ৰাজনৈতিক ক্ষমতা দখলৰ যুঁজ। পুঁজিবাদী ব্যৱস্থাত ৰাষ্ট্ৰশক্তি বুৰ্জোৱাসকলৰ দখলত থাকে। সৰ্বহাৰা শ্ৰেণীটোৱে জানে যে, যেতিয়ালৈকে তেওঁলোকে ৰাষ্ট্ৰশক্তি বুৰ্জোৱাসকলৰ হাতৰ পৰা কাঢ়ি ল'ব নোৱাৰিব তেতিয়ালৈকে সমাজ-ব্যৱস্থাৰ পৰিৱৰ্তন সম্ভৱ নহয়। সমাজতান্ত্ৰিক বিপ্লৱৰ স্বাৰ্থত সৰ্বহাৰা শ্ৰেণীটোৱে জোৰ কৰি ৰাষ্ট্ৰশক্তি দখল কৰিব লগা হয়। সৰ্বহাৰা শ্ৰেণীটোৱে ৰাষ্ট্ৰশক্তি নিজৰ দখললৈ অনাৰ পিছত প্ৰথম কাম হ'ব বুৰ্জোৱা ৰাষ্ট্ৰযন্ত্ৰক ভাঙি তাৰ ঠাইত সৰ্বহাৰা শ্ৰেণীৰ একনায়কত্ব প্ৰতিষ্ঠা কৰা। তেতিয়া সেই সৰ্বহাৰা শ্ৰেণীৰ একনায়কত্বৰ সহায়ত আৰম্ভ হয় সমাজতান্ত্ৰিক গঠন কাৰ্য; যাৰ মুখ্য উদ্দেশ্য হৈছে— সাম্যবাদী সমাজ, অৰ্থাৎ শ্ৰেণীহীন, শোষণহীন, ৰাষ্ট্ৰহীন সমাজ প্ৰতিষ্ঠা কৰা। সমাজতান্ত্ৰিক সমাজৰ বিষয়ে এঙ্গেল্‌চে কৈছে— "পুঁজিবাদী সমাজ আৰু সাম্যবাদী সমাজৰ মাজত প্ৰবাহিত হৈছে এটাৰ পৰা অন্যটোলৈ যোৱাৰ বৈপ্লৱিক পৰিৱৰ্তনৰ মাজেৰে। আৰু এই যুগত ৰাষ্ট্ৰ সৰ্বহাৰা শ্ৰেণীৰ বৈপ্লৱিক একনায়কত্ব অবিহনে (মাৰ্ক্স) একই হ'ব নোৱাৰে।" (মজহাৰ, ফৰহাদ, মাৰ্কস পাঠের ভূমিকা, পৃ. ৩২)। সমাজতান্ত্ৰিক সমাজ ব্যৱস্থাৰ উৎপাদনৰ ভিত্তি হ'ল— উৎপাদানৰ উপাদানৰ ওপৰত সামাজিক মালিকানা। ইয়াত শোষক আৰু শোষিত নাই। যিয়ে যিদৰে শ্ৰম কৰে, সেই অনুপাতে উৎপাদিত উপাদানৰ (পণ্যৰ) ভাগ লাভ কৰে।

**সাম্যবাদী সমাজ ঃ**

কাৰ্ল মাৰ্ক্সে পুঁজিবাদী ব্যৱস্থাৰ পতন আৰু সমাজতন্ত্ৰৰ উদ্ভৱ সম্বন্ধে ভৱিষ্যতবাণী কৰিছিল। এই ভৱিষ্যতবাণী আছিল পুঁজিবাদী ব্যৱস্থাৰ উদ্ভৱ আৰু ক্ৰমবিকাশক ঐতিহাসিক বস্তুবাদ তত্ত্বৰ আধাৰত বিচাৰ কৰি সমাজতান্ত্ৰিক সমাজৰ প্ৰতিষ্ঠা কৰা। ১৯১৭ চনত ৰাছিয়াত হোৱা অক্টোবৰ বিপ্লৱৰ ফলত মাৰ্ক্সৰ ভৱিষ্যতবাণী সফল হয়। ৰাছিয়াত প্ৰতিষ্ঠা হয় সমাজতান্ত্ৰিক সমাজ ব্যৱস্থাৰ। ৰাছিয়াৰ পিছত এছিয়া, ইউৰোপ আৰু আমেৰিকাৰ বহুকেইখন দেশত সমাজতান্ত্ৰিক সমাজৰ গঠন হয়।

সমাজত উৎপাদন বৃদ্ধি পোৱাৰ লগে লগে সমাজত সম্পদো সমৃদ্ধ হ'ব। তেতিয়া সমাজৰ প্ৰত্যেক সদস্যই সেই ভাণ্ডাৰৰ পৰা নিজৰ প্ৰয়োজনীয় ভোগপণ্য সামগ্ৰী ব্যৱহাৰৰ পিছতো যথেষ্টখিনি উদ্বৃত্ত থাকিব। সমাজৰ প্ৰত্যেক লোকৰে বাবে থকা সামগ্ৰীৰ ব্যৱহাৰৰ

ক্ষেত্ৰত তেতিয়া কোনেও প্ৰতিবাদ কৰিব নাহিব যে, কোনোবাই বেছি পাইছে আৰু কোনোবাই কম ভাগত পাইছে। শ্ৰেণীবৈষম্য সমাজৰ পৰা লুপ্ত হ'ব আৰু শ্ৰেণীৰ শোষণৰ যন্ত্ৰৰূপে থকা ৰাষ্ট্ৰশক্তিৰ প্ৰয়োজনো ক্ৰমান্বয়ে লোপ পাব।

সমাজ বিকাশৰ ইতিহাসত পাঁচ প্ৰকাৰৰ সমাজ ব্যৱস্থা দেখা যায়— (১) আদিম সাম্যবাদী সমাজ-ব্যৱস্থা, (২) দাস সমাজ ব্যৱস্থা, (৩) সামন্ততান্ত্ৰিক সমাজ ব্যৱস্থা, (৪) পুঁজিবাদী সমাজ-ব্যৱস্থা, (৫) সমাজতান্ত্ৰিক সমাজ ব্যৱস্থা।

মাৰ্ক্সেই প্ৰথমে উল্লেখ কৰে যে ইতিহাস কেতিয়াও পৰস্পৰ সম্পৰ্কবিহীন বিচ্ছিন্ন ঘটনাৱলীৰ সমষ্টি নহয়। প্ৰতিটো যুগৰে প্ৰতিটো ঘটনা পৰস্পৰ সম্পৰ্কযুক্ত। অতীতত ঘটি যোৱা ঘটনাৰ প্ৰভাৱ যিদৰে বৰ্তমানৰ ওপৰত থাকে, ঠিক সেইদৰে বৰ্তমান আৰু অতীতত হৈ যোৱা ঘটনাৱলীৰ প্ৰভাৱ ভৱিষ্যতৰ ঘটনাৱলীৰ ওপৰত থাকিব। মানুহক জীয়াই থাকিবলৈ প্ৰয়োজনীয় হোৱা সামগ্ৰীবোৰ যেনে— খাদ্য, বস্ত্ৰ, বাসস্থান, যন্ত্ৰপাতি, অস্ত্ৰ ইত্যাদি উৎপাদন কৰিবলগীয়া হয়। মানুহে নিজৰ প্ৰয়োজনীয় এই সামগ্ৰীবোৰ সমাজবদ্ধভাৱে উৎপাদন কৰে। সকলো সময়ত উৎপাদন হ'ল সামাজিক উৎপাদন। সমাজৰ লোকসকলৰ পাৰস্পৰিক সম্পৰ্ক নিৰ্ভৰ কৰে সেই যুগৰ উৎপাদন ব্যৱস্থাৰ ওপৰত। এই উৎপাদন ব্যৱস্থাক কেন্দ্ৰ কৰিয়েই মানুহৰ লগত মানুহৰ সম্পৰ্কৰ পৰিৱৰ্তন হৈ আহিছে। যৌথ উৎপাদনৰ ব্যৱস্থাৰ সময়ত মানুহৰ লগত মানুহৰ সম্পৰ্ক আছিল সমান। সমান ভাগতে উৎপাদিত সামগ্ৰীৰ ওপৰত অধিকাৰ আছিল। প্ৰত্যেকে সামাজিক উৎপাদনত পৰিশ্ৰম কৰিছিল আৰু ইয়াৰ ফচল ভগাই লৈ ভোগ কৰিল হয়। দাস উৎপাদন ব্যৱস্থাত ক্ৰীতদাসৰ দ্বাৰা উৎপাদন কৰা পৰম্পৰা আৰম্ভ হ'ল। সমাজত সৃষ্টি হ'ল পৰশ্ৰমভোগী দাস-মালিক শ্ৰেণীৰ। দাস-মালিক উৎপাদনৰ সমস্ত উপাদান মালিকৰ। ক্ৰীতদাসক শোষণ কৰি শোষক দাস-মালিকে উৎপন্ন সকলো সামগ্ৰী দ্ৰব্য দখল কৰে। সামন্ত ব্যৱস্থাত, পুঁজিবাদী ব্যৱস্থাত আৰু সমাজতান্ত্ৰিক ব্যৱস্থাত মানুহৰ লগত মানুহৰ বিশেষ বিশেষ সম্পৰ্ক দেখিবলৈ পোৱা যায়। কোনো এক বিশেষ সময়ত উৎপাদন ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি মানুহে মানুহৰ যি সম্পৰ্ক গঢ়ি উঠিছে আৰু তাৰ লগত সঙ্গতি ৰাখি সেই লোকসকলৰ আচাৰ-ব্যৱহাৰ, ৰীতি-নীতিৰ প্ৰচলন হয়। সমাজত গঢ়ি উঠে বিভিন্ন প্ৰতিষ্ঠান, আইন-আদালত, নৈতিক আদৰ্শ, ৰাজনৈতিক মতবাদ আৰু অন্যান্য ভাৱধাৰাৰ। এই লোকসকলক কেন্দ্ৰ কৰিয়েই সমাজৰ বাস্তৱ অৱস্থা আৰু অভিজ্ঞতাৰ প্ৰতিফলন ঘটে।

সমাজ বিপ্লৱৰ অৰ্থনৈতিক ক্ষেত্ৰত যেতিয়া পৰিপক্কতা দেখা দিবলৈ ৰাজনৈতিক প্ৰচেষ্টাৰ প্ৰয়োজন। প্ৰচলিত সমাজ ব্যৱস্থাত ৰাজনৈতিক ক্ষমতা, অৰ্থনৈতিক ক্ষমতাসম্পন্ন শাসক শ্ৰেণীৰ হাতত আৱদ্ধ হৈ আছে। এই ৰাজনৈতিক ক্ষমতা দখল নকৰাকৈ অৰ্থনৈতিক বাধা উচ্ছেদ কৰা সম্ভৱ নহয়। কাৰ্ল মাৰ্ক্সে এই প্ৰসংগত কৈছে যে— "তেতিয়াই নতুন সামাজিক মতবাদৰ তীব্ৰ উপযোগিতা প্ৰবলভাৱে দেখা দিয়ে। প্ৰয়োজনত দেখা দিয়ে নতুন ৰাজনৈতিক প্ৰতিষ্ঠান আৰু নতুন ৰাজনৈতিক শক্তিৰ, যাৰ উদ্দেশ্য হ'ব বলপূৰ্বক পুৰাতন সম্পৰ্কৰ উচ্ছেদ কৰা। পুৰাতন উৎপাদনৰ সম্পৰ্কৰ উচ্ছেদ কৰা। পুৰাতন উৎপাদন সম্পৰ্কৰ সৈতে নতুন উৎপাদন শক্তিৰ দ্বন্দ্ব আৰু সমাজৰ নতুন অৰ্থনৈতিক দাবীসমূহৰ পৰাই জন্ম লয় নতুন সামাজিক মতবাদৰ।" (চক্ৰৱৰ্তী, মদুসূদন, মাৰ্কসবাদ জানবো, পৃ. ৫৬)। সৰ্বহাৰা শ্ৰমিক শ্ৰেণীৰ দ্বাৰা এক ৰাজনৈতিক বাহিনী গঠন কৰি এক বৈপ্লৱিক শক্তি আৰু উৎপাদন সম্পৰ্কৰ ব্যৱস্থাক উচ্ছেদ কৰি নতুন ব্যৱস্থাক দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰিব।

**মাৰ্ক্সৰ শ্ৰেণী সংঘৰ্ষ/ শ্ৰেণী সংগ্ৰাম ঃ**

কাৰ্ল মাৰ্ক্সে আগবঢ়োৱা বিভিন্ন ৰাজনৈতিক তত্ত্বৰ ভিতৰত এটা উল্লেখযোগ্য তত্ত্ব হৈছে শ্ৰেণী সংঘৰ্ষ তত্ত্ব বা শ্ৰেণী সংগ্ৰাম তত্ত্ব। মাৰ্ক্সৰ মতে শ্ৰেণী সংঘৰ্ষৰ ফলত সমাজৰ পৰিৱৰ্তন হয়। এই পৰিৱৰ্তন বিভিন্ন সময়ত বিভিন্ন ঘটনাৰ জৰিয়তে হোৱা দেখা যায়। আদিম সাম্যবাদী সমাজত কোনো শ্ৰেণীভেদ নাছিল। সমাজত শ্ৰেণী শোষণো নাছিল। আদিম অৱস্থাত সামাজিক উৎপাদন ব্যক্তিকেন্দ্ৰিক নাছিল। সেই সময়ত উৎপাদিত উপাদান ৰাজহুৱা আছিল। সকলো সম্পত্তি সমাজৰ সকলোৱে ভগাই লৈছিল। সেই সময়ত লোকসকলৰ মাজত অৰ্থনৈতিক সামৰ্থ্যৰ পাৰ্থক্য আৰু তাৰ ফলত হ'ব পৰা অৰ্থনৈতিক স্বাৰ্থৰ সংঘাত নাছিল আৰু লোকসকলৰ মাজত শ্ৰেণী দ্বন্দ্ব নাছিল।

আদিম সময়ত মানুহে বাধ্যত পৰি সমূহীয়াভাৱে জীৱন-যাপন কৰিছিল। জীয়াই থকাৰ সংগ্ৰাম, খাদ্য, বিভিন্ন বন্যপ্ৰাণীৰ পৰা নিজকে সুৰক্ষিত ৰাখিবলৈ এওঁলোকে সমূহীয়াভাৱে বাস কৰিছিল। তেওঁলোকে জীয়াই থাকিবলৈ কৰা শ্ৰম সমূহীয়া হোৱা বাবে উৎপাদনৰ ক্ষেত্ৰতো সমূহীয়া স্বত্বাধিকাৰী আছিল। গতিকে সেই সময়ত ব্যক্তিগত সম্পত্তিৰ ধাৰণা উৎপাদনৰ আহিলা

হিচাপে চিন্তা কৰা হোৱা নাছিল। সময় যোৱাৰ লগে লগে সমাজ মূলতঃ দুটা ভাগত বিভক্ত হৈ পৰে, এটা ভাগ হ'ল— ক্ৰীতদাস আৰু আনটো দাস-মালিক। দাস-মালিক শ্ৰেণীটোৱে ক্ৰীতদাসৰ শ্ৰমত উৎপন্ন দ্ৰব্য আত্মসাৎ কৰে, উদ্বৃত্ত উৎপাদন বিনিময় কৰে। চিকাৰৰ যুগৰ পাছত পশু পালনৰ যুগ আৰম্ভ হোৱাৰ লগে লগে সমাজত দুটা শ্ৰেণীৰ আৱিৰ্ভাৱ হ'ল। এক শ্ৰেণীৰ লোক পোহনীয়া জন্তুৰ গৰাকী হ'ল আৰু আনটো শ্ৰেণীয়ে পোহনীয়া জন্তুৰ পৰা বঞ্চিত হৈ জীৱন নিৰ্বাহৰ বাবে জন্তুৰ গৰাকীৰ ওপৰত নিৰ্ভৰশীল হ'ল। সমাজত ব্যক্তিগত সম্পত্তিৰ আৱিৰ্ভাৱ হোৱাৰ লগে লগে সামাজিক গাঁথনিৰো পৰিৱৰ্তন আৰম্ভ হ'ল। মানৱ ইতিহাসৰ এই সময়ছোৱাতে শ্ৰেণী সংঘৰ্ষৰ সূত্ৰপাত আৰম্ভ হয়। পশুপালন যুগৰ পিছত কৃষি যুগৰ আৰম্ভ হয়। কৃষি যুগতো দুটা শ্ৰেণীৰ সৃষ্টি হয়। এটা হ'ল মাটিৰ মালিক আৰু আন এটা মাটিহীন কৃষক। মাটিৰ মালিক জমিদাৰসকল হয়। আনহাতে ভূমিহীন শ্ৰেণীয়ে জমিদাৰসকলৰ তলত ৰায়ত হিচাপে থাকি জীৱিকা নিৰ্বাহ কৰে। ভূমিহীন ৰায়তসকলে নিজৰ জীৱন নিৰ্বাহৰ বাবে মহাজন-জমিদাৰৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰিব লগা হয়। এই ব্যৱস্থাৰ ফলত কৃষক আৰু মহাজন-জমিদাৰৰ সম্পৰ্ক দাস আৰু মালিকৰ দৰে হৈ দুয়োপক্ষৰ মাজত শ্ৰেণী সংঘৰ্ষৰ সৃষ্টি হয়। কৃষি যুগৰ পিছত শিল্প যুগৰ আৰম্ভ হয়। উৎপাদনৰ উপাদান পণ্য দ্ৰব্যৰ নিৰ্মাণ আৰম্ভ হয়, উদ্যোগ গঢ়ি উঠে। এই শিল্পযুগতো সমাজত দুটা শ্ৰেণীৰ সৃষ্টি হয়, এই শ্ৰেণী দুটা হৈছে পুঁজিপতি আৰু শ্ৰমকাৰী শ্ৰেণী। পুঁজিপতিসকলে নিজৰ কল-কাৰখানা, উদ্যোগত উৎপাদন কাৰ্যৰ বাবে পৰিশ্ৰমৰ বিনিময়ত শ্ৰমিকসকলক খটুৱায়। পুঁজিপতিসকলে নিজৰ উদ্যোগত উৎপাদিত সামগ্ৰী বিক্ৰী কৰি জীৱিকা অৰ্জন কৰাৰ বিপৰীতে শ্ৰমিকসকলে জীৱিকা নিৰ্বাহৰ বাবে কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হয়। পুঁজিপতিসকলে কম পাৰিশ্ৰমিকৰ বিনিময়ত অধিক মুনাফা আদায় কৰিব বিচাৰে সেইদৰে শ্ৰমিকসকলেও নিজৰ শ্ৰম অধিক দামত বিক্ৰী কৰিব বিচাৰে। শ্ৰমিকসকলে অধিক শ্ৰমৰ মূল্য বিচাৰে যদিও পুঁজিপতিসকলে নিজৰ মুনাফা অধিক পোৱাৰ আশাত শ্ৰমিকসকলক শোষণ কৰে। পুঁজিপতি আৰু শ্ৰমিকসকলৰ মাজত শ্ৰমৰ মূল্যক লৈ পুঁজিপতিসকলে সদায় সুবিধাজনক স্থিতিত থাকে। এনে বিভিন্ন কাৰণতে পুঁজিপতি আৰু শ্ৰমিকসকলৰ মাজত স্বাৰ্থৰ পৰিপন্থী হয়। বুৰ্জোয়া শ্ৰেণীৰ অৰ্থনৈতিক স্বাৰ্থ জড়িত আছিল উৎপাদন শক্তি আৰু বিকাশৰ লগত। এই পৰিস্থিতিত নতুনকৈ গঢ়ি উঠা বুৰ্জোৱা শ্ৰেণী সমাজ-বিপ্লৱৰ ৰাজনৈতিক দায়িত্ব গ্ৰহণ কৰি সামন্তপ্ৰভু আৰু ভূমিদাসসকলৰ মাজত শ্ৰেণী

সংগ্ৰামক সংহত কৰি বুৰ্জোৱা বিপ্লৱীসকলৰ সাহায্যৰ দ্বাৰা বুৰ্জোৱা শ্ৰেণীটোৱে ৰাষ্ট্ৰশক্তি নিজৰ দখললৈ নিয়ে। ভূমিদাসসকলক ভূমিদাসৰ পৰা মুক্ত কৰি তেওঁলোকক স্বাধীন মজুৰি দাস ৰূপত স্বীকৃতি দিয়ে। আৰম্ভ হ'বলৈ ধৰে পুঁজিবাদী শোষণ ব্যৱস্থা। সমাজত নতুন নতুন শ্ৰেণীৰ সৃষ্টি হয়। পুঁজিপতি শোষক, মজুৰি শ্ৰমিক শোষিত। তেতিয়া শ্ৰেণী দ্বন্দ্বই নতুন ৰূপত থিয় দিয়ে। আৰম্ভ হয় পুঁজিপতি আৰু সৰ্বহাৰা মজুৰি শ্ৰমিকৰ মাজত শ্ৰেণী-সংগ্ৰাম।

কম সময়ত অধিক মুনাফাৰ বাবে পুঁজিপতিসকলে বিভিন্ন উন্নতমানৰ যন্ত্ৰ-পাতিৰ ব্যৱহাৰ কৰে। শ্ৰমিকসকলৰ শ্ৰম সামাজিক শ্ৰমলৈ পৰিৱৰ্তন হ'ব ধৰে। দ্ৰব্যৰ উৎপাদন সম্পৰ্ক ব্যক্তিগত মালিকানা পুঁজিবাদীৰ লগত সম্পৰ্ক থকাৰ বাবে এই সামাজিক শ্ৰমৰ বিৰোধ হোৱা দেখা যায়।

বুৰ্জোৱা ৰাষ্ট্ৰযন্ত্ৰক নিজৰ দখললৈ নি সৰ্বহাৰা শ্ৰেণীটোৱে তাক ভাঙি তাৰ ঠাইত প্ৰতিষ্ঠা কৰে সৰ্বহাৰা শ্ৰেণীৰ একনায়কত্ববাদ। সমাজত শ্ৰেণীশোষণ দূৰ হ'লেও অধিকাৰচ্যুত বুৰ্জোৱা শ্ৰেণী তেতিয়াও বিভিন্ন ধৰণে নিজৰ অধিকাৰ ঘূৰাই পাবলৈ চেষ্টা কৰে। সমাজতান্ত্ৰিক উৎপাদন ব্যৱস্থাই উৎপাদন শক্তিৰ বিকাশৰ পথত থকা সকলো বাধা বিপত্তি দুৰ কৰে। সমাজত সৰ্বহাৰাশ্ৰেণীৰ একনায়কত্ববাদৰ সহায়ত সমাজতান্ত্ৰিক গঠনকাৰ্য চলি থাকে। এইদৰে সমাজখন সাম্যবাদৰ ফালে আগুৱাই গৈ থাকে। সাম্যবাদী সমাজত নাথাকিব কোনো শ্ৰেণী বিভেদ, শ্ৰেণী-শোষণ, আৰু শ্ৰেণী দ্বন্দ্ব। বৰ্তমান পুঁজিবাদী ব্যৱস্থাত পুঁজিপতি আৰু শ্ৰমিকসকলৰ মাজত হোৱা শ্ৰেণী সংঘৰ্ষই পুঁজিবাদৰ অৱসান ঘটাই শ্ৰেণীহীন সমাজৰ প্ৰতিষ্ঠা বিচাৰে।

**মাৰ্ক্সৰ বিপ্লৱৰ সূত্ৰ ঃ**

মাৰ্ক্সৰ বিপ্লৱৰ ধাৰণা ইতিহাসৰ বস্তুবাদী তত্ত্বৰ ব্যাখ্যাত প্ৰত্যক্ষভাৱে প্ৰতিফলন ঘটা দেখা যায়। সমাজৰ অৰ্থনৈতিকভাৱে সবল শ্ৰেণীটোৱে ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষমতা নিজৰ হাতত ৰাখিব বিচাৰে। সৰ্বহাৰা শ্ৰমিক শ্ৰেণীটোৱে সংগঠিত বিপ্লৱৰ দ্বাৰা ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষমতা নিজৰ দখললৈ আনিব পাৰিব। সমাজত বিপ্লৱ নহ'লে উৎপাদনৰ এটা ধাৰাৰ পৰা আন এটা ধাৰালৈ সলনি কৰাটো সম্ভৱপৰ নহয়। উৎপাদনৰ ক্ষেত্ৰতো তেনে পৰিৱৰ্তন নহ'লে শ্ৰেণী বিশেষৰ হাতত থকা ক্ষমতাৰ ভিত্তিৰো কোনো ধৰণৰ পৰিৱৰ্তন নহয়। মাৰ্ক্সৰ বিপ্লৱৰ তত্ত্বত আন বিপ্লৱৰ বৈশিষ্ট্য থাকিলেও মাৰ্ক্সৰ বিপ্লৱ সমাজবাদী বিপ্লৱ হ'ব। সমাজবাদী

বিপ্লৱে শ্ৰমিক শ্ৰেণীক সংগঠিত কৰি পুঁজিপতিৰ বিৰুদ্ধে সমাজবাদ প্ৰতিষ্ঠা কৰিব। সমাজৰ সৰ্বহাৰা শ্ৰমিক শ্ৰেণীৰ বিপ্লৱ সামাজিক বিপ্লৱ হ'ব, কাৰণ সৰ্বহাৰা শ্ৰমিক শ্ৰেণীটোৱে সমাজৰ সকলো স্বাৰ্থ পূৰণ কৰিব পাৰে। কাৰ্ল মাৰ্ক্সৰ মতে বিপ্লৱ নিজে নিজেই সংঘটিত নহয়। সমাজত কোনো শ্ৰেণীৰ লোকৰ বৈপ্লৱিক কাৰ্যকলাপৰ ফলত বিপ্লৱৰ আৰম্ভণি হ'ব পাৰে।

মাৰ্ক্সৰ মতে বিপ্লৱ কেৱল ৰাজনৈতিক ক্ষমতা হস্তগত কৰিবৰ কাৰণে সংঘটিত নহয়। তেওঁৰ মতে বিপ্লৱৰ দ্বাৰা সমাজখন আৰ্থিক, সাংস্কৃতিক, নৈতিক আদৰ্শগতভাৱে পৰিৱৰ্তন সাধন কৰিব পাৰি। যিকোনো বিপ্লৱৰ উদ্দেশ্যই হৈছে সমাজত পৰিৱৰ্তন সাধন কৰা। যিকোনো বিপ্লৱৰে তৎকালীন উদ্দেশ্য হৈছে দেশৰ ৰাজনৈতিক ক্ষমতা নিজৰ অধীনলৈ অনা। মাৰ্ক্সে সামাজিক আৰু ৰাজনৈতিক পৰিৱৰ্তনৰ বাবে বিপ্লৱ অনিবাৰ্য বুলি কৈছে। মাৰ্ক্সবাদে সমাজত বিপ্লৱৰ দ্বাৰা পুঁজিপতি শাসন বিলোপ কৰি সৰ্বহাৰা শ্ৰমিক শ্ৰেণীৰ একনায়কত্ববাদ প্ৰতিষ্ঠা কৰি সামাজিক ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশত পৰিৱৰ্তন সাধন কৰি শ্ৰেণীবিহীন সমাজ প্ৰতিষ্ঠা কৰিব পাৰে।

**মাৰ্ক্সৰ উদ্বৃত্তমূল্য ঃ**

বুৰ্জোৱা আৰু পেটি বুৰ্জোৱা অৰ্থনীতিবিদসকলৰ মতে, শ্ৰমিকসকল বজাৰত প্ৰতাৰিত হোৱাৰ ফলতেই উদ্বৃত্তমূল্যৰ সৃষ্টি হয়। কিন্তু মাৰ্ক্সৰ মতে, উদ্বৃত্ত মূল্যৰ প্ৰতাৰণাৰ মাধ্যমত সৃষ্টি নহয়, অসমান বিনিময়ৰ পৰাহে হয়। কাৰণ বজাৰত এটা পণ্য, শ্ৰমশক্তি যাৰ কিছুমান উদ্ভুত চাৰিত্ৰিক বৈশিষ্ট্য আছে। শ্ৰমশক্তি নিজেই নিজকে ব্যৱহাৰ কৰি এটা মূল্য উৎপন্ন কৰে, যি বজাৰ মূল্যতকৈ বহু গুণে বেছি হয়। উদ্বৃত্ত মূল্যৰ উদাহৰণ হৈছে— এজন শ্ৰমিকে পুঁজিপতিৰ কাৰখানাত যদি ১০ ঘণ্টা শ্ৰম কৰে, তেন্তে তাৰে মাত্ৰ ৫ ঘণ্টাৰ শ্ৰমে সৃষ্টি কৰা মূল্যখিনিয়ে তেওঁ পোৱা মজুৰিখিনিৰ মূল্যৰ সমান হ'ব। অৰ্থাৎ শ্ৰমিকে নিজৰ শ্ৰমশক্তিৰ বাবদ পোৱা মূল্যখিনি তেওঁ ৫ ঘণ্টাৰ শ্ৰমেৰেই সৃষ্টি কৰিব, বাকী ৫ ঘণ্টাৰ শ্ৰমৰে তেওঁ সৃষ্টি কৰা মূল্যখিনি পুঁজিপতিৰ হাতলৈ যাব। এইখিনিয়ে হৈছে উদ্বৃত্ত মূল্য। বুৰ্জোৱা অৰ্থনীতিবিদসকলৰ মতে এজন পুঁজিপতিয়ে নিজৰ উদ্যোগত সৃষ্টি হোৱা সকলো উৎপাদিত সামগ্ৰীৰ মূল্যকে চাৰিভাগত ভগাই দিয়া বুলি কয়। ভাগসমূহ— এভাগ হ'ল মাটিৰ বাবদ দিয়া খাজনা, এভাগ হ'ল শ্ৰমৰ বাবে মজদুৰক দিয়া মজুৰি, এভাগ হ'ল পুঁজিৰ বাবদ দিয়া সুদ আৰু বাকী ভাগটো হ'ল পুঁজিপতি উদ্যোগৰ মালিকজনৰ

মুনাফা। বুৰ্জোৱা অৰ্থনীতিবিদসকলৰ তত্ত্ব মতে শ্ৰমিকসকলক শ্ৰমৰ বাবে পাবলগীয়া সকলো টকা মজুৰি হিচাপে দিয়া হয়।

উদ্বৃত্ত মূল্যৰ সৃষ্টি সমাজ শ্ৰেণী বিভক্ত হৈ পৰাৰ পিছৰে পৰাই সমাজত আৰম্ভ হৈছে। সমাজত চলা সকলো প্ৰকাৰৰ শোষণেই হ'ল উদ্বৃত্ত মূল্যই সৃষ্টি কৰা। পুঁজিপতি উদ্যোগপতিসকলে কম খৰচৰ বিনিময়ত অধিক উৎপাদন আৰু মুনাফা বিচাৰে। আনহাতে শ্ৰমিকসকলেও শ্ৰমৰ বিকল্প পথ নথকাৰ বাবে তেওঁলোকে পুঁজিপতিসকলৰ ওচৰত কম পৰিশ্ৰমৰ বিনিময়ত শ্ৰম কৰিবলগীয়া হয়। শ্ৰমিক শ্ৰেণীটোৱে নিজৰ পৰিয়ালৰ ভৰণ-পোষণৰ বাবে কম মজুৰিত শ্ৰম কৰে। কিন্তু পুঁজিপতি-উদ্যোগপতিসকলে শ্ৰমিকসকলৰ শ্ৰমৰ বিনিময়ত যি দ্ৰব্যৰ উৎপাদন কৰে, সেই বস্তু বজাৰত অধিক মূল্যত বিক্ৰী কৰে। বজাৰত বিক্ৰী কৰা মূল্যটো শ্ৰমিকসকলক মজুৰি হিচাপে দিয়া খৰচতকৈ বহুত বেছি হয়। বস্তুৰ উৎপাদনী খৰচ আৰু বিক্ৰীৰ মূল্যৰ পাৰ্থক্যটোৱে হৈছে উদ্বৃত্ত মূল্য।

পুঁজিপতিসকলে শ্ৰমিকসকলৰ শ্ৰমৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ মূল্য লাভ কৰে যদিও সৰ্বাধিক কষ্ট কৰা শ্ৰমিকে ইয়াৰ কোনো অংশ লাভ নকৰে। উদ্যোগপতিসকলে এই সমগ্ৰ উদ্বৃত্ত মূল্য আত্মসাৎ কৰে। মাৰ্ক্সে বিচাৰিছিল যে উৎপাদনকাৰীসকলৰ লগতে শ্ৰমিকসকলেও উদ্বৃত্ত মূল্য লাভ কৰক। বৰ্তমান সময়তো উদ্বৃত্ত মূল্যৰ পৰা শ্ৰমিক শ্ৰেণীটোৱে বঞ্চিত হৈ আছে।

উদ্বৃত্ত মূল্য পাৰ্যমানে বৃদ্ধি কৰা, বৰ্দ্ধিত উদ্বৃত্ত মূল্যৰ প্ৰধান অংশ এটা আকৌ পুঁজিলৈ ৰূপান্তৰিত কৰা, পুনৰুৎপাদনৰ মাজেৰে আকৌ উদ্বৃত্ত মূল্য বৃদ্ধি কৰা, এই সমস্ত প্ৰক্ৰিয়াটোৱে ক্ৰমে ক্ৰমে পুঁজি কিছুসংখ্যক পুঁজিপতিৰ হাতত জমা কৰি একচেতিয়া পুঁজিৰ সৃষ্টি কৰিছে। এই উদ্বৃত্ত মূল্য ব্যৱস্থাই শ্ৰমিক শ্ৰেণীৰ লোকক সৰ্বহাৰাত পৰিণত কৰিছে। পুঁজিপতিসকলে উদ্বৃত্ত মুল্যৰ আত্মসাৎ কৰাৰ কাৰণে মুষ্টিমেয় লোকৰ হাতত মূলধন কেন্দ্ৰীভূত হৈছে। পুঁজিপতিসকলে শ্ৰমিকসকলক কম মজুৰি দি অধিক মুনাফা লাভ কৰিছে। ইয়াৰ ফলত পুঁজিপতি ধনিক শ্ৰেণীটোৱে দিনক দিনে ধনী হৈ গৈছে আৰু দুখীয়া সৰ্বহাৰা শ্ৰমিক শ্ৰেণীৰ লোকসকলৰ অৱস্থা দিনক দিনে বেয়া হৈ গৈছে। ক্ৰমবৰ্দ্ধমান উদ্যোগৰ প্ৰসাৰতা বৃদ্ধি পোৱাৰ ফলত পুঁজিপতিসকলৰ মাজত প্ৰতিযোগিতা বৃদ্ধি পাইছে। পুঁজিপতিসকলৰ নিজৰ মাজত ব্যৱসায়িক প্ৰতিযোগিতা বৃদ্ধি পোৱাৰ ফলত দুৰ্বল শ্ৰেণীৰ উদ্যোগপতিসকলৰ অৱস্থা বেয়া হৈ পৰে। ধনী পুঁজিপতিসকলে ৰাষ্ট্ৰৰ অৰ্থনীতি

নিয়ন্ত্ৰণ কৰে। ৰাষ্ট্ৰৰ অৰ্থনীতি সংকটৰ অন্যতম কাৰণ হৈছে উদ্বৃত্ত মূল্য আত্মসাৎ কৰা। পুঁজিপতি উদ্যোগিকসকলে শ্ৰমিকসকলক তেওঁলোকৰ শ্ৰমৰ বিনিময়ত সামান্য পৰিমাণৰ মজুৰি আদায় দিয়ে। শ্ৰমিকসকলে যিমান শ্ৰম কৰি দ্ৰব্য উৎপাদন কৰে, তাৰ সামান্য অংশহে কিনিবলৈ সক্ষম হয়। পুঁজিপতিসকলে কেতিয়াবা উৎপাদিত সামগ্ৰী বিক্ৰী কৰিব নোৱাৰাৰ বাবে অৰ্থনৈতিক সংকটে দেখা দিয়ে। পুঁজিবাদী উৎপাদনী ব্যৱস্থাত পুঁজিপতি আৰু শ্ৰমিকসকলৰ মাজত শ্ৰেণী সংঘৰ্ষ হোৱা দেখা যায়। শ্ৰেণী সংঘৰ্ষই শেষত পুঁজিবাদ ধ্বংস কৰি সমাজবাদ প্ৰতিষ্ঠাৰ পথ মুকলি কৰি দিয়ে।

মাৰ্ক্সে পুঁজিবাদৰ আপেক্ষিক উদ্বৃত্ত মূল্যৰ প্ৰসংগত শ্ৰমৰ উৎপাদনশীলতা বৃদ্ধিৰ তিনিটা মূল ঐতিহাসিক পৰ্যায় আলোচনা কৰিছে— (১) সৰল সমবায়, (২) শ্ৰম বিভাগ আৰু হস্তশিল্প কাৰখানা, (৩) যন্ত্ৰপাতি আৰু বৃহৎ আকাৰৰ শিল্প। মাৰ্ক্সে উদ্বৃত্ত মূল্যৰ এটা অংশ পুঁজিলৈ ৰূপান্তৰ, পুঁজিৰ ব্যক্তিগতকৰণ অথবা নিজৰ খেয়াল খুচি পুৰাবৰ বাবে পুঁজি ব্যৱহাৰ নকৰি নতুন উৎপাদনৰ বাবে ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে।

**মাৰ্ক্সীয় অৰ্থনীতি ঃ**

মাৰ্ক্সবাদ তত্ত্বৰ লগত অৰ্থনীতিৰ বিষয়সমূহ ওতপ্ৰোতভাৱে জড়িত হৈ আছে। মাৰ্ক্সবাদৰ ভেটি অৰ্থনীতিৰ কাঠামোৰ ওপৰত গঢ়ি উঠিছে। সমাজৰ ধনহীন মানুহৰ মুক্তিৰ বাবে মাৰ্ক্সক অৰ্থনৈতিক ক্ৰিয়াকলাপৰ বহু প্ৰশ্নৰ উত্তৰৰ অনুসন্ধান কৰিবলগীয়া হৈছে। এই অনুসন্ধানৰ দ্বাৰা মাৰ্ক্সে সমাজ অৰ্থনীতিৰ চিত্ৰ স্পষ্টকৈ দাঙি ধৰিছে। দৰ্শন বিচাৰত অৰ্থনৈতিক দিশসমূহৰ বিভিন্ন সম্পৰ্কৰ আৱিষ্কাৰত মাৰ্ক্সৰ চিন্তাৰ মৌলিকত্ব দেখিবলৈ পোৱা যায়। মাৰ্ক্সে দৰ্শনক ভাব জগতৰ পৰা বাস্তৱ জগতলৈ নমাই আনে। মাৰ্ক্সে এক নতুন অৰ্থনৈতিক ব্যৱস্থা ৰচনা কৰে। পুঁজিবাদী সমাজৰ প্ৰধান উদ্দেশ্য হৈছে পণ্য দ্ৰব্য উৎপাদন কৰা। এই প্ৰসঙ্গত মাৰ্ক্সৰ 'মূল্য মতবাদ' (The labour theory of value) এক মূল্যৱান অৱদান। সকলো প্ৰকাৰ পণ্যদ্ৰব্যৰ দুই প্ৰকাৰ মূল্য আছে— (১) ব্যৱহাৰিক মূল্য (Value in use) আৰু (২) বিনিময় মূল্য (Value in exchange)। মূল্য বুলি ক'লে সাধাৰণতে বিনিময় মূল্যক বুজায়। বৰ্তমান সময়ত দ্ৰব্যৰ বিনিময় হয় মূদ্ৰাৰ দ্বাৰা। দ্ৰব্যৰ মূল্য নিৰ্ধাৰণ কৰা হয় শ্ৰমৰ দ্বাৰা। উৎপাদিত দ্ৰব্যৰ মাজত শ্ৰমশক্তি সোমাই থাকে।

মাৰ্ক্সে জীৱনৰ এক দীঘলীয়া সময় পুঁজিবাদৰ ওপৰত অধ্যয়ন কৰিছিল। পুঁজিবাদী অৰ্থনীতিৰ পৰিৱৰ্তনসমূহ বিভিন্ন দৃষ্টিভংগীৰে চাইছিল। অৰ্থনীতিৰ বিষয়ে সেই সময়ৰ চিন্তাবিদসকলে পুঁজিবাদৰ বাহিৰৰ বিষয়তহে গুৰুত্ব দিয়াৰ লগতে ইয়াক এটি অপৰিৱৰ্তনীয় চিৰন্তন প্ৰথা বুলি উল্লেখ কৰিছে। মাৰ্ক্সে পুঁজিবাদী অৰ্থনীতিক ইতিহাসৰ অন্যান্য উৎপাদন প্ৰথাৰ দৰে পৰিৱৰ্তনশীল বুলিছে।

সামন্ততান্ত্ৰিক যুগত ব্যক্তিগত উৎপাদন ব্যৱস্থাৰ পৰা পুঁজিবাদী উৎপাদন প্ৰথাৰ উৎপত্তি হয়। পুঁজিবাদীসকলে নিজৰ আৰু মুনাফাৰ বাবে খাদ্য, বস্ত্ৰ আৰু অন্যান্য প্ৰয়োজনীয় সামগ্ৰীসমূহ শ্ৰমিক শ্ৰেণীৰ দ্বাৰা উৎপাদন কৰিছিল। নিজৰ প্ৰয়োজনীয়খিনি ব্যৱহাৰ কৰি উদ্বৃত্ত হোৱা দ্ৰব্যসমূহ বিক্ৰী কৰা হৈছিল। উৎপাদনৰ প্ৰধান উদ্দেশ্য আছিল উৎপাদক গোট ইয়াৰ ওপৰত পুঁজিবাদীসকলৰ প্ৰয়োজন পূৰণ কৰা।

প্ৰাচীন কালৰে পৰাই মানুহে অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ বাবে সদায় সংগ্ৰাম কৰিবলগীয়া হৈছিল। এই সংগ্ৰাম সামাজিকভাবেই কৰি আহিছে। জীয়াই থকাৰ বাবে কৰিবলগীয়া সংগ্ৰামৰ জৰিয়তে মানৱ সমাজৰো বিকাশ লাভ কৰি আহিছে। সমাজত বাস কৰা লোকসকলৰ মাজত গঢ়ি উঠা সম্পৰ্কবোৰ মানৱ সমাজৰ ইতিহাসত বিভিন্ন সময়ত, বিভিন্ন স্তৰত বিভিন্ন সমস্যাৰ সৃষ্টি কৰি আহিছে। সমস্যা সমাধানৰ পথৰ সন্ধানো কৰি আহিছে। মানৱ সমাজত দেখা দিয়া সমস্যা বিলাক আৰু সেইবোৰৰ সমাধানৰ কাৰণে কৰা চেষ্টাক কেন্দ্ৰ কৰিয়েই অৰ্থনীতি, ৰাজনীতি, দৰ্শন, সাহিত্য আদি সমাজ বিজ্ঞানবোৰ গঢ়ি উঠিছে। সমাজৰ যাৱতীয় প্ৰয়োজনৰ বস্তুবোৰ উৎপাদন কৰোতে সেইবোৰৰ পৰস্পৰ বিনিময় কৰোতে আৰু সেইবোৰক সমাজৰ মানুহবোৰৰ মাজত বিতৰণ কৰাৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাবোৰক আৰু সমাধানৰ চেষ্টাবোৰক কেন্দ্ৰ কৰি গঢ়ি উঠা সমাজ বিজ্ঞানেই হ'ল অৰ্থনীতি। মাৰ্ক্সীয় অৰ্থনীতিৰ লগত জড়িত পৃথক কথাটো হ'ল উৎপাদন ব্যৱস্থা। উৎপাদন হ'ল পুঁজিবাদৰ মৌলিক লক্ষণ। উৎপাদন ব্যৱস্থাৰ মালিক হ'ল পুঁজিপতি উদ্যোগপতিসকল আৰু উৎপাদনৰ উপাদান দ্ৰব্য উৎপন্ন কৰে শ্ৰমিক শ্ৰেণীটোৱে। শ্ৰমিকসকলৰ জীৱিকাৰ একমাত্ৰ উপায় হ'ল পুঁজিপতিসকলৰ উদ্যোগত কাম কৰা। পুঁজিপতিসকলৰ ব্যৱহাৰৰ লগতে বিক্ৰী কৰি মুনাফা লাভৰ বাবে উৎপাদিত সামগ্ৰীসমূহ বিক্ৰী কৰে। দ্ৰব্যৰ উৎপাদনৰ বাবে শ্ৰমিকসকলক মজুৰি দিয়া হয়। উৎপাদিত বস্তু বিক্ৰী কৰি পোৱা দামৰ পৰা শ্ৰমিকক মজুৰি দিয়া হয়, কেঁচামলৰ দাম আৰু উৎপাদনৰ অন্যান্য খৰচ বাদ দি বাকী থকাখিনি হ'ল উদ্বৃত্ত মূল্য বা

মুনাফা। উৎপাদন মানেই হ'ল শ্রম কৰি প্রকৃতিৰ বিভিন্ন বস্তুক উৎপন্ন কৰা। উৎপাদক উৎপন্ন কৰিবলৈ যিবোৰ অস্ত্র বা সঁজুলিৰ ব্যৱহাৰ কৰে সেইবোৰ হ'ল 'উৎপাদনৰ উপায়'। শ্রমিকসকল, শ্রমিকে ব্যৱহাৰ কৰা সঁজুলি, এই সকলোবিলাক মিলি হ'ল 'উৎপাদিকা শক্তি'। 'উৎপাদনৰ উপায়' আৰু 'উৎপাদিকা শক্তি' লগ হৈ গঢ়ি উঠে 'উৎপাদনৰ সম্পর্ক'। উৎপাদনৰ সম্পর্ক সমাজৰ কোনো শ্রেণীৰ মানুহেই এৰাই যাব নোৱাৰে। এই উৎপাদন সম্পর্কবোৰেই হ'ল উৎপাদিকা শক্তিবোৰৰ কাম কৰাৰ কাৰণে অপৰিহার্য আৱেষ্টনী।

মার্ক্সীয় অর্থনীতিৰ প্রধান আলোচ্য বিষয়সমূহ হ'ল— মানৱ সমাজৰ উৎপাদন সম্পর্কসমূহৰ অতীত, বর্তমান, ভৱিষ্যৎ আৰু সেইবোৰৰ বিকাশৰ নিয়মসমূহ।

মার্ক্সীয় অর্থনীতি আৰু বুর্জোৱা অর্থনীতিৰ লক্ষ্যৰ মাজত এটা বিৰাট পার্থক্য আছে। বুর্জোৱা অর্থনীতিবিদসকলে পুঁজিবাদৰ সহজাত বিৰোধবোৰ নামানে, পুঁজিবাদী উৎপাদন পদ্ধতিৰ অৱসান স্বীকাৰ নকৰে, পুঁজিবাদী উৎপাদন ব্যৱস্থাত শোষক আৰু শোষিত শ্রেণীৰ মাজত শ্রেণী দ্বন্দ্বৰ কথা নকয়। এক কথাত ক'বলৈ গ'লে সমাজৰ উৎপাদন সম্পর্কবোৰৰ পৰিৱর্তন অপৰিহার্য্য আৰু অৱধাৰিত বুলি স্বীকাৰ নকৰে। আনফালে মার্ক্সীয় অর্থনীতিয়ে উৎপাদন পদ্ধতিৰ সম্পর্কসমূহ অতীত ইতিহাস বিশ্লেষণ কৰে। পুঁজিবাদী উৎপাদন সম্পর্কবোৰ উৎখাত কৰি সমাজতান্ত্রিক উৎপাদন সম্পর্ক গঢ়ি তোলাৰ লগতে সমাজতান্ত্রিক উৎপাদন সম্পর্ক প্রতিষ্ঠাৰ বাবে ইতিহাস সন্মত আৰু বিজ্ঞানসন্মত পথটো দেখুৱাই দিছে। সমাজৰ শোষিত শ্রেণীটোৱে পুঁজিবাদী উৎপাদন ব্যৱস্থাৰ অৱসান বিচাৰে। শ্রেণীটোৱে পুঁজিবাদী উৎপাদন সম্পর্কবোৰৰ পৰিৱর্তন বিচাৰে। পুঁজিবাদী শোষক শ্রেণীটোৱে পুঁজিবাদী ব্যৱস্থাটোৰ জৰিয়তে সমাজৰ সমস্যাসমূহৰ সমাধান কৰাটো সম্ভৱ বুলি সর্বহাৰা শ্রমিক শ্রেণীটোক পতিয়ন নিয়াব বিচাৰে। মার্ক্সীয় অর্থনীতি ব্যৱস্থাটোৰ দ্বাৰা শোষিত শ্রেণীসমূহে সমাজতান্ত্রিক সমাজব্যৱস্থা গঢ়ি তুলিব বিচাৰিছিল।

পুঁজিপতিসকলৰ অর্থনীতিৰ মূল উদ্দেশ্য আছিল অধিক মুনাফা আদায় কৰা। সমাজৰ উৎপাদিকা শক্তিবোৰে ক্রমান্বয়ে বিকাশ লাভ কৰিলে। উৎপাদন বৃদ্ধিৰ লগে লগে বাণিজ্যৰ বৃদ্ধি হয় আৰু বাণিজ্যৰ বৃদ্ধিয়ে উৎপাদন বৃদ্ধিৰ সম্ভাৱনা বেছি কৰে। সমাজত দ্রব্যৰ প্রয়োজনীয়তা বৃদ্ধি পোৱাৰ ফলত উৎপাদনো বৃদ্ধি কৰিবলগীয়া হ'ল। পুঁজিপতি শ্রেণীৰ লগত সর্বহাৰা শ্রমিক শ্রেণীটোৰ দ্বন্দ্ব কম-বেছি পৰিমাণে পৃথিৱীৰ সকলো দেশতে অসংখ্য বিদ্রোহ হৈছিল। নতুনকৈ

পুঁজিপতি হোৱা শ্ৰেণীটোৱে নিজৰ স্বাৰ্থ পুৰণৰ বাবে এই বিদ্ৰোহবোৰত সমৰ্থন দিব ধৰিলে। সমগ্ৰ সমাজ ব্যৱস্থাত মানুহে স্বাধীনভাৱে কাম কৰাৰ অধিকাৰৰ দাবীত পুঁজিপতিসকলৰ অধিকাৰৰ বিপক্ষে আৰু সামগ্ৰিকভাৱে গণতন্ত্ৰৰ  দাবীত সমাজ বিপ্লৱৰ পৰিস্থিতি আহি পৰিল। পুঁজিবাদী উৎপাদন ব্যৱস্থাই ব্যাপক প্ৰসাৰতা লাভ কৰাৰ সময়তে বহুতো গণতান্ত্ৰিক দেশত নিজৰ অধিকাৰৰ দাবীত সমাজত বিপ্লৱৰ আৰম্ভণি হ'ল। সমাজত প্ৰচলিত সামন্তবাদী উৎপাদন সম্পৰ্কসমূহৰ ঠাইত পুঁজিবাদী উৎপাদন সম্পৰ্ক গঢ়ি উঠিল, সমাজৰ মূল উৎপাদন ব্যৱস্থাৰূপে পুঁজিবাদী উৎপাদন ব্যৱস্থা প্ৰচলিত হৈ পৰিল। সমাজত ঘাই শোষক শ্ৰেণী হ'ল পুঁজিপতি শ্ৰেণী আৰু শোষিত শ্ৰেণী হিচাপে সৰ্বহাৰা শ্ৰমিক শ্ৰেণীটোৱে ঠাই লাভ কৰিলে।

সমাজৰ উৎপাদিকা শক্তিসমূহৰ উন্নতিৰ স্তৰে স্তৰে পণ্য উৎপাদনৰ আৰু পণ্য বিনিময়ৰ প্ৰথাও পৰম্পৰাগতভাৱে চলি আহিছে। দাস প্ৰথাৰ যুগত পণ্য উৎপাদনৰ পৰিমাণ আৰু বেছি বৃদ্ধি হয়, সামন্ততান্ত্ৰিক যুগত আৰু বেছি বৃদ্ধি হয় আৰু পুঁজিবাদৰ যুগত সকলো উৎপাদনেই পণ্য উৎপাদন হৈ পৰে। পণ্য উৎপাদন দুটা কাৰণত সমাজলৈ আহিছিল। এটা হ'ল শ্ৰমৰ সামাজিক বিভাজনৰ পৰিমাণ যথেষ্ট বেছি হোৱাৰ বাবে আৰু আনটো হ'ল সমাজৰ উৎপাদনৰ উপায়সমূহ মানুহৰ ব্যক্তিগত সম্পত্তিলৈ ৰূপান্তৰ হোৱাৰ পিছত। সমাজত উৎপাদিত সকলো বস্তুতে শ্ৰম নিহিত হৈ থাকে। সকলো পণ্যৰে বিনিময় মূল্য নিৰ্দ্ধাৰিত হয় তাৰ প্ৰকৃত মূল্য আছে কাৰণে। স্বাভাৱিক উৎপাদনত যিহেতু বিনিময়ৰ উদ্দেশ্যে কোনো বস্তু উৎপাদিত নহয়, তেনে উৎপাদনৰ কোনো বিনিময় মূল্যও নাথাকে। বিনিময়ৰ সকলো বস্তুৰে প্ৰকৃত মূল্য বিচাৰ কৰিবলগীয়া হয়, সেইবোৰৰ ওপৰত নিৰ্দ্ধাৰণ কৰি বিনিময় মূল্য স্থিৰ কৰা হয়। উৎপাদিত বস্তুটোৰ উৎপাদন কৰোতে খৰচ হোৱা শ্ৰমৰ অনুপাতে বিনিময় মূল্য নিৰ্দ্ধাৰণ কৰা হয়। সকলো পণ্যৰে প্ৰকৃত মূল্য নিৰূপিত হয় শ্ৰমিকৰ শ্ৰমৰ পৰিমাণৰ দ্বাৰা আৰু সকলো উৎপাদিত পণ্যৰে ব্যৱহাৰিক মূল্য নিৰূপিত হয় শ্ৰমিকৰ শ্ৰমৰ দ্বাৰা। যেতিয়াৰ পৰা মানুহৰ মাজত উৎপাদন আৰম্ভ হৈছে তেতিয়াৰ পৰাই প্ৰত্যেকটো উৎপাদিত বস্তুৰে ব্যৱহাৰিক মূল্যও নিৰূপিত হৈছে। উৎপাদিত উপাদানৰ প্ৰকৃত মূল্য আৰু বিনিময় মূল্য অকল পণ্যৰহে গুণ, ব্যৱহাৰ্য সামগ্ৰীৰ মূল্য হ'ল সকলো উৎপাদিত বস্তুৰেই সাধাৰণ গুণ।

উৎপাদিত সামগ্ৰীৰ বিনিময় লাহে লাহে মুদ্ৰাৰ জৰিয়তে হ'বলৈ ধৰিলে। মুদ্ৰাৰ দ্বাৰা যেতিয়া

সকলো পণ্যৰ মূল্য নিৰ্দ্ধাৰণ কৰা হ'ল তেতিয়া মুদ্ৰাৰো এটা সমানুপাতিক মুল্য থাকিব লাগিব। পণ্য এটা উৎপাদন কৰোঁতে যিমান শ্ৰম আৰু অৰ্থৰ খৰচ হৈছে তাৰ বিনিময়ত দিয়া মুদ্ৰাৰো সমানুপাতিক শ্ৰম খৰচ হ'ব লাগিব। উদাহৰণত এক মোন ধান পোৱা যায় এটকাত। ইয়াৰ অৰ্থনৈতিক তাৎপৰ্য হ'ল যে এটকা উৎপাদন কৰোতে যি পৰিমাণৰ শ্ৰমৰ প্ৰয়োজন হয় সেই একে পৰিমাণৰ শ্ৰম একমোন ধান উৎপাদন কৰোতেও আৱশ্যক হয়। মুদ্ৰাৰ নিজস্ব মূল্য নাথাকিলে পণ্যৰ মূল্যৰ নিৰূপণ কৰিব নোৱাৰি। ঊনবিংশ শতিকাত পৃথিৱীৰ প্ৰায়বোৰ উন্নত দেশতে পণ্যৰ মূল্য সোণ বা ৰূপৰ মূদ্ৰাৰ জৰিয়তে নিৰ্দ্ধাৰণ কৰা হৈছিল। আন্তৰ্জাতিক বেহা-বেপাৰৰ ক্ষেত্ৰত সোণেই বিনিময়ৰ একমাত্ৰ মাধ্যমৰূপে স্বীকৃতি লাভ কৰিছে। মুদ্ৰা বিনিময়ৰ জৰিয়তে এজনে মুদ্ৰা লৈ তেওঁৰ পণ্য সামগ্ৰী বিক্ৰী কৰে আৰু সেই মূদ্ৰাৰে অন্য এজনে পণ্য সামগ্ৰী কিনি লয়। বিনিময় প্ৰথাৰ আৰু এটা উন্নত স্তৰ হ'ল যেতিয়া পণ্যৰ উৎপাদনেই সমাজৰ প্ৰধান উৎপাদন হৈ পৰিল আৰু যি প্ৰচলিত স্বাভাৱিক উৎপাদন আছিল সেয়া ক্ৰমে কমি আহিল। সোণ-ৰূপৰ মূদ্ৰাৰ ঠাইত ধাতৰ আৰু কাগজৰ মূদ্ৰাৰ প্ৰচলন হ'ল। কাগজৰ মূদ্ৰাৰ প্ৰচলনে পণ্য সামগ্ৰীৰ কিনা-বেচা আৰু পণ্যৰ উৎপাদন দুয়োটাই দ্ৰুততৰ কৰি তুলিলে।

সামন্তবাদী উৎপাদন ব্যৱস্থাৰ প্ৰচলন থকা সময়তে পণ্য উৎপাদনৰ প্ৰসাৰতা যথেষ্ট পৰিমাণে বৃদ্ধি পায়। মুদ্ৰাৰ প্ৰচলনো বাঢ়ি গৈ থাকে, সোণ-ৰূপে আন্তৰ্জাতিক মূদ্ৰা হিচাপে স্বীকৃতি লাভ কৰে। সামন্তবাদী ব্যৱস্থাত কৃষকসকলে ক্ৰমে সৰ্বহাৰা হৈ গৈছিল যদিও কৃষি উৎপাদনৰ বাবে সামান্য পৰিমাণে হ'লেও মাটি আৰু কৃষি সঁজুলি আছিল। বিভিন্ন দেশত প্ৰথা আছিল যে কৃষকে নিজৰ ইচ্ছাত কৃষিভূমি এৰি যাব নোৱাৰিব। কৃষকৰ অধিকাৰৰ বাবে গণতান্ত্ৰিক বিপ্লৱৰ প্ৰয়োজন হৈছিল। সেই বিপ্লৱবোৰৰ জৰিয়তে কৃষকে নিজৰ কৃষিভূমিৰ মালিকীস্বত্ব লাভ কৰে আৰু বেলেগৰ ওচৰত বিক্ৰী কৰাৰ অধিকাৰো লাভ কৰে। কৃষক আৰু ক্ষুদ্ৰ উদ্যোগৰ গৰাকীসকলে গণতান্ত্ৰিক অধিকাৰ লাভ কৰিলে যদিও পুঁজিপতি শ্ৰেণীটোৰ ওচৰত তেওঁলোক সৰ্বস্বান্ত হৈ পৰিল। নিজৰ উৎপাদনৰ উপায়সমূহ (মাটি, সা-সঁজুলিবোৰ) বিক্ৰী কৰি দি পুঁজিপতিৰ কাৰখানাত শ্ৰমিক হ'বলগীয়া হ'ল। পুঁজিপতিসকলৰ পুঁজিসমূহ পৰিশ্ৰম বা মিতব্যয়িতাৰ দ্বাৰা জমা কৰা ধন নহয়। পুঁজিবাদীসকলে উৎপাদন আৰম্ভ কৰোতে প্ৰয়োজন হোৱা পুঁজি বেহা-বেপাৰত ঠগবাজি কৰি বা কৃষকসকলক নিৰ্মমভাৱে শোষণ কৰি গোটাই লোৱা। পৰৱৰ্তী সময়ত পুঁজিবাদৰ বিকাশৰ স্তৰত বৃদ্ধি হোৱা

সমস্ত পুঁজিয়ে হ'ল শ্ৰমিকসকলক শোষণ কৰি, প্ৰাপ্য মজুৰিৰ পৰা বঞ্চিত কৰি, কৃষক-শ্ৰমিক শ্ৰেণীক লুণ্ঠন কৰা ধন।

পুঁজিবাদী উৎপাদন ব্যৱস্থাত পণ্য উৎপাদনত শ্ৰম কৰে শ্ৰমিক শ্ৰেণীটোৱে। শ্ৰমিকৰ শ্ৰম কৰাৰ এটা শক্তি আছে আৰু সেই শক্তিখিনি প্ৰয়োগকে শ্ৰমশক্তি বোলে। এই শ্ৰমশক্তিৰ প্ৰয়োগ কৰি মানুহে ভোগৰ সকলো পণ্য নিজৰ কৰি ল'ব পাৰে। মানুহৰ শ্ৰমৰ লগত জড়িত সকলো বস্তুৰেই মূল্য আছে। সামাজিকভাৱে বাচি থকাৰ বাবে প্ৰয়োজনীয় খৰচখিনিয়ে হ'ল শ্ৰমশক্তিৰ মূল্য। মানুহে শ্ৰমশক্তি প্ৰয়োগ কৰি প্ৰয়োজনীয় দ্ৰব্যখিনি যোগাৰ কৰোতে যিমান সময় সামাজিকভাৱে প্ৰয়োজন হয় সেইখিনিয়ে হ'ল তেওঁৰ প্ৰয়োজনীয় বস্তুখিনিৰ প্ৰকৃত মূল্য। তেওঁ নিজে উৎপাদন কৰা অথবা অন্যৰ লগত বিনিময় কৰিয়ো সেইখিনি দ্ৰব্যৰ যোগাৰ কৰিব পাৰে। নিজে উৎপাদন কৰা দ্ৰব্যখিনিৰ বিনিময় মূল্যৰ লগত সমান হ'ব লাগিব। শ্ৰমশক্তিৰ লগত কোনো এক ধৰণৰ শিক্ষা নিহিত হৈ থাকে, সেই শিক্ষাৰ দ্বাৰাইহে শৰীৰ আৰু মনক শ্ৰমত প্ৰয়োগ কৰা হয়। শিক্ষাপ্ৰাপ্ত শ্ৰমিকৰ শ্ৰমে শ্ৰমশক্তিৰ দ্বাৰা বিভিন্ন পৰিমাণৰ মূল্য সৃষ্টি কৰে। দক্ষতা অনুসাৰে শ্ৰমৰ মূল্য নিৰ্দ্ধাৰণ কৰা হয়। গতিকে বিভিন্ন দক্ষতা আৰু বিভিন্ন শিক্ষা থকা মানুহৰ শ্ৰমশক্তিৰ মূল্যও বিভিন্ন ধৰণৰ হয়। পুঁজিবাদী উৎপাদন ব্যৱস্থাৰ বিশেষ চৰিত্ৰ হ'ল সমাজৰ প্ৰধান উৎপাদনৰ উপায়সমূহ (মাটি, উদ্যোগ, যন্ত্ৰপাতি), কিছুসংখ্যক পুঁজিপতিৰ ব্যক্তিগত সম্পত্তি হৈ পৰে আৰু সমাজৰ গৰিষ্ঠসংখ্যক মানুহৰ হাতত কোনো উৎপাদনৰ উপায় নাথাকে। গতিকে উৎপাদনৰ উপায়বিহীন এই অধিকসংখ্যক শ্ৰমিকে আহি পুঁজিপতিসকলৰ ওচৰত শ্ৰম কৰি নিজৰ জীৱিকা চলাব লাগে। পুঁজিপতিসকলে নিজৰ অধিক মুনাফাৰ বাবে শ্ৰমিকসকলক বিভিন্ন ধৰণে বঞ্চিত কৰে, প্ৰাপ্য শ্ৰমশক্তিখিনিও কেতিয়াবা আত্মসাৎ কৰে। পুঁজিবাদী উৎপাদন ব্যৱস্থাত শ্ৰমিকৰ শ্ৰমশক্তি পণ্যত পৰিণত হৈছে। শ্ৰমিকসকলে উৎপাদনৰ উপায় হেৰুৱাই সৰ্বহাৰা হৈ পৰা শ্ৰমিকৰ শ্ৰমশক্তি ক্ৰয় কৰা এই প্ৰক্ৰিয়াটোৰ উদ্ভৱ হয় পুঁজিবাদী সমাজৰ পৰা। শ্ৰমশক্তি হ'ল পুঁজিবাদী উৎপাদনৰ প্ৰধান পণ্য। এই পণ্যৰ দ্বাৰাই পুঁজিপতিয়ে পুঁজিৰ সৃষ্টি কৰে, মুনাফাৰ সৃষ্টি হয় আৰু পুঁজিবাদী উৎপাদন পদ্ধতিটোক জীয়াই ৰাখে।

মাৰ্ক্সীয় অৰ্থনীতিত সাম্ৰাজ্যবাদ মানে হৈছে পুঁজিবাদী সমাজ ব্যৱস্থাৰ এটা বিশেষভাৱে বিকশিত স্তৰৰ সমাজ ব্যৱস্থাক অভিহিত কৰা হয়। 'পুঁজিবাদে গৈ যেতিয়া অবাধ প্ৰতিযোগিতাৰ

স্তৰ পাৰ হৈ একচেতিয়া পুঁজিৰ ৰূপ লয়, পুঁজিবাদী সমাজ ব্যৱস্থা যেতিয়া এটা বিশ্বজোৰা সমাজ ব্যৱস্থাত পৰিণত হৈ পৰে, গোটেই পৃথিৱীৰে মুষ্টিমেয় একচেতিয়া পুঁজিপতিয়ে যেতিয়া নানা ৰকমৰ সংঘ তৈয়াৰ কৰি সমগ্ৰ পৃথিৱীৰ পণ্য বজাৰকে নিজৰ ভিতৰত ভগাই লয়, কেইখনমান মুষ্টিমেয় পুঁজিবাদী ৰাষ্ট্ৰই সমগ্ৰ পৃথিৱীখনকে যেতিয়া ৰাজনৈতিকভাৱে তলতীয়া কৰি ঔপনিৱেশত পৰিণত কৰে, পুঁজিবাদৰ সেই স্তৰটোক মাৰ্ক্সীয় অৰ্থনীতিত সাম্ৰাজ্যবাদ বুলি অভিহিত কৰা হৈছে।" (শৰ্মা, উমা, মাৰ্ক্সীয় অৰ্থনীতিৰ চমু আভাস, পৃ. ১০২)। লেনিনে সাম্ৰাজ্যবাদৰ অৰ্থনৈতিক লক্ষণ এইদৰে চিহ্নিত কৰিছে—

(১) 'পণ্য উৎপাদনৰ পদ্ধতিয়ে ক্ৰমে ক্ৰমে কেন্দ্ৰীভূত হৈ ক্ষুদ্ৰ ক্ষুদ্ৰ পুঁজিপতিবোৰক প্ৰতিযোগিতাৰ মাজেৰে নাশ কৰি দি একচেতিয়া পুঁজিৰ সৃষ্টি কৰে আৰু সমাজৰ সকলো পণ্য উৎপাদনেই মুষ্টিমেয় একচেতিয়া পুঁজিপতিৰ নিয়ন্ত্ৰণাধীন হৈ পৰে।

(২) শিল্প পুঁজি আৰু ব্যাংক পুঁজিয়ে মিলিত হৈ পৰে আৰু শিল্প আৰু ব্যাংক উভয়েই একেচাম একচেতিয়া পুঁজিপতিৰ নিজা সম্পত্তি হৈ পৰে।

(৩) গোটেই পৃথিৱীখনকে পণ্যৰ বজাৰৰ বাবে তথা অৰ্থনৈতিকভাৱে বিভিন্ন দেশৰ মুষ্টিমেয় পুঁজিপতি গোষ্ঠীকেইটাই নিজৰ ভিতৰতে ভগায় লয়।

(৪) বিভিন্ন দেশলৈ পণ্য ৰপ্তানি কৰি মুনাফা বঢ়োৱাতকৈ পুঁজি ৰপ্তানি কৰি মুনাফা বঢ়োৱাত অধিক গুৰুত্ব দিয়া হয়।

(৫) মুষ্টিমেয় শক্তিশালী পুঁজিবাদী ৰাষ্ট্ৰকেইখন মানে সমগ্ৰ পৃথিৱীখনকে ৰাজনৈতিকভাৱে দখল কৰি লৈ ঔপনিৱেশত পৰিণত কৰে আৰু ঔপনিৱেশবোৰ নিজৰ ভিতৰত ভগাই লয়।" (শৰ্মা, মাৰ্ক্সীয় অৰ্থনীতিৰ চমু আভাষ, পৃ. ১০৩)।

পুঁজিবাদী সমাজ ব্যৱস্থাত যেতিয়া এই পাঁচটা লক্ষণ স্পষ্টৰূপত দেখা পোৱা যায় তেতিয়া পুঁজিবাদৰ মাজত থকা অৰ্ন্তনিহিত দ্বন্দ্ববোৰ বেছি তীব্ৰতৰ হৈ পৰে। ইয়াৰ বাহ্যিক ৰূপ বহু ক্ষেত্ৰত বেলেগ হৈ পৰে। পুঁজিবাদৰ এই স্তৰটোকে সাম্ৰাজ্যবাদ বোলে।

সাম্ৰাজ্যবাদৰ স্তৰটোক লেনিনে কৈছে যে— "পুঁজিবাদৰ এই বিশেষ স্তৰটোত (১) পুঁজিবাদ একচেতিয়া পুঁজিবাদ হৈ পৰে, (২) পুঁজিবাদ 'পছন ধৰা' আৰু 'বহিখোৱা' পুঁজিবাদ হৈ পৰে আৰু (৩) পুঁজিবাদ মৰণমুখী বা মৃত্যু শয্যাত পৰি থকা পুঁজিবাদ হৈ পৰে।" (শৰ্মা, মাৰ্ক্সীয়

অৰ্থনীতিৰ চমু আভাষ, পৃ. ১০৩)।

সমগ্ৰ মানৱ জাতিয়েই আজি পুঁজিবাদী ব্যৱস্থাই সৃষ্টি কৰা সমস্যাত আক্ৰান্ত হৈ পৰিছে। মাৰ্ক্সীয় অৰ্থনীতিয়ে মানৱ সমাজৰ বিকাশৰ কিছুমান সাধাৰণ নিয়ম দেখুৱাই দিছে। এই নিয়মসমূহৰ দ্বাৰাই সমাজত ক্ৰমোন্নতিৰ পথত আগবাঢ়ি আছে। এই ক্ৰমোন্নতিৰ এটা স্তৰতে পুঁজিবাদ আহিছে। পুঁজিবাদী ব্যৱস্থাৰ অৱসান হৈ গণতান্ত্ৰিক সমাজ ব্যৱস্থাৰ প্ৰতিষ্ঠা হ'ব। বুৰ্জোৱা অৰ্থনীতি আৰু মাৰ্ক্সীয় অৰ্থনীতিৰ মাজত মৌলিকভাৱে পৃথক আছে। মাৰ্ক্সীয় অৰ্থনীতিৰ তত্ত্বসমূহ প্ৰয়োগ কৰি পৃথিৱীৰ সৰ্বহাৰা শ্ৰমিক শ্ৰেণীটোৱে সমাজতান্ত্ৰিক ব্যৱস্থা প্ৰতিষ্ঠা কৰাৰ চেষ্টা চলাইছে। পুঁজিপতি শ্ৰেণীটোৱে নিজৰ স্বাৰ্থ পুৰণৰ বাবে পুঁজিবাদী ব্যৱস্থাক চিৰস্থায়ী কৰিব বিচাৰিছে আৰু সৰ্বহাৰা শ্ৰমিক শ্ৰেণীটোৰ গণতান্ত্ৰিক সমাজতান্ত্ৰিক আন্দোলনক দমন কৰিব বাবে বিভিন্ন ধৰণে চেষ্টা কৰি আহিছে।

এনেদৰে মাৰ্ক্সবাদী তত্ত্ব আৰু এই তত্ত্বৰ অন্তৰ্গত বিভিন্ন উপাদানসমূহৰ বিষয়ে আলোচনা কৰাৰ অন্তত এতিয়া আমি 'মাৰ্ক্সবাদী সাহিত্যতত্ত্ব' সম্পৰ্কে আলোচনা কৰিম।

**মাৰ্ক্সবাদী সাহিত্যতত্ত্বৰ স্বৰূপ ঃ**

মাৰ্ক্সবাদী বা মাৰ্ক্সীয় সাহিত্যতত্ত্বৰ স্বৰূপ আৰু বৈশিষ্ট্যৰ আলোচনা মাৰ্ক্সবাদী সমালোচকসকলে আৰ্থ-সামাজিক দৃষ্টিকোণৰে বা বস্তুবাদী দৃষ্টিৰ মাধ্যমেৰে সাহিত্য-শিল্প-সংস্কৃতিৰ উদ্ভৱ আৰু বিকাশৰ কথা ব্যাখ্যা কৰি থাকে। ঐতিহাসিক পদ্ধতিৰ সৈতে মাৰ্ক্সীয় সাহিত্যতত্ত্বৰ সাদৃশ্য বহু বেছি। এই দুই পদ্ধতিৰ সাদৃশ্য সম্বন্ধত দাৰ্শনিক ব্যুভেই কৈছে— "কোনো সাহিত্য-শিল্পক বিচাৰ কৰিব লাগিব সেই যুগৰ অথবা ইতিহাসৰ প্ৰেক্ষাপটত। কোনো কাব্যৰ বিচাৰ তাৰ ৰচনাকালৰ মানুহ অথবা পাৰিপাৰ্শ্বিক জগতক বাদ দি হ'ব নোৱাৰে। সেইবাবেই কাব্য-শিল্পৰ স্বৰূপ বুজিবলৈ হ'লে স্ৰষ্টাৰ পাৰিপাৰ্শ্বিক জগতক বুজিব লাগিব।" (মুখোপাধ্যায়, বিমলকুমাৰ, সাহিত্য বিচাৰ ঃ তত্ত্ব ও প্ৰয়োগ, পৃ. ১১)। ব্যুভে গুৰুত্ব দিছিল ব্যক্তিসত্তাৰ লগতে সামাজিক শক্তিসমূহৰ ওপৰত। মাৰ্ক্সৰ পথ অনুসৰণ কৰি ব্যুভে সাহিত্যিক-শিল্পীসকলক সামাজিক জীৱ বুলি কৈ এওঁলোকৰ সৃষ্টিৰাজিৰ জৰিয়তে সমাজ জীৱনৰ মাজত আলোকিত কৰিব পাৰিব বুলি।

মাৰ্ক্সীয় পদ্ধতি মূলতঃ আৰ্থ-সামাজিক (Social Economic) দৃষ্টিকোণৰ দ্বাৰা জীৱ-

জগৎ বা সংস্কৃতিৰ ব্যাখ্যা কৰে। ইয়াৰ বিপৰীতে ঐতিহাসিক পদ্ধতিয়ে সামাজিক বাস্তৱতাৰ সন্ধান কৰে সাহিত্য-শিল্প বা সংস্কৃতিৰ মাজেৰে। ইয়াতেই মাৰ্ক্সীয় পদ্ধতিৰ সৈতে ঐতিহাসিক পদ্ধতি বা অন্য পদ্ধতিৰ পাৰ্থক্য দেখিবলৈ পোৱা যায়। সাহিত্যৰ ঐতিহাসিক গৱেষণাৰ আৰম্ভ হৈছিল মাৰ্ক্সৰ বহু আগতেই। মাৰ্ক্সৰ পূৰ্ব দাৰ্শনিক জাৰ্মান ভাববাদী হেগেলে মাৰ্ক্সবাদৰ ওপৰত নন্দনতাত্ত্বিক চিন্তাৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। কিন্তু মাৰ্ক্সেই প্ৰথমতে আৰ্থ-সামাজিক দৃষ্টিকোণৰ জৰিয়তে সাহিত্য-শিল্পৰ স্বৰূপ ব্যাখ্যা কৰিছিল। মাৰ্ক্সীয় সাহিত্যতত্ত্বৰ ভেটি অৰ্থনৈতিকৰ ওপৰত ভিত্তি আৰু সাহিত্য-সংস্কৃতি হ'ল তাৰ ওপৰত গঢ়ি উঠা অধিসৌধ (Super Structure)। কাৰ্ল মাৰ্ক্সে 'A Critique of Political Economy' গ্ৰন্থৰ পাতনিত লিখিছে "মানুহ নিজৰ জীৱনৰ সামাজিক উৎপাদনৰ পথত এনে কিছুমান নিৰ্দিষ্ট সম্পৰ্কৰ মাজত প্ৰৱেশ কৰি সেইসমূহ অৱশ্যম্ভাৱী আৰু নিজৰ ইচ্ছা নিৰপেক্ষ কিছুমান উৎপাদন সম্পৰ্ক যি নিজৰ বাস্তৱ উৎপাদন শক্তিৰ বিকাশৰ নিৰ্দিষ্ট স্তৰৰ লগত যুক্তসম্পন্ন। এইসকল উৎপাদন সম্পৰ্কৰ সমাহাৰেই হ'ল অৰ্থনৈতিক ভেটি, যাৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠে সাহিত্য, শিল্প, আইন, ৰাজনীতি প্ৰভৃতিৰ সৌধ। বাস্তৱ জীৱনৰ উৎপাদনৰ ধৰণ সাধাৰণভাৱে মানুহৰ সামাজিক-ৰাজনৈতিক আৰু বৌদ্ধিক জীৱনক নিৰ্দ্ধাৰণ কৰে। মানুহৰ চেতনা তাৰ সত্তাক নিৰ্দ্ধাৰণ নকৰে বৰং সামাজিক সত্তাই তাৰ চেতনাক নিৰ্দ্ধাৰণ কৰে।" (Marx, Karl : 'A Critique of Political Economy', Page- 12)। সংস্কৃতিৰ উদ্ভৱ আৰু বিকাশৰ ক্ষেত্ৰত বস্তুবাদী দৃষ্টিকোণৰ জৰিয়তে চাব গ'লে অনিবাৰ্যভাৱে আহি পৰে ভাববাদৰ প্ৰসঙ্গ। কাৰণ সাহিত্য, শিল্প, সংস্কৃতিৰ উদ্ভৱৰ ক্ষেত্ৰত সামাজিক বাস্তৱতাক স্বীকাৰ কৰিলেও কল্পনাৰ প্ৰসঙ্গও তেওঁলোকে স্বীকাৰ কৰে। কিন্তু মাৰ্ক্সীয় সাহিত্যতত্ত্বই এই ক্ষেত্ৰত কল্পনাক বস্তুনিৰ্ভৰ বুলি ভাবে। মানুহৰ চিন্তা-চেতনা, অনুভূতি সকলো বস্তুক কেন্দ্ৰ কৰিয়েই গঢ়ি উঠে। সেইবাবে চেতনা, অনুভূতি, কল্পনা সকলো গৌণ সেইসমূহ বস্তুৰ প্ৰতিফলন মাত্ৰ। মাৰ্ক্সীয় দৰ্শনত মাৰ্ক্স আৰু এঙ্গেলচ্‌ৰ আৰ্থ-সামাজিক বৈজ্ঞানিক দৃষ্টিৰে পৃথিৱীৰ সৰ্বহাৰা শ্ৰমিক শ্ৰেণীটোৰ বাবে ঐক্যবদ্ধ সংগ্ৰামৰ পথ মুকলি কৰি দিলে, আনকি শ্ৰমিক শ্ৰেণীক পুঁজিবাদৰ বিৰুদ্ধে বৈপ্লৱিক সংগ্ৰামৰ বাবে আন্তৰ্জাতিক সংগঠনৰ ভেটি গঢ়ি তোলা হ'ল আৰু ইয়াৰ আদৰ্শতে মাৰ্ক্সবাদীসকলে সাহিত্য বিচাৰৰ ক্ষেত্ৰত পুঁজিবাদ-শ্ৰেণীসংঘৰ্ষ, দ্বন্দ্ব প্ৰভৃতি বিচাৰি পালে।

মাৰ্ক্সীয় সাহিত্যতত্ত্ব বা দৰ্শন মানৱতাৰ বিকাশৰ ইতিহাসত দ্বান্দ্বিক সত্য পৰ্যবেক্ষণ কৰে

বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা। মাৰ্ক্সৰ দৰ্শনৰ দ্বন্দ্বমূলক বস্তুবাদৰ ভিত্তি নিৰ্মাণৰ ক্ষেত্ৰত হেগেলৰ গাণিতিক সূত্ৰটোক মানিছিল ঐশ্বৰিক প্ৰত্যয় বৰ্জন কৰি। ফয়েৰবাখেও 'পৰমানৰতা' তত্ত্ব গ্ৰহণ কৰা নাছিল, কাৰণ পৰমানৰতা তত্ত্বৰ ইতিহাসৰ ক্ৰমবিৱৰ্তনৰ লগত মিল নাছিল। তথাপি ফয়েৰবাখৰ বস্তুমুখী আৰু মানৱনিৰ্ভৰ প্ৰৱণতাক মাৰ্ক্সে গ্ৰহণ কৰিছিল। মাৰ্ক্সৰ উদ্দেশ্য আছিল মানুহৰ আৰ্থ সামাজিক ক্ৰমবিৱৰ্তনৰ ইতিহাসত দ্বান্দ্বিকতা মুখ্য বিষয় বা কিদৰে নানা স্তৰ পৰ্যায়ত গঢ়ি উঠা শ্ৰেণীয়ে নিজৰ পাৰস্পৰিক সম্পৰ্ক নিৰ্দ্ধাৰণ কৰে। মাৰ্ক্সীয় সাহিত্যতত্ত্বৰ গুৰুত্ব আৰ্থ-সামাজিক দৃষ্টিকোণৰ পৰা সকলোবোৰ দিশতেই বিচাৰ কৰে, ইয়াৰ অৰ্থনৈতিক ভেটি হ'ল কাঠামো (Deep Structure) আৰু সাহিত্য-শিল্প, সংস্কৃতি হ'ল তাৰ ওপৰত গঢ়ি উঠা অধিসৌধ (Super Structure)। মাৰ্ক্স-এঙ্গেল্‌চে স্পষ্টভাৱে কৈছে সংস্কৃতি হ'ল সমাজৰ জ্ঞানৰ প্ৰকাশ আৰু সেই জ্ঞান যিহেতু অৰ্থনীতিক কেন্দ্ৰ কৰি গঢ়ি নুঠে, সেইবাবে ধৰ্ম-দৰ্শন, ৰাজনীতি সকলোতে সাহিত্য-শিল্পৰ উদ্ভৱ বা বিকাশৰ প্ৰেক্ষাপটৰ লগত যুক্ত কৰি চাব লাগে। পল্লৱ সেনগুপ্তই লিখিছে যে, "মাৰ্ক্সবাদ বিৰোধী পণ্ডিতসকলে শিল্প-সংস্কৃতিৰ আলোচনা অথবা স্বৰূপ নিৰ্ণয়ৰ ক্ষেত্ৰত প্ৰায়েই এক ভিত্তিহীন অভিযোগ কৰে যে মাৰ্ক্সবাদী শিল্প-সাহিত্য-সংস্কৃতিৰ বিচাৰত হয়তো সকলোবোৰেই আচলতে মানুহৰ অৰ্থনৈতিক ব্যৱস্থা আৰু প্ৰয়োজনীয়তাৰ হুবহু প্ৰতিচ্ছবি দাঙি ধৰে। অথচ মূল কথাটো হ'ল এই যে বস্তু বা পণ্য পৰিৱেশৰ চাহিদা বা প্ৰয়োজন অনুসৰিয়েই মানুহে তাৰ উৎপাদন প্ৰণালী উদ্ভাৱন কৰে আৰু সেয়াই তাৰ সমকালীন সামাজিক, পাৰিবাৰিক গোষ্ঠী আৰু ৰাষ্ট্ৰীয় প্ৰেক্ষাপটসমূহক পৰিচালিত কৰে আৰু সেই পৰিচালনাৰ সূত্ৰেই সেইবোৰৰ মানসিক ঋকথসমূহৰ উদ্ভাস ঘটে। যিসমূহ কোনোভাবেই বস্তুজগতৰ অবিকল চিত্ৰ নহয়।" (সেনগুপ্ত, পল্লব, 'লোকসংস্কৃতির সীমানা ও স্বরূপ', পৃ. ৩০)।

মাৰ্ক্সবাদী সাহিত্যতত্ত্বৰ মূল লক্ষ্য হ'ল সাহিত্যকৰ্মৰ ৰাজনৈতিক প্ৰৱণতাক মূল্যায়ন কৰি আৰু ইয়াৰ সামাজিক বা সাহিত্যিক ৰূপটো প্ৰগতিশীল হয়নে নহয় তাক নিৰ্ধাৰণ কৰা। এই সাহিত্যতত্ত্বই শ্ৰেণী বিভাজন, শ্ৰেণী সংগ্ৰাম, দ্বন্দ্বৰ ৰাজনৈতিক পটভূমিৰ বিশেষ লক্ষ্য দিয়ে। এই তত্ত্বই সাহিত্যকৰ্মৰ নান্দনিক মূল্যায়নতকৈ সামাজিক উপাদানসমূহৰ ওপৰত বেছি গুৰুত্ব দিয়ে। মাৰ্ক্সৰ সাহিত্য সমালোচনাত শ্ৰেণী নিপীড়ন, শোষণ, শক্তি, অৰ্থনীতি আৰু ৰাজনীতি এই কেইটামান দিশত গুৰুত্ব আৰোপ কৰে। সমালোচকসকলে মাৰ্ক্সীয় সাহিত্যতত্ত্ব সম্পৰ্কত কয় যে ই কেৱল

অৰ্থনীতিৰ ওপৰতহে বেছি গুৰুত্ব আৰোপ কৰে আৰু সাহিত্যৰ নন্দনতত্ত্ব বা শৈল্পিক দিশটো অস্বীকাৰ কৰে। সাহিত্যৰ লগত ৰাজনীতি একেলগ কৰি ৰাজনীতিৰ বিষয়সমূহত প্ৰাধান্য বেছি দিয়ে। অৰ্থনৈতিক ক্ষেত্ৰত সাহিত্য-শিল্পৰ অন্তৰায় বুলি ভাবে। বস্তুতঃ সাহিত্য, শিল্প বা সংস্কৃতিৰ ঐতিহাসিক ক্ৰমবিৱৰ্তনৰ সঠিক চিত্ৰ অনুধাৱন কৰিবলৈ গ'লে মাৰ্ক্সীয় দৰ্শনৰ সাহায্য অবিহনে সম্ভৱ নহয়। মাৰ্ক্সীয় দৰ্শনত সাম্যবাদ ধাৰা, বিদ্ৰোহী চেতনাৰ ধ্বনি শুনিবলৈ পোৱা যায়। সমাজৰ মুখ্য সমস্যাসমূহৰ প্ৰতিকাৰ কৰিব বিচাৰিছে দ্বন্দ্বমূলক দৃষ্টিৰে। সেইবাবেই ধনতন্ত্ৰ পুঁজিবাদীসকলৰ সৈতে শ্ৰমিক শ্ৰেণীৰ দ্বন্দ্ব দেখা যায়। মাৰ্ক্সীয় সাহিত্যতত্ত্বই স্বাভাৱিকভাৱে প্ৰাধান্য লাভ কৰে শোষক আৰু শোষিতৰ কথাৰে। শ্ৰেণীহীন সমাজ গঠনৰ স্বাৰ্থত বিপ্লৱৰ মাজেৰে সৰ্বহাৰা শ্ৰেণীৰ একনায়কত্ব গঢ়িব বিচাৰে।

মাৰ্ক্সবাদে বিশ্বাস কৰে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা, মতবাদ আৰু কৰ্মপদ্ধতিৰ মাজত সংযোগ সাধনেই মুখ্য কাম। যেতিয়ালৈকে সমাজত শ্ৰেণীদ্বন্দ্ব দূৰ হৈ সাম্য সমাজবাদ প্ৰতিষ্ঠিত নহ'ব তেতিয়ালৈকে শিল্প-সাহিত্যও কাৰোবাৰ শ্ৰেণী স্বাৰ্থৰ বাবে কাম কৰিব। মাৰ্ক্স আৰু এঙ্গেলচে কৈছে যে "এক বিশেষ শ্ৰেণীৰ শাসনৰ বাবে কোনো এক বিশেষ শ্ৰেণীৰ ধ্যান ধাৰণাৰ আধিপত্য থাকে আৰু শ্ৰেণী শাসনৰ অৱসান হ'লে ই সেই ব্যৱস্থাৰ অৱসান হয়। তেতিয়াই এক বিশেষ শ্ৰেণীৰ স্বাৰ্থক সকলোৰে স্বাৰ্থ বুলি প্ৰতিপন্ন কৰাৰ প্ৰয়োজন নহয়। তেতিয়াহে সুন্দৰ শিল্প সাহিত্যৰ প্ৰকৃত আত্মপ্ৰকাশ সম্ভৱ হয়।" (মুখোপাধ্যায়, কনক, মাৰ্কসবাদের আলোকে', পৃ. ৫৬)। মাৰ্ক্সীয় সাহিত্য-শিল্পত নানা প্ৰগতিশীল ধ্যান ধাৰণাৰ সাৰ্থক প্ৰকাশ দেখা যায়। মাৰ্ক্সবাদীসকলে প্ৰগতিশীল মতবাদৰ দ্বাৰাই সৰ্বহাৰা শোষিত শ্ৰেণীক উদ্বুদ্ধ কৰিব পাৰিব বুলি বিশ্বাস কৰে। শ্ৰেণী শোষণহীন সমাজ ব্যৱস্থাৰ মাজেৰে মানুহৰ সৃজনীশীল শক্তিৰ সন্ধান কৰে। অৰ্থনৈতিক আৰু ৰাজনৈতিক স্বাধীনতাৰ প্ৰাপ্তিয়ে সৰ্বহাৰা শ্ৰেণীৰ মাজত আনি দিব মানসিক স্বাধীনতা, আৰু তেতিয়াই সম্ভৱ হ'ব সৃজনীশীল শক্তিক স্বাধীনভাৱে উন্নতিৰ পথত লৈ যোৱা। শ্ৰমিক শ্ৰেণীটোৱে কেৱল মাত্ৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰতেই নহয় সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনতো বৈপ্লৱিক পৰিৱৰ্তন আনিব পাৰে। মাৰ্ক্সৰ মতে পুঁজিপতি সমাজত উৎপাদন প্ৰথা আৰু বিনিময় ব্যৱস্থা এই দুই ব্যৱস্থাৰ ওপৰত নিৰ্ধাৰিত হৈ আছে বুৰ্জোৱা অৰ্থনৈতিক সমাজৰ ভেটি আৰু এই পুঁজিবাদী উৎপাদনৰ বিশেষ ব্যৱস্থাই সমাজক ক্ৰমাগতভাৱে শ্ৰেণী সংঘৰ্ষৰ পিনে লৈ যায়। এই শ্ৰেণী সংঘৰ্ষ হয়

পুঁজিবাদী বুর্জোৱা আৰু সৰ্বহাৰা শ্ৰমিক শ্ৰেণীৰ মাজত। মাৰ্ক্সীয় তত্ত্বই সকলো সামাজিক ধাৰণা আৰু অৱস্থানক পুনৰায় নতুনভাৱে আত্মপ্ৰকাশ কৰে। মাৰ্ক্সবাদী তাত্ত্বিক লুই আলতুসে ব্যাখ্যা কৰিছিল যে, 'কোনো সাহিত্য বা শিল্প বস্তুৱে সামাজিক ভিত্তিৰ পৰিবৰ্তন কৰিব পাৰে। শিল্প-সাহিত্য এক মতাদৰ্শগত সংগ্ৰামৰ ক্ষেত্ৰত এজন সাহিত্যিকে নিজৰ সৃষ্টিৰ মাজেদি তাৰ সাংস্কৃতিক ক্ষেত্ৰৰ মাজত থাকি শব্দ শক্তিৰ জৰিয়তে নতুন উৎপাদক শক্তি গঢ়ি তুলে।' মাৰ্ক্সীয় সাহিত্যতত্ত্বৰ অন্যতম উত্তৰসূৰী পিয়েৰ মাশাৰিয়ে নিজৰ মন্তব্যত কৈছে যে 'মাৰ্ক্সীয় মতাদৰ্শক পাঠৰ মাজত সোমাই থয় একেবাৰে প্ৰাকৃতিকভাবে কাৰণ মতাদৰ্শ স্বয়ং অদৃশ্য এক বস্তু আৰু যিকোনো পাঠৰ শেষত পাঠকৰ মনোবিশ্লেষকৰ ভূমিকাত উত্তীৰ্ণ হৈ মতাদৰ্শক এক বিষয় হিচাপে চিহ্নিত কৰে।' (The Theory of Literary Production, 1966)। মাৰ্ক্সীয় সাহিত্যতত্ত্বৰ মতে সাহিত্য প্ৰকৃততে সমাজৰেই এক ক্ষুদ্ৰ সংস্কৰণ আৰু তাৰ নিজৰ কিছু আদৰ্শগত ক্ৰিয়া আছে। সাহিত্যৰ এই আদৰ্শগত মত প্ৰত্যক্ষভাৱে লেখকৰ মতাদৰ্শৰ সৈতে সংযুক্ত। বাস্তৱহীন তাড়না বা কোনো আধ্যাত্মিক সত্তাৰ অনুপ্ৰেৰণাত সাহিত্য সৃজনৰ প্ৰতি মাৰ্ক্সীয় সাহিত্যতত্ত্বই প্ৰথমৰ পৰাই থিয় হৈ আছিল। আন সামাজিক ক্ষমতাৰ এক বিশেষ ধৰণৰ বিন্যাস আৰু প্ৰক্ৰিয়াৰ মাজেদিয়ে মাৰ্ক্সীয় সাহিত্যতত্ত্ব গঢ়ি উঠিছে। পণ্য আৰু দ্ৰব্যৰ বাবে মাৰ্ক্সে যিদৰে অৰ্থনৈতিক অৱস্থানৰ ভেটি গঢ়িছিল সেইদৰে মাৰ্ক্সীয় সাহিত্য তত্ত্বও সমাজ পৰিৱৰ্তন আৰু সেই সম্পৰ্কীয় আন্দোলন আৰু সাহিত্য ৰচনা দুয়ো দুয়োৰে সংপৃক্ত বুলি দাবী কৰিছিল।

**(ক) মাৰ্ক্সীয় সাহিত্যত প্ৰগতি**

মাৰ্ক্সবাদী সমালোচনা সাহিত্যই "সাহিত্যৰ বিৱৰ্তনৰ ধাৰা, সাহিত্যৰ শ্ৰেণী সম্পৰ্কৰ কথাৰ লগতে সাহিত্য আৰু সাহিত্যিকৰ সামাজিক দায়বদ্ধতাৰ বিষয়ক সাঙুৰি লয়। মাৰ্ক্সবাদী সাহিত্যই এখন নিৰ্দিষ্ট সমাজ বা এটা নিৰ্দিষ্ট যুগৰ সাহিত্যত সেই স্থান বা কালৰ ভৌতিক সামাজিক চেতনা কি ৰূপে পৰিবাহিত হয় বা শ্ৰেণীবিভক্ত সমাজত অৱধাৰিতৰূপে চলি থাকে শ্ৰেণী সংগ্ৰামৰ ৰূপ কিদৰে সাহিত্যত ৰূপায়িত হয় তথা এখন শোষণমুক্ত প্ৰগতিশীল সমাজ গঢ়াত সাহিত্যৰ ভূমিকা কেনে হোৱা উচিত ইত্যাদি সম্পৰ্কত মাৰ্ক্সবাদী সাহিত্যই চিন্তা-চৰ্চা কৰি আহিছে।" (ডেকা, ৰাতুল ঃ সাহিত্য সমালোচনা তত্ত্ব ঃ পৰিচয় আৰু প্ৰয়োগ, পৃ. ৩১)। সেইবাবে মাৰ্ক্সবাদী

দৰ্শনৰ দ্বাৰা অনুপ্ৰাণিত সাহিত্যক প্ৰগতিশীল সাহিত্য বুলি ক'ব পাৰি।

প্ৰগতিশীল সাহিত্যৰ ধাৰাও বিপ্লৱৰ সৈতে যুক্ত। বিপ্লৱে সামাজিক জীৱনত জনগণৰ মাজত লক্ষণীয় পৰিৱৰ্তন নমাই আনে। সামাজিক বিপ্লৱ অবিহনে শ্ৰেণীবিভক্ত সমাজত কোনো পৰিৱৰ্তন দেখা নাযায়। বুৰ্জোৱা বিপ্লৱে প্ৰাচীন সামন্ততান্ত্ৰিক সমাজব্যৱস্থাৰ পৰিৱৰ্তন ঘটাইছিল আৰু জন্ম দিছিল ব্যক্তিস্বাতন্ত্ৰ্যবাদৰ। সমাজতান্ত্ৰিক বিপ্লৱৰ কাৰণ আছিল— (ক) পুঁজিবাদী তথা শাসকশ্ৰেণীৰ মাজত সংকটে দেখা দিয়ে আৰু ক্ষমতাৰ পৰিৱৰ্তন হ'ব পাৰে, (খ) শোষিত শ্ৰেণীৰ দুৰ্দশা স্বাভাৱিক মাত্ৰা পাৰ হ'লে, (গ) উপৰোক্ত দুই কাৰণৰ লগতে সাধাৰণ শ্ৰেণীৰ মানুহে বিনা প্ৰতিবাদত সকলো সহ্য কৰি থাকি শেষত স্বাধীনতাৰ দাবীত বিপ্লৱ কৰে। ৰাজনৈতিক বিপ্লৱৰ বাবে হয়তো সময় কেইসপ্তাহমান লাগিব পাৰে, কিন্তু সাংস্কৃতিক বিপ্লৱ হৈছে সময় সাপেক্ষ। সাহিত্য আৰু সংস্কৃতিৰ সৈতে বিপ্লৱৰ সম্পৰ্কৰ তিনিটা বিষয় দাঙি ধৰিছে।

১. কিদৰে সমাজৰ বৈপ্লৱিক অৱস্থা শিল্প-সাহিত্যৰ ভেটিত আৰু শিল্পৰূপৰ সম্পৰ্কৰ মাজত ধৰা দিছেহি আৰু অৱশেষত নান্দনিক অনুভূতিৰ জগতত প্ৰভাৱ বিস্তাৰ কৰিছে। অৰ্থাৎ বিপ্লৱী সাহিত্যৰ তথা প্ৰগতি সাহিত্যৰ নান্দনিক দিশৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছে।

২. সামাজিক প্ৰেক্ষাপটত শিল্পৰ বিকাশৰ আলোচনা বিপ্লৱ চলাকালীন যিসকলে অংশগ্ৰহণ কৰিছে পৰৱৰ্তী প্ৰগতি সাহিত্যত ইয়াৰ প্ৰভাৱ বিশ্লেষণ কৰা। চাব লাগিব যে সমাজৰ বিভিন্ন শ্ৰেণী শিল্প-সাহিত্যৰ পৰা কি কামনা কৰিছে, কি প্ৰাপ্তি কৰিছে, অৰ্থাৎ তেওঁলোকৰ কামনা আৰু প্ৰাপ্তি শিল্পকলাৰ পৰা কিদৰে সাৰ্থকতা লাভ কৰিছে।

৩. তৃতীয়তে, সমাজত শিল্পীৰ স্থান— বিপ্লৱীসকলৰ সৈতে সম্পৰ্ক, বৈপ্লৱীক কৰ্মকাণ্ডত যোগদানৰ ভূমিকা, বিপ্লৱ আৰু বিপ্লৱীসকলৰ সৈতে সম্পৰ্ক তথা সমাজৰ প্ৰগতিৰে যি প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰিছে তেওঁলোকৰ সম্পৰ্কে শিল্পীৰ ধাৰণা। (মুখোপাধ্যায়, বিমলকুমাৰ, মাৰ্ক্সীয় সাহিত্যতত্ত্ব, পৃ. ৫১)। অক্টোবৰ বিপ্লৱৰ পিছত সমাজতান্ত্ৰিক সাহিত্য সম্পৰ্কে বিভিন্নজনে বিভিন্ন মত আগবঢ়াইছিল। লেনিনে কৈছিল যে, ভৱিষ্যতে এনেকুৱা স্বাধীন সাহিত্য জন্ম ল'ব যিয়ে কিছু 'তৃপ্ত নায়িকা' বা 'উচ্চ শ্ৰেণীৰ দহসহস্ৰ' মানুহৰ তৃপ্তিসাধন নকৰি শ্ৰমজীৱীৰ প্ৰতি লৈ লেখাৰ ফলত লাখ লাখ শ্ৰমজীৱী যিয়ে দেশৰ শক্তি আৰু ভৱিষ্যত সিহঁতক তুষ্ট কৰিব। অৰ্থাৎ সমাজতান্ত্ৰিক বিপ্লৱৰ ফলত সৃষ্ট সাহিত্য পৰশ্ৰমজীৱী শক্তিৰ অৱসৰ-বিনোদনৰ উপাদানত পৰিণত নহয় নতুন

নতুন যি বিপ্লৱী শক্তিৰ উৎপত্তি হৈছে সেয়া সিহঁতৰ জীৱনৰ সাহিত্য হৈ উঠিব। বুর্জোৱা শাসনৰ পৰা সমাজতান্ত্রিক ব্যৱস্থাৰ প্রতিষ্ঠা হোৱাৰ দিনৰে পৰা যিদৰে কোনো দেশৰ সকলো মানুহৰ হৃদয়ৰ পৰা পুৰণি ধ্যান-ধাৰণাৰ ত্যাগ নহয়, সেইদৰে পুৰণি আদৰ্শযুক্ত শিল্প-সাহিত্য সৃষ্টিও বন্ধ নহয়। দাৰ্শনিক লু-সুনে এই ক্ষেত্রত নিজৰ মত দিছিল যে— (ক) ‘এক ধৰণৰ সাহিত্যত বিপ্লৱৰ মহিমা কীৰ্তিত হয়। কাৰণ প্ৰগতিশীল লেখকসকলে সমাজৰ পৰিৱৰ্তন আৰু অগ্ৰগতিত প্ৰাচীনৰ ধ্বংস আৰু নতুনৰ গঠনত মুগ্ধ হয় (খ) আৰু এক ধৰণৰ সাহিত্যত সাহিত্যিকসকলে হোৱা অতীতৰ বাবে দুখ কৰে। কিছুসংখ্যকে এইসকল সাহিত্যিকক প্ৰতিবিপ্লৱী বুলি অৱজ্ঞা কৰে।” (মুখোপাধ্যায়, মাৰ্কসীয় সাহিত্যতত্ত্ব, পৃ. ৫৫)। মাৰ্ক্সীয় সাহিত্যৰ প্ৰগতিৰ ধাৰাটো শ্ৰেণী সংগ্ৰামৰ সৈতে সংপৃক্ত। এই সংগ্ৰাম কেৱল মাত্ৰ অৰ্থনৈতিক ক্ষেত্ৰখনতেই আৱদ্ধ নহয়। মানুহৰ প্ৰত্যেকটি কৰ্মক্ষেত্ৰতো ব্যাপক হৈ আছে। যাৰ ফলত বৰ্তমান শ্ৰেণীবিভক্ত সমাজত সমস্ত মানুহৰ সৌন্দৰ্য চেতনা (aesthetic) সমান স্তৰৰ নহয়। যিকোনো চেতনাই মানুহৰ সমান স্তৰত নাথাকে। কাৰণ শ্ৰেণীবিভক্ত সমাজত সমস্ত শ্ৰেণীৰ পৰিপূৰ্ণ বিকাশ একেলগে হোৱাটো সম্ভৱ নহয়। সমাজ আৰু সাহিত্যৰ সম্পৰ্কৰ বিশ্লেষণত আমি সৌন্দৰ্যবোধৰ কথা পাওঁ। এই সৌন্দৰ্যবোধে সাৰ্থক সাহিত্যৰ সৃষ্টি কৰে। এই সাৰ্থক সাহিত্যই প্ৰগতিশীল সাহিত্য। সাৰ্থকতাই সাহিত্যৰ প্ৰগতিশীলতাৰ মাপকাঠি।

প্ৰকৃতিৰ বিৰুদ্ধে সংগ্ৰাম কৰি জীৱন নিৰ্বাহৰ যুদ্ধত মানুহে সমাজ পাতিছিল। সংগ্ৰামৰ সৈতে সমাজৰ কাঠামোৰ পৰিৱৰ্তন হয়। ইয়াৰ ফলত সমাজ আৰু ব্যক্তিৰ সৈতে সম্পৰ্ক ক্ৰমশ জটিল হৈ উঠে। আৰু এই জটিল সম্পৰ্কটি মানুহৰ চেতনা বিকাশত সক্ৰিয়ভাৱে কাম কৰে। সমাজৰ পৰিৱৰ্তনৰ সৈতে মানুহৰ চেতনাৰো পৰিৱৰ্তন হয়। বিশেষ বিশেষ সামাজিক সংঘাতত সামাজিক ব্যৱস্থাৰ লগতে চেতনাৰো উদয় হয়। সামাজিক পৰিৱৰ্তনৰ মূল সকলো সময়তে অৰ্থনৈতিক দিশত হয় আৰু সামাজিক পৰিৱৰ্তনে চেতনাৰো পৰিৱৰ্তন ঘটায়। কিছুমান ভাৱৰ দ্বাৰাই সমাজ আৰু সাহিত্য সৃষ্টি নহয়। ৰূপ, ৰস, ভাৱ অনুসৰি সাহিত্যই বিভিন্ন আকাৰ ধাৰণ কৰে। ইতিহাসৰ অৰ্থনৈতিক ব্যাখ্যা অনুযায়ী সমাজত যি ধৰণৰ পৰিৱৰ্তন দেখা যায় সাহিত্যতো ইয়াৰ প্ৰতিবিম্ব দেখা যায়। আৰু যি আদৰ্শত সমাজক আকৌ অগ্ৰগতিৰ ফালে লৈ যায় তাক প্ৰগতিশীল বোলা হয়। প্ৰগতি আপেক্ষিক বস্তু। সামন্ততন্ত্ৰীয় সভ্যতাৰ পৰা বুৰ্জোৱা সভ্যতালৈ প্ৰগতিশীল বোলা হয়। আকৌ যিসকলে সমাজতন্ত্ৰবাদক মানৱৰ পক্ষৰ প্ৰগতিশীল বুলি মানে সিহঁতে সাহিত্যকে

প্ৰগতিশীল বুলি মানি আহিছে।

প্ৰগতিশীল সাহিত্য সম্পৰ্কে মাও চে তুঙে মাও ইয়েনান ফোৰামত বিপ্লৱী শিল্প সাহিত্য সম্বন্ধে নিজৰ মত প্ৰকাশ কৰে—

(ক) জাতীয় শত্ৰুৰ বিৰুদ্ধে আৰু জাতীয় মুক্তিৰ সহায়ক বিপ্লৱীৰ কৰ্মৰ সমৰ্থনত শিল্প-সাহিত্যৰ ভূমিকা সুনিশ্চিত হোৱাৰ প্ৰয়োজন।

(খ) যি প্ৰগতিৰ পৰিপন্থী সেইবোৰ দূৰ কৰি যি প্ৰগতিৰ ক্ষেত্ৰত সহায়ক সেইবোৰৰ উন্নতি সাধনৰ বাবে যাতে সকলোৱে মনে-প্ৰাণে একেলগ হৈ অগ্ৰসৰ হয় শিল্প-সাহিত্যই সেই ক্ষেত্ৰত মনোযোগ দিয়া উচিত।

(গ) শ্ৰমিক, কৃষক আৰু সৈনিকসকলৰ সৈতে নিবিড় সম্পৰ্ক স্থাপনৰ বাবে বিপ্লৱী লেখক-শিল্পীসকলক উৎসাহিত কৰিব লাগিব যাতে জনসাধাৰণৰ মাজত গৈ যথাৰ্থ বিপ্লৱী শিল্প-সাহিত্যৰ সৃষ্টিত সিহঁতে উৎসাহ লাভ কৰে।

(ঘ) জনজীৱন হৈছে সাহিত্যৰ উপাদান-খনি। কোনোবাই প্ৰশ্ন কৰিব পাৰে যে দেশৰ প্ৰাচীন সাহিত্য আৰু বিদেশী সাহিত্য কি দুটা প্ৰধান উৎস নহয়? উত্তৰতে ক'ব পৰা যায়, অতীতৰ শিল্পকৰ্ম উৎস নহয়, একে ধাৰাৰে অংশ। দেশৰ অতীত স্ৰষ্টা আৰু বিদেশীসকলে সিহঁতৰ দেশ আৰু সময়ৰ জনজীৱনৰ পৰা প্ৰাপ্ত উপাসনা লৈ যি গঢ়িছিল তাক অন্ধভাৱে গ্ৰহণ নকৰি সেই ঠাইৰ পৰা প্ৰয়োজনীয় উপাদানখিনি লৈ আগবাঢ়িব লাগিব। দেশ আৰু বিদেশৰ কোনো ক্ষেত্ৰতেই অন্ধভাৱে সমৰ্থন কৰা শিল্প-সাহিত্যৰ বাবে ক্ষতিকৰ। চীনৰ বিপ্লৱী সাহিত্যিকৰ সংস্কাৰযুক্ত ভাৱলৈ কৃষক, শ্ৰমিক আৰু সৈনিকসকলৰ সৈতে মিলিব লাগিব। সিহঁতৰ প্ৰধান উদ্দেশ্য হ'ব বিভিন্ন শ্ৰেণীৰ মানুহৰ জীৱন আৰু সিহঁতৰ সংগ্ৰামৰ বৈশিষ্ট্য সম্পৰ্কে মনোযোগী হোৱাৰ লগতে সেইবোৰৰ বিশ্লেষণ কৰা।

(ঙ) বিপ্লৱৰ সময়ত শিল্প-সাহিত্য তথা অন্যান্য বিপ্লৱী কৰ্মৰ তুলনাত কম গুৰুত্বপূৰ্ণ বা গৌণ হ'লেও 'They are part of the entire revolutionary cause'. মাওে বিশ্বাস কৰে যে চীনত যদি মহৎ সাহিত্যৰ ঐতিহ্য নাথাকিলে বিপ্লৱী আন্দোলন গঢ়ি উঠা বা বিজয়ী হোৱা সিহঁতৰ পক্ষত সম্ভৱ নাছিল। (মুখোপাধ্যায়, মাৰ্কসীয় সাহিত্যতত্ত্ব, পৃ. ৫৭)। মাও চে তুঙৰ এই মতবাদকেইটা চীনৰ বিপ্লৱ আৰু চীনৰ বিপ্লৱী সাহিত্যৰ কৃত্য সম্পৰ্কত এই অভিমত আগবঢ়াই।

**(খ) সাহিত্যত সমাজতাত্ত্বিক বা সমাজতান্ত্রিক বাস্তৱবাদ ঃ**

সমাজতাত্ত্বিক বা সমাজতান্ত্রিক বাস্তৱবাদ সাহিত্য আৰু শিল্পৰ এক শৈল্পিক পদ্ধতি, যি সমাজতান্ত্রিক সমাজ প্রতিষ্ঠা আৰু সৃষ্টিৰ সংগ্রামৰ যুগৰ বাবে বিশ্ব আৰু মানুহৰ সমাজতান্ত্রিক সচেতন ধাৰণাৰ এক নান্দনিক প্রকাশ। সমাজতন্ত্রৰ অধীনত জীৱনাদৰ্শৰ চিত্র চিত্রাঙ্কণৰ বিষয়বস্তু আৰু শিল্পৰ মৌলিক, শৈল্পিক আৰু কাঠামো নীতি উভয়ে নিৰ্ধাৰণ কৰে। ইয়াৰ উত্থান আৰু বিকাশ বিপ্লৱী শ্রমিক আন্দোলনৰ বিকাশৰ সৈতে বিভিন্ন দেশত সমাজতান্ত্রিক ধাৰণাৰ প্রসাৰৰ সৈতে জড়িত। সমাজতান্ত্রিক বাস্তৱবাদ ১৯৩৪ খ্রীষ্টাব্দত ছোভিয়েট ৰাছিয়াত প্রথমে উদ্ভৱ হয়। ৰাছিয়াৰ লেখকগোষ্ঠীৰ অনুষ্ঠিত সভাত প্রথমে মাৰ্ক্সীয় দৃষ্টিভংগীৰ প্রয়োগৰ কথা কোৱা হয়। এই লেখক গোষ্ঠীৰ সভাত সভাপতিত্ব কৰে ম্যাক্সিম গৰ্কীয়ে। সেই সভাত ৰাজনৈতিক প্রচাৰধৰ্মী সাহিত্য আৰু বিচাৰধৰ্মী বাস্তৱতাক গুৰুত্ব দিয়া হয়। জনসাধাৰণক সমাজতান্ত্রিক বাস্তৱতাবাদৰ চেতনা জাগ্রতৰ দ্বাৰা বৈপ্লৱীক আদৰ্শৰ প্রচাৰ কৰিছিল।

প্রতিক্রিয়াশীল সাহিত্য সামগ্রিক মানৱতাবাদৰ বিৰোধী, এই সাহিত্য সৰ্বহাৰাৰ পক্ষত নহয়। এই সাহিত্যৰ জন্ম সামন্ততান্ত্রিক মনোভঙ্গীৰ পৰা। বুৰ্জোৱা, পেটি বুৰ্জোৱা মানসিকতা, অতিৰিক্ত ব্যক্তিস্বাতন্ত্র্যবাদ, নৈৰাজ্যবাদ, কলাকৈবল্যবাদ, প্রভুত্ববাদ, পৰাজিত মনোভঙ্গী, বিষাদচেতনাৰ পৰাই প্রতিক্রিয়াশীল সাহিত্যৰ জন্ম হয়। প্রতিক্রিয়াশীল সাহিত্যৰ বিৰোধিতাৰ বাবে সমাজতান্ত্রিক বাস্তৱবাদৰ উত্থান। সমাজতান্ত্রিক বাস্তৱবাদৰ মূল ভেটি এই তিনিটা বিষয়ত প্রতিষ্ঠিত— (ক) সাম্যবাদী বিষয়বস্তু, (খ) জাতীয়তাবাদী গঠনকৌশল, (গ) বাস্তৱবাদী উপস্থাপন। সমাজতান্ত্রিক বাস্তৱবাদে বিশ্বৰ বাস্তৱবাদী শিল্পৰ ঐতিহ্যক অস্বীকাৰ কৰা নাই। আধুনিক বাস্তৱবাদৰ সৈতে শিল্পকৰ্মৰ গভীৰ সংযোগ, সমাজতান্ত্রিক বাস্তৱবাদ নিৰ্মাণত শিল্পৰ সক্রিয় সহযোগ পূৰ্বনিৰ্ধাৰিত আছিল। ম্যাক্সিম গৰ্কীয়ে বিশ্বাস কৰিছিল যে সমাজতান্ত্রিক বাস্তৱতাৰ প্রধান কাম হ'ল, সমাজতান্ত্রিক, বিপ্লৱী বিশ্বদৰ্শন, বিশ্বৰ সৈতে সম্পৰ্কিত এক ধাৰণাক শিক্ষিত কৰি তোলা।

প্রথমবাৰৰ বাবে যৌথ ভেনচাৰৰ প্রথম কংগ্রেছত গৃহীত ইউ এছ এছ আৰ (The Union of Soviet Socialist Republics) জয়েণ্ট সদনত সমাজতান্ত্রিক বাস্তৱতাৰ চৰকাৰী সংজ্ঞা দিয়া হৈছিল। "সমাজতান্ত্রিক বাস্তৱবাদ ছোভিয়েট কথা সাহিত্য আৰু সাহিত্য সমালোচনাৰ প্রধান পদ্ধতি হোৱাত শিল্পীৰ প্রয়োজন হ'ল বিপ্লৱী বিকাশত বাস্তৱৰ এটি সত্য ঐতিহাসিকভাৱে

গুৰুত্ব দিয়া। তদুপৰি বাস্তৱতাৰ শৈল্পিক চিত্ৰৰ সত্যতা আৰু ঐতিহাসিক সংক্ষিপ্ততাক সমাজতন্ত্ৰৰ চেতনা আদৰ্শগত পৰিৱৰ্তন আৰু শিক্ষাৰ কাৰ্যৰ সৈতে একত্ৰিত কৰা উচিত।" (দাস, ধনঞ্জয়, মাৰ্ক্সবাদী সাহিত্য বিতৰ্ক, পৃ. ৩৫)। গ্ৰেট ছোভিয়েট এনচাইক্লোপিডিয়া মতে— সমাজতান্ত্ৰিক বাস্তৱবাদ এটি সমাজতান্ত্ৰিক নিৰ্মাণৰ সাফল্য আৰু কমিউনিষ্ট চেতনাত ছোভিয়েটৰ মানুহৰ শিক্ষাৰ ফলস্বৰূপ আৰু সৰ্বাধিক উন্নত শৈল্পিক পদ্ধতি। সমাজতান্ত্ৰিক বাস্তৱতাৰ নীতিসমূহ সাহিত্যৰ দলীয় চেতনাৰ লেনিনৰ মতবাদতকৈ বেছি বিকশিত আছিল। লেনিনে নিজৰ ধাৰণা এইদৰে প্ৰকাশ কৰিছিল যে শিল্প সৰ্বহাৰা শ্ৰেণীৰ ওচৰত থিয় দিয়া উচিত, 'শিল্প মানুহৰ হয়। শিল্পৰ গভীৰতম উৎসসমূহ শ্ৰমজীৱী লোকসকলৰ এক বিস্তৰ শ্ৰেণীৰ মাজত পোৱা যায়। শিল্প অৱশ্যেই সিহঁতৰ অনুভূতি, চিন্তা-ভাৱনা আৰু প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি নিৰ্মাণ কৰা উচিত আৰু সিহঁতৰ সৈতে অৱশ্যেই সম্পৰ্ক বাঢ়ি উঠিব লাগিব।' সমাজতান্ত্ৰিক বাস্তৱতা আধুনিক বাস্তৱতাৰ সৈতে শিল্পৰ গভীৰ সম্পৰ্ক সমাজতান্ত্ৰিক নিৰ্মাণত শিল্পৰ সক্ৰিয় অংশগ্ৰহণ পূৰ্বনিৰ্ধাৰিত কৰে। সমাজতান্ত্ৰিক বাস্তৱতাৰ পদ্ধতিত কৰ্ম সম্পাদনাৰ বাবে প্ৰতিজন শিল্পীক দেশত সংঘটিত হোৱা ঘটনাসমূহৰ অৰ্থ ইয়াৰ বিকাশত সামাজিক জীৱনৰ ঘটনাৱলীৰ মূল্যায়নৰ দক্ষতা জটিল দ্বান্দ্বিক ধাৰণাত থাকে। এই পদ্ধতিত বাস্তৱতা আৰু ছোভিয়েটৰ প্ৰীতিৰ একতাৰ অন্তৰ্ভুক্ত আছিল, লগতে বীৰত্বপূৰ্ণ আৰু ৰোমাণ্টিকৰ সৈতে পাৰ্শ্বৱৰ্তী বাস্তৱৰ সত্য বাস্তৱবাদী বিবৃতিৰ সৈতে যুক্তি দিয়া হৈছিল এইদৰে যে, সমালোচক 'বাস্তৱবাদ'ৰ মানৱতাবাদক 'সমাজতান্ত্ৰিক মানৱতাবাদ'ৰ দ্বাৰা পৰিপূৰক হৈছিল। সমাজতান্ত্ৰিক বাস্তৱতাৰ ধাৰাত সাহিত্যকৰ্মৰ সৃষ্টি হোৱা উচিত। মানুহৰ দ্বাৰা মানুহৰ যিকোনো ধৰণৰ শোষণৰ অমানৱিকতাৰ ধাৰণাৰ ভিত্তিত, পুঁজিবাদৰ অপৰাধৰ বহিঃপ্ৰকাশ কৰা, পাঠক আৰু দৰ্শকৰ মনক কেৱলমাত্ৰ ক্ৰোধৰ সৈতে ফুটাই তোলা আৰু সমাজতন্ত্ৰৰ বিপ্লৱী সংগ্ৰামক উদ্বুদ্ধ কৰা। ম্যাক্সিম গৰ্কীয়ে সমাজতান্ত্ৰিক বাস্তৱবাদৰ সম্পৰ্কে নিজৰ মত দিছিল যে— "আমাৰ লেখকসকলৰ পক্ষত যি উচ্চতা থাকে আৰু কেৱল তাৰ উচ্চতাৰ পৰাই এক দৃষ্টিভংগী গ্ৰহণ কৰাৰ প্ৰয়োজন আৰু সৃজনশীলভাৱে প্ৰয়োজনীয় পুঁজিবাদৰ সমস্ত লেতেৰা অপৰাধ স্পষ্টভাৱে দৃশ্যমান, ইয়াৰ ৰক্তাক্ত উদ্দেশ্যৰ সমস্ত জঘন্যতা আৰু সৰ্বহাৰা শ্ৰেণীৰ স্বৈৰতান্ত্ৰিক বীৰত্বপূৰ্ণ কামৰ দৃশ্য দেখা পোৱা যায়।" (দাস, মাৰ্কসবাদী সাহিত্য বিতৰ্ক, পৃ- ৩৬৮)। সমাজতান্ত্ৰিক বাস্তৱবাদৰ প্ৰবক্তাসকল হ'ল গৰ্কী, মায়াক'ভস্কী, চাৰ্জি, প্ৰকোভিয়েভ, ড্ৰিমিটি ছস্তাকভিচ, ভেৰা

মুখিনা, বৰিচ ড'হানচন, চাৰ্জি, আইজেনষ্টান, দ্ৰিগা, ভাৰটভ, আইজক দুনায়েভস্কী আৰু অট্টচভস্কী আদি শিল্পী-সাহিত্যিকসকল। এইসকলৰ ওপৰিও পৰৱৰ্তীসময়ত অসংখ্য শিল্পী-সাহিত্যিকে যোগদান দিয়েহি। সেইসকলৰ ভিতৰত বাৰ্টোল ব্ৰেখট, আৰ্ণেষ্ট হেমিংৱে, প'ল ৰবচন, পাবলো নেৰুডা, মাও চে তুঙ, হো চি মিন, চে গুৱেভাৰা, চাৰ্লি চেপলীন, কৰ্ডৱেল, পাবলো পিকাছো, গাছিয়া লৰ্কা আদি ব্যক্তিসকলে। সমাজতান্ত্ৰিক বাস্তৱবাদে জীৱনক গতিশীল, সক্ৰিয় আৰু সৃষ্টিশীল কৰি তোলে। মিখাইল চলোকতে নিজৰ নোবেল বঁটা গ্ৰহণৰ সময়ত কৈছিল— "মই এনে বাস্তৱবাদৰ কথা কৈছোঁ যি মানৱ জাতিৰ মঙ্গলৰ বাবেই জীৱনক নৱযৌৱন আৰু নৱৰূপ দিয়াৰ ধ্যান-ধাৰণা প্ৰকাশ কৰে। ইয়াৰ বিশ্ববীক্ষাৰ বিশেষ লক্ষণ হ'ল এই যে এনে বাস্তৱবাদে বাস্তৱৰ গতানুগতিক মগ্নতা বা পলায়নক নাকচ কৰে আৰু ই মানৱ জাতিৰ প্ৰগতিৰ বাবে সংগ্ৰাম কৰাৰ আহ্বান দিয়ে।" (চেতিয়া, তোযেশ্বৰ, বিপ্লৱী শিল্পতত্ত্বৰ আভাষ, পৃ. ৪৫০)।

কিছুসংখ্যক সমালোচকে কয় যে শিল্প-কলা সদায় সমালোচনাত্মক হ'ব লাগে। বাস্তৱত নেতিবাচক কথা, বেয়া শিল্প, অসৎ আৰু ধ্বংসাত্মক বাস্তৱক সমালোচনা কৰে।

মাৰ্ক্সীয় সাহিত্যতত্ত্ব অৰ্থনীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ গৈ নন্দনতত্ত্ব বা সাহিত্যৰ শৈল্পিক দিশটোৰ প্ৰতি অৱজ্ঞা কৰে। সাহিত্যৰ সৈতে ৰাজনীতিক একাকাৰ কৰি ৰাজনীতিকেই অগ্ৰাধিকাৰ দিয়ে, অৰ্থনৈতিক প্ৰগতিক সাহিত্য-শিল্পৰ ক্ষেত্ৰত বাধা বুলি ভাবে, এই সাহিত্যতত্ত্বক কল্পনাৰ অস্তিত্বক অস্বীকাৰ কৰে। মাৰ্ক্সীয় দৰ্শনত ধ্বনিত হৈছে সাম্যবাদৰ সুৰ, ব্যক্ত হৈছে সাহিত্যৰ মাজেৰে বিদ্ৰোহী চেতনাৰ। মাৰ্ক্সীয় দৰ্শনত ধনী পুঁজিবাদীৰ সৈতে শ্ৰমিকৰ দ্বন্দ্বৰ কথা কোৱা হৈছে। মাৰ্ক্সে সমাজত উদ্ভৱ হোৱা সমস্যাসমূহৰ সমাধান দ্বান্দ্বিক পদ্ধতিৰে কৰিব বিচাৰিছিল। সেইবাবেই মাৰ্ক্সীয় সাহিত্যতত্ত্বত প্ৰকাশিত হৈছে শোষক আৰু শোষিতৰ কথা। ভাববাদীসকলে আধ্যাত্মিকা, জন্মান্তৰবাদ, জীৱনৰ সুখ-দুখ পূৰ্বজন্মৰ কৰ্মফল বুলি ভাবে। তদুপৰি সাধাৰণ শ্ৰেণীয়ে ভোগ কৰা অত্যাচাৰো ভগৱানৰ বিধান বা পূৰ্বজন্মৰ কৰ্মফল বুলি বিশ্বাস কৰাৰ বিপৰীতে মাৰ্ক্সীয় দৰ্শনত এইবোৰ বিশ্বাস কৰা নহয়। মাৰ্ক্সৰ ভাববাদী দৃষ্টিকোণেৰে এইবোৰ অগ্ৰাহ্য কৰা হয়। মাৰ্ক্সীয় দৰ্শনত বিশ্বাসীসকলে বিপ্লৱৰ জৰিয়তে শোষণমুক্ত, সাম্যবাদী সমাজ গঢ়িব বিচাৰে আৰু সৰ্বহাৰাৰ একনায়কত্ব প্ৰতিষ্ঠা কৰিব বিচাৰে। সমাজত যেতিয়ালৈকে শ্ৰেণীদ্বন্দ্ব শেষ হৈ সাম্যসমাজ প্ৰতিষ্ঠা নহ'ব তেতিয়ালৈকে সমাজৰ শিল্প, সাহিত্যও কোনোবা নহয় কোনোবা শ্ৰেণীৰ স্বাৰ্থৰ

বাবে কাম কৰিবই। যেতিয়াই শ্ৰেণী স্বাৰ্থৰ বাবে কাম কৰা বন্ধ হ'ব তেতিয়াই সুন্দৰ শিল্প-সাহিত্যৰ আত্মপ্ৰকাশ সম্ভৱ হ'ব।

**মাৰ্ক্সীয় সাহিত্য বিচাৰ**

সাহিত্য হৈছে সমাজৰ ভাষাগত প্ৰকাশ। সময়ৰ সৈতে জগত পৰিৱৰ্তনশীল, সাহিত্যও সময়ৰ সৈতে বিৱৰ্তনশীল। মাৰ্ক্সীয় সাহিত্যৰ ক্ষেত্ৰত ট্ৰাইবেল যুগ, ফিউডাল যুগ, বুৰ্জোৱা যুগৰ মাজত সাহিত্যৰ পাৰ্থক্যসমূহ দেখা পোৱা যায়। এইবোৰ সাহিত্যৰ ওপৰত পৰা শ্ৰেণীদ্বন্দ্বসমূহ সহজে পাঠকৰ চকুত নপৰে। লিখকে শ্ৰেণীদ্বন্দ্বৰ কথা ব্যক্তিগত ৰুচিৰ মাজত সীমাবদ্ধ ৰূপত ৰাখে বাবেই সেই শ্ৰেণীৰ সাহিত্যই বৈজ্ঞানিক বিচাৰৰ স্তৰত উন্নীত হ'ব নোৱাৰে। মানৱ সমাজত প্ৰয়োজনীয় উৎপাদনৰ উপাদানক নিয়ন্ত্ৰিত কৰাৰ অৰ্থ হৈছে জীৱন ধাৰণৰ উপায়সমূহক নিয়ন্ত্ৰণ কৰা। মানৱ জীৱনত অৰ্থনীতিৰ প্ৰভাৱ অপৰিসীম। এই অৰ্থনৈতিক ব্যৱস্থাৰ ওপৰতে সমাজৰ শ্ৰেণী বিভাজন হৈছে। শ্ৰেণীদ্বন্দ্বৰ মূলতে হৈছে অৰ্থনৈতিক ব্যৱস্থা। অৰ্থনৈতিক সমতা স্থাপন নোহোৱালৈকে সমাজত শ্ৰেণীদ্বন্দ্ব চলি থাকিব।

মাৰ্ক্সীয় সাহিত্যই প্ৰতিফলিত সাহিত্য আৰু স্থায়ী সাহিত্য বা শ্ৰেষ্ঠ সাহিত্যৰ মাজত বিভেদৰ স্বীকাৰ নকৰে। প্ৰতিফলিত সাহিত্য হৈছে যিয়ে সমাজ বাস্তৱৰ ওপৰৰ স্তৰৰ সত্যক প্ৰতিফলিত কৰি পাঠকক সাময়িক আনন্দ দিব পাৰে। এই সাহিত্যই পাঠকৰ অন্তৰত গভীৰ ভাবৰ সৃষ্টি কৰাত ব্যৰ্থ হয়। সাহিত্যৰ প্ৰধান লক্ষ্যই হৈছে পাঠকক শিক্ষা দিয়া, আনন্দ দিয়া আৰু অন্তৰত স্পৰ্শ কৰা। পাঠকৰ অন্তৰত আবেগ সৃষ্টি কৰা, বিচলিত কৰিব পৰা এয়াই মহৎ সাহিত্যৰ লক্ষণ। যি লিখকৰ অন্তৰত গভীৰ দ্বন্দ্ব, যি দ্বন্দ্ব বাস্তৱ জগতৰ শ্ৰেণীদ্বন্দ্বৰ ফল, এই দ্বন্দ্বক যিয়ে সাহিত্য সৃষ্টিত ৰূপায়িত কৰিব পাৰিব তেওঁৱেই সমাজৰ বাবে মহৎ সাহিত্য সৃষ্টি কৰিব পাৰিব। মাৰ্ক্সে বক্তব্য দিছিল যে- "তুমি যদি সাহিত্য আস্বাদ কৰিবলৈ বিচৰা তেতিয়া হ'লে তোমাৰ অন্তৰত অৱশ্যেই শিল্পীসুলভ সংস্কাৰ গঢ়ি তুলিব লাগিব।" (মুখোপাধ্যায়, মাৰ্ক্সীয় সাহিত্যতত্ত্ব, পৃ. ৮৪)। শ্ৰেষ্ঠ সাহিত্যই সমাজবিপ্লৱ আৰু বিপ্লৱী চেতনাৰে জনসাধাৰণক বিপ্লৱৰ পিনে উদ্বুদ্ধ কৰে। যদি সাহিত্যই মুষ্টিমেয় কিছুসংখ্যকৰ বাবেহে বোধগম্য হয়, সমাজৰ সাধাৰণ পাঠকক স্পৰ্শ কৰিব নোৱাৰে, তেতিয়া সেই সাহিত্য শ্ৰেষ্ঠ সাহিত্য হ'ব নোৱাৰে। সাম্ৰাজ্যবাদী সমাজত ধনতান্ত্ৰিকসকলৰ

ধনবাদৰ গতিবিধিৰ বিশ্লেষণ কৰি মাৰ্ক্সবাদীসকলে দেখুৱাইছিল যে অতীতৰ সমাজ ব্যৱস্থাৰ অনিবাৰ্য গতিত ধনবাদ প্ৰতিষ্ঠাৰ অভিমুখে অগ্ৰসৰ হৈছিল। মাৰ্ক্সে ধনতন্ত্ৰবাদ ধ্বংস কৰি সমাজবাদৰ প্ৰতিষ্ঠাৰ বাবে বিপ্লৱ কৰিছিল। মাৰ্ক্সবাদে শ্ৰমিক শ্ৰেণীৰ একনায়কত্ববাদ প্ৰতিষ্ঠা কৰি শ্ৰেণীদ্বন্দ্ব উচ্ছেদ কৰি সমাজবাদী সমাজ প্ৰতিষ্ঠাৰ কথা কৈছিল। লেনিনে দ্বন্দ্বাত্মক বস্তুবাদৰ জৰিয়তে ছোভিয়েট দেশত সমাজতান্ত্ৰিক সমাজৰ প্ৰতিষ্ঠা কৰিব পাৰিছিল।

মাৰ্ক্সীয় সাহিত্যৰ মূল্য নিৰূপণ কৰিবলৈ গৈ মাৰ্ক্সবাদী সমালোচকসকলে বিচাৰি উলিয়াইছিল যে জনসাধাৰণৰ সাহিত্যত যিসমূহ বিষয় প্ৰকাশিত হৈছে সেইসমূহ পুঁজিবাদী তথা দাসত্বৰ বিৰুদ্ধে লিখা, ধৰ্মীয় গোড়ামীৰ বিৰুদ্ধে, নৃশংস অত্যাচাৰৰ বিৰুদ্ধে অথবা সৰ্বহাৰা শ্ৰেণীৰ প্ৰতি দায়বদ্ধতা থকা সাহিত্য হ'ব লাগিব। এই দৃষ্টিভঙ্গীৰে বিশ্বসাহিত্যৰ বিচাৰ কৰাৰ মাধ্যমেৰে সেইসমূহ বিষয় খণ্ডিত কৰা নহয় বৰং এই পন্থাতেই আমি আমাৰ ঐতিহ্যলব্ধ বিপুল উত্তৰাধিকাৰৰ অন্তৰ্নিহিত মৰ্ম আৰু নিৰ্ণয় কৰিব পাৰি সেই সাহিত্যৰ মহত্ত্বসমূহ। সেইবোৰৰ লগতে বৰ্তমানৰ শ্ৰেণীদ্বন্দ্বৰ পোহৰত আমি দেখিবলৈ পাও সাহিত্যৰ মহত্ত্ব, বিচ্যুতি, অৱসাদ বা অনিশ্চয়তা প্ৰকাশ পাইছে। মাৰ্ক্সীয় সাহিত্য বিচাৰত শ্ৰেণীদ্বন্দ্বৰ প্ৰভাৱ স্বীকাৰ নকৰিলে সেই সাহিত্য অসম্পূৰ্ণ বুলি সমালোচকসকলে ভাবে। মাৰ্ক্সবাদী সাহিত্য বিচাৰক লুনাচাৰস্কি কৈছিল যে, "লেখক নিজে যি শ্ৰেণীৰ অন্তৰ্গত, সেই শ্ৰেণীৰ মনস্তত্ত্ব কোনো না কোনোভাৱে সাহিত্যত সকলো সময়তে প্ৰতিফলিত হৈ থাকে। অথবা কোনো সাহিত্যত লেখকৰ ওপৰত বিভিন্ন শ্ৰেণীৰ পৰা অহা উপাদানসমূহৰ ভাব প্ৰকাশিত হয়।" (মুখোপাধ্যায়, মাৰ্কসীয় সাহিত্যতত্ত্ব, পৃ. ৮৫)। লুনাচাৰস্কিৰ মন্তব্যৰ আঁত ধৰি ক'ব পৰা যায় যে মাৰ্ক্সীয় সাহিত্যিকসকলে অৰ্থনৈতিক শ্ৰেণী চৰিত্ৰৰ ওপৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰিছিল। লগতে সমকালীন শ্ৰেণীৰ বিভিন্ন উপাদান, নীতি, দৰ্শন, ধৰ্ম, সম্পৰ্কেও সাহিত্যৰ মাজেৰে নিজৰ সজাগ দৃষ্টি প্ৰকাশ কৰিছে। মাৰ্ক্সবাদী সাহিত্যৰ সূত্ৰকাৰসকলে সাহিত্য বিচাৰৰ কেইটামান সূত্ৰ এনেদৰে দিছে—

১। 'সাহিত্য বিচাৰৰ বাবে বিচাৰকৰ সাহিত্যৰস উপভোগৰ সংস্কাৰত গঢ়ি উঠিব লাগিব।

২। সাহিত্যিকসকলে যে ঐতিহাসিক আৰু অৰ্থনৈতিক পটভূমিত সাহিত্য ৰচনা কৰিছে তাৰ পৰিচয় জনাহে প্ৰয়োজন। কিন্তু মাত্ৰ কিছুমান ঐতিহাসিক ঘটনা বা অৰ্থনৈতিক পৰিস্থিতি জনাটো মাথো শেষ কথা নহয়। মনত ৰাখিব লাগিব যে সাধাৰণ জীৱনৰ নিচিনা সাহিত্যও

সমাজৰ বিভিন্ন ৰূপৰ যেনে— ধৰ্ম, নীতি, দৰ্শন, ৰাজনীতি ইত্যাদি বিষয়ৰ বিচ্ছিন্ন প্ৰকাশ যাতে নহয়। সাহিত্য এইসমূহ ৰূপৰ সৈতে জটিল সম্পৰ্কত যুক্ত। এইসমূহৰ বিষয়ত কোনোধৰণৰ সৰলীকৃত প্ৰয়াস বিপদজনক।

৩। ৰাজনীতি সাহিত্যত নানাৰূপে প্ৰকাশিত হয়। ৰাজনীতি সচেতনতাই সময়ৰ বুকুত ৰাজনীতিকৰ প্ৰশ্নত কোনো ৰচনাকে নিম্ন শ্ৰেণীৰ বুলি গণ্য কৰিব নালাগে।

৪। বিশেষ উদ্দেশ্য থাকিলেও সাহিত্যত সেয়া ঘোষিত নকৰি ৰচনাৰ মাজৰ পৰা আত্মপ্ৰকাশ কৰা উচিত। সাহিত্যক প্ৰথমতে সাহিত্য বুলি সাৰ্থক হ'বলৈ লাগিব। সাহিত্যিকে সামাজিক দ্বন্দ্ব সংঘাতৰ সাম্ভাব্য সমাধান পাঠকৰ হাতত তুলি নধৰে।

৫। সমালোচকসকলে সাহিত্যিকসকলৰ সৈতে একে লগে কাম কৰিব লাগিব। সু-সমালোচক শিক্ষকৰ নিচিনা লিখকেও সমাজ বিষয়ে দৃষ্টিক্ষীণতা আৰু শৈল্পিক দুৰ্বলতা দেখায় দিয়ে।

৬। সাহিত্যক মাত্ৰ ভাব, ভাষা আৰু ছন্দৰ মাহাত্ম্যতে প্ৰশংসা কৰা অনুচিত। ভাষা আৰু ভাব যিদৰে অভিন্ন, ঠিক তেনেদৰে ৰূপ আৰু ভাবো অভিন্ন।

৭। সাহিত্য বিচাৰক লুনাচাৰস্কিয়ে এটা মত দিছিল যে— "মাৰ্ক্সীয় সমালোচনা একে সময়তে বৈজ্ঞানিক আৰু কলাৰ কামৰ এক পথ।" (*Marxist Criticism is at the same time scientific and in a way artistic work*)।' (মুখোপাধ্যায়, মাৰ্কসীয় সাহিত্যতত্ত্ব, পৃ. ৯৪)। মাৰ্ক্সীয় সাহিত্যৰ বিচাৰ পদ্ধতি ব্যৱহাৰ কৰি ভাৰতীয় সাহিত্যকো বিচাৰৰ বহুতো চেষ্টা কৰিছিল সমালোচকসকলে। কিন্তু সেই বিচাৰ কবিতা, নাটক আৰু উপন্যাসৰ মাজতে সীমাবদ্ধ হৈ আছে।

**ভাৰতীয় প্ৰেক্ষাপটত মাৰ্ক্সবাদী সাহিত্য ঃ**

ভাৰতত 'কমিউনিষ্ট পাৰ্টি'ৰ সিদ্ধান্ত অনুসৰি ১৯২৫ চনৰ ডিচেম্বৰ মাহত কানপুৰত অনুষ্ঠিত হোৱা সন্মিলনত 'ভাৰতৰ কমিউনিষ্ট পাৰ্টি'ৰ প্ৰতিষ্ঠা হয়। প্ৰথমাৱস্থাত মাৰ্ক্সীয় সাহিত্যই ৰাজনৈতিক ইতিকথা আৰু জীৱনীমূলক ৰচনাৰ মাজত সীমাবদ্ধ আছিল। পৰৱৰ্তী সময়ত ছোভিয়েট বিপ্লৱ, বলছেভিক প্ৰসংগ, কৃষক-শ্ৰমিকক মাৰ্ক্সীয় বিপ্লৱৰ প্ৰতি যোগদানৰ বাবে বিভিন্ন পত্ৰ-পত্ৰিকা ৰচনা কৰে। এই সময়ছোৱাত যিসকলে মাৰ্ক্সবাদী আদৰ্শ গ্ৰহণ কৰিছিল তেওঁলোক আছিল অসংগঠিত।

মাৰ্ক্সৰ সমাজতান্ত্রিক বিপ্লৱৰ প্ৰতি বহু যুৱকে আকৰ্ষিত হৈছিল। এই শ্ৰেণীটোৱে ভাৰতৰ শ্ৰমিক শ্ৰেণীক সংগঠিত কৰিবলৈ ট্ৰেড ইউনিয়ন গঠন কৰিছিল। মাৰ্ক্সবাদী আন্দোলন নতুন অৱস্থাত থকাৰ বাবে শিল্প-সাহিত্য আৰু সাংস্কৃতিক আন্দোলনক সংগঠিত কৰিব পৰা নাছিল কাৰণ নগণ্য সংখ্যক ব্যক্তিৰ দ্বাৰা সকলোফালে চকু দিব পৰাটো কষ্টসাধ্য আছিল।

ভাৰতীয় প্ৰেক্ষাপটত মাৰ্ক্সবাদী সাহিত্যই প্ৰথমে ভুমুকি দিয়ে বঙলা সাহিত্যৰ জৰিয়তে। ঊনবিংশ শতিকাৰ কুৰি দশকত একাংশ বঙালী সাহিত্যিক আৰু বুদ্ধিজীৱীয়ে গৰ্কী চৰ্চাত মনোনিৱেশ কৰে। ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ অন্যতম প্ৰতিষ্ঠাতা মুজফ্‌ফৰ আহমেদৰ সৈতে হাবিলদাৰ নজৰুল ইছলাম লগ লাগি 'নৱযুগ'ৰ পৃষ্ঠাত সমাজৰ নিপীড়িত, শোষিত-বঞ্চিতসকলৰ বেদনা আৰু বিক্ষোভক নতুন ভাব আৰু ভাষাৰে প্ৰকাশ কৰিলে। এই সময়ত 'সংহতি', 'আত্মশক্তি', 'কালি কলম', 'বিজলী', 'কল্লোল', 'বঙ্গবাণী', 'গণবাণী', 'লাঙ্গল' ইত্যাদি পত্ৰিকাবোৰত মাৰ্ক্সবাদী লেখকসকল ক্ৰমে, শৈলজানন্দ মুখোপাধ্যায়, মণীন্দ্ৰলাল বসু, শিৱৰাম চক্ৰৱৰ্তী, নাৰায়ণ ভট্টাচাৰ্য, জগদীশ গুপ্ত, নৃপেন্দ্ৰনাথ চট্টোপাধ্যায় আদিয়ে তেওঁলোকৰ ৰচিত সাহিত্যসমূহৰ মাজেৰে তুলি ধৰিলে সৰ্বহাৰা শ্ৰেণীটোৰ শোষণ-নিপীড়নৰ কথা। 'কল্লোল' আৰু 'শনিবাৰেৰ চিঠি' পত্ৰিকাত প্ৰকাশিত হোৱা ৰচনাসমূহৰ বহু লেখক মাৰ্ক্সবাদী নাছিল। এই সময়ছোৱা বিভিন্ন সাহিত্যিকৰ ৰচনাত অক্টোবৰ বিপ্লৱৰ প্ৰভাৱ পৰিলেও পৰৱৰ্তী এটা দশকৰ শিল্প সাহিত্যত মাৰ্ক্সীয় বিশ্ববিক্ষাৰ পোহৰ প্ৰকাশিত হোৱা নাছিল।

বিছ-ত্ৰিশৰ দশকত বাঙলাৰ শিক্ষিত আৰু আদৰ্শবাদী যুৱ চামৰ ওপৰত কমিউনিষ্ট বিপ্লৱবাদীৰ যথেষ্ট প্ৰভাৱ পৰে। মাৰ্ক্সবাদৰ প্ৰভাৱ পৰা লেখকসকলে সমাজ বাস্তৱতা, জাতীয় চিন্তা, সমাজতান্ত্রিক সমাজ গঠন ইত্যাদি বিষয়বোৰ লৈ সাহিত্য ৰচনা কৰিবলৈ ধৰিলে। বাঙলাৰ এই সময়ছোৱাৰ সাহিত্যিকসকল আছিল, ৰামলোচন ঘোষ, ৰামকমল সেন, দ্বাৰকানাথ ঠাকুৰ, ভবানীচৰণ বন্দোপাধ্যায়, গৌৰীশংকৰ তৰ্কবাগীশ, কৃষ্ণমোহন ব্যানাৰ্জী, কাশীপ্ৰসাদ ঘোষ, কালীকৃষ্ণ দেৱ, তাৰাচাঁদ চক্ৰৱৰ্তী, দক্ষিণাৰঞ্জন মুখাৰ্জী প্ৰভৃতিসকল।

ইয়াৰ পৰৱৰ্তী ত্ৰিশ-চল্লিছৰ দশকত বাঙলাত শিল্প-সাহিত্য আৰু সাংস্কৃতিক আন্দোলনত মাৰ্ক্সবাদী বুদ্ধিজীৱীসকলে অগ্ৰণী ভূমিকা গ্ৰহণ কৰে। 'দেশ', 'আনন্দবাজাৰ পত্ৰিকা' কাকত দুখনত মাৰ্ক্সীয় ভাৱধাৰাৰ ৰচনাসমূহ প্ৰকাশ পায়। 'পৰিচয়' পত্ৰিকাখনে মাৰ্ক্সীয় সাহিত্যৰ প্ৰচাৰ কৰাৰ

ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ইয়াত সুশোভন সৰকাৰৰ ৰচিত 'ৰুছ বিপ্লৱেৰ পটভূমি', 'ৰুছ বিপ্লৱেৰ ইতিবৃত্ত' ধাৰাবাহিকভাৱে প্ৰকাশ পায়। 'পৰিচয়' কাকতখনে শিল্প-সাহিত্যত মাৰ্ক্সীয় যুক্তি বিজ্ঞানৰ প্ৰথম প্ৰয়োগ কৰিছিল।

কেইজনমান প্ৰতিভাৱান ভাৰতীয় ছাত্ৰই মাৰ্ক্সবাদী আদৰ্শৰ প্ৰতি গভীৰভাৱে আকৃষ্ট হৈ প্ৰগতি সাহিত্য আৰু সাংস্কৃতিক আন্দোলন গঢ়ি তোলাৰ বাবে সপোন দেখিছিল। সেইসকল ছাত্ৰ অনুপ্ৰাণিত হৈছিল ৰোলা, গৰ্কী, বাৰবুস, ফষ্টাৰ, জিদ ইত্যাদি ফ্যাচীবাদী বিৰোধী সংগ্ৰামৰ আহ্বানত। এই সপোনক বাস্তৱায়িত কৰিবলৈ জন্ম দিয়ে 'প্ৰগতি লেখক সংঘ'ৰ। এই 'প্ৰগতি লেখক সংঘ'ৰ গঠনৰ মূল ব্যক্তিসকল হৈছে— মূলকৰাজ আনন্দ, সজ্জাদ জহীৰ, হীৰেন্দ্ৰ নাথ মুখোপাধ্যায়, ভবানীচৰণ ভট্টাচাৰ্য, ইকবাল সিং, ৰাজা ৰাও, মহম্মদ আশৰফ ইত্যাদি আৰু ইয়াৰ লগত সক্ৰিয় যোগদান দিছিল মাৰ্ক্সবাদী বুদ্ধিজীৱি আৰু কমিউনিষ্ট পাৰ্টিয়ে। মুন্সি প্ৰেমচন্দৰ সভাপতিত্বত বহা সন্মিলনত গঠিত হয় 'নিখিল ভাৰত প্ৰগতি লেখক সংঘ'ৰ। 'নিখিল ভাৰত প্ৰগতি লেখক সংঘ'ৰ আদৰ্শতে বঙ্গত ১৯৩৬ চনৰ ১১ জুলাইত আয়োজিত গৰ্কীৰ শোকসভাত নৰেশ চন্দ্ৰ সেনগুপ্তক সভাপতি আৰু সুৰেন্দ্ৰ নাথ গোস্বামীক সম্পাদক হিচাপে লৈ 'বঙ্গীয় প্ৰগতি লেখক সংঘ' গঠনৰ ঘোষণা কৰে। পিছত 'প্ৰগতি লেখক সংঘ'ৰ সম্পাদক প্ৰমুখ্যে বহুকেইজনে কবি ৰবীন্দ্ৰনাথ ঠাকুৰক প্ৰেসিডেণ্ট (সভাপতি)ৰ পদ গ্ৰহণৰ অনুৰোধ কৰে আৰু কবি ৰবীন্দ্ৰনাথ ঠাকুৰে সানন্দে সেই প্ৰস্তাৱ গ্ৰহণ কৰে।

ত্ৰিছৰ দশকৰ শেষ ভাগত 'ভাৰত ছাত্ৰ ফেডাৰেছনে' শান্তি-প্ৰগতিৰ বাণী লৈ সৰ্বহাৰা কৃষক-শ্ৰমিকৰ লগত থিয় দিলেহি। ১৯৩৭ চনত বৃটিছ শাসনাধীন ভাৰতৰ নিৰ্বাচনত ৭টা প্ৰদেশত ভাৰতীয় জাতীয় কংগ্ৰেছ বিজয়ী হয় আৰু চৰকাৰ গঠন কৰে। চৰকাৰ গঠন কৰিয়েই বিভিন্ন কাৰাগাৰত বন্দী হৈ থকা আন্দোলনকাৰীসকলক মুক্তিৰ নিৰ্দেশ দিয়ে। মুক্তি লাভ কৰি বহুজনে মাৰ্ক্সবাদী আদৰ্শ গ্ৰহণ কৰে আৰু কৃষক শ্ৰমিকৰ হকে বিপ্লৱত অংশগ্ৰহণ কৰে। লাহে লাহে মাৰ্ক্সবাদী আদৰ্শই প্ৰসাৰ লাভ কৰিব ধৰিলে। বিভিন্ন গণ সংগঠনে এই আদৰ্শক গ্ৰহণ কৰিলে। ১৯৩৮ চনত কলিকতাত অনুষ্ঠিত হয় 'নিখিল ভাৰত প্ৰগতি লেখক সংঘ'ৰ দ্বিতীয় সন্মিলন। এই সন্মিলনত যোগ দিয়ে গোটেই ভাৰতৰ মাৰ্ক্সবাদী-অনামাৰ্ক্সবাদী লেখকসকলে। অংশগ্ৰহণ কৰে মূলকৰাজ আনন্দ, শৈলজানন্দ মুখোপাধ্যায়, সুধীন্দ্ৰ নাথ দত্ত, বুদ্ধদেৱ বসু প্ৰমুখ্যে ভালেমান

সাহিত্যিকে। কমিউনিষ্ট পাৰ্টিৰ নিৰ্দেশত ‘অগ্রণী’ নামৰ সাংস্কৃতিক পত্রিকা এখন প্রকাশ লাভ কৰে। পত্রিকাখনৰ সম্পাদক আছিল প্রফুল্ল ৰায়। ডেৰ বছৰীয়া জীৱন পৰিক্রমাৰ ‘অগ্রণী’য়ে মাৰ্ক্সীয় চিন্তা-ভাবনা, প্রগতি সংস্কৃতিৰ প্রসাৰত যথেষ্ট অৱদান আগবঢ়ায়।

ইতিমধ্যে বিশ্বযুদ্ধই সমগ্র দেশ কঁপাই তোলে। কমিউনিষ্ট পাৰ্টিয়ে এই যুদ্ধক সাম্রাজ্যবাদী যুদ্ধ বুলি ঘোষণা কৰে। ইংৰাজৰ সাম্রাজাব্যদৰ বিৰোধিতাৰে প্রচাৰ আৰম্ভ কৰে। ইংৰাজে কমিউনিষ্টৰ সদস্যসকলক দমন নীতিৰে অত্যাচাৰ আৰম্ভ কৰে। এই সময়ত অসংখ্য কমিউনিষ্ট নেতা-কৰ্মীক বন্দী বা বহিস্কৃত কৰা হয়। ইংৰাজৰ এই দমন নীতিৰ ফলত বহু সদস্যই আত্মগোপন কৰিবলগীয়া হয়। অগ্রণী কাকতখনো বন্ধ হৈ পৰে লগতে ‘প্রগতি লেখক সংঘ’ৰ কামো স্তব্ধ হৈ পৰে।

দ্বিতীয় বিশ্বযুদ্ধ আৰু ভাৰতৰ স্বাধীনতা সংগ্রামৰ এই সময়তে গণনাট্য সংঘই এক গুৰুত্বপূর্ণ ভূমিকাত অৱতীর্ণ হয়। গণনাট্য সংঘৰ বিনয় ৰায়, দেবব্রত বিশ্বাস, হেমন্ত মুখোপাধ্যায়, জ্যোতিৰিন্দ্র মৈত্র, হৰিপদ কুশাৰী, হেমাঙ্গ বিশ্বাস, সুজাতা মুখোপাধ্যায় আদিয়ে নাট্য-গীতেৰে জনগণৰ অন্তৰত জাতীয় চেতনাৰ ভাৱ মূৰ্ত কৰে। অসমতো গণনাট্য সংঘই সক্রিয় ভূমিকা গ্রহণ কৰে। শিলচৰত সংঘৰ প্রথমখন সন্মিলন অনুষ্ঠিত হয়। অসমত এই সংঘৰ গুৰি ধৰোতা আছিল মণি ভট্টাচার্য, কাৰ্ত্তিক বিশ্বাস, হেমাঙ্গ বিশ্বাস, সত্যকাম দত্ত, নিৰঞ্জন সেন, ভূপতি চক্রৱৰ্তী, অচিন্ত্য ভট্টাচার্য, শীলা দাস, কোকিল সিংহ আদি অনেকেই। গণনাট্য সংঘই নাট্য-নৃত্য, গীতেৰে জনসাধাৰণৰ অন্তৰত দেশপ্রেমৰ ভাৱ জাগ্রত কৰাৰ লগতে স্বাধীনতা সংগ্রাম, অন্যায়-অনীতিৰ বিৰুদ্ধে যুঁজিবলৈ যাতে সাহস পায় তাৰ বাবে প্রেৰণা যোগাইছিল।

বাঙলা সাহিত্যত ৰবীন্দ্রনাথ ঠাকুৰ, তাৰাশঙ্কৰ বন্দোপাধ্যায়, শৰৎ চন্দ্র চট্টোপাধ্যায়, মাণিক বন্দোপাধ্যায়, নাৰায়ণ গঙ্গোপাধ্যায়, বিভূতিভূষণ বন্দোপাধ্যায়, জ্যোতিৰিন্দ্র মৈত্র আদি উপন্যাসত দুৰ্ভিক্ষ পীড়িত বঙলাৰ যন্ত্রণাক্ষত হৃদয়ৰ ব্যাথা-বেদনা, আশা-আকাংক্ষাৰ লগতে সমাজৰ শোষণ-নিপীড়নৰ বাস্তৱ চিত্র দেখা পোৱা যায়। এইসকল ঔপন্যাসিকৰ লগতে বুদ্ধদেৱ বসু, প্রবোধ সান্যাল, অন্নদাশঙ্কৰ ৰায়, শৈলজানন্দ আদি সাহিত্যিসকলে বাস্তৱবাদী চিন্তাৰে নতুন নতুন সাহিত্যৰ সৃষ্টি কৰিছিল। সাহিতিকসকলৰ লগতে কিছুসংখ্যকে সমাজ সংস্কাৰৰ আন্দোলনত নামি পৰিছিল। তেওঁলোকে সমাজত চলি অহা সতীদাহ প্রথা, বিধৱা বিবাহ, স্ত্রী শিক্ষাৰ প্রসাৰ, আদি সমাজৰ সংস্কাৰৰ বাবে লাগি পৰিছিল। বঙ্গত সমাজ সংস্কাৰবাদী আন্দোলনত যোগদান কৰিছিল ৰাজা

ৰামমোহন ৰায়, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, বঙ্কিম চট্টোপাধ্যায়, বিবেকানন্দ আদি ব্যক্তিসকলে।

বঙলা সাহিত্যৰ দৰে হিন্দী সাহিত্যতো মাৰ্ক্সবাদক লৈ বিভিন্ন সাহিত্যৰ সৃষ্টি হৈছে। হিন্দী সাহিত্যিকসকলেও সাম্ৰাজ্যবাদী ঔপনিৱেশিকতাবাদৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছিল। চল্লিশৰ দশকত সৃষ্টি হোৱা হিন্দী উপন্যাসবোৰত পুঁজিবাদী শক্তিৰ বিৰুদ্ধে, শোষণৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰিছিল। এই সময়ছোৱাত চোহনলাল দ্বিবেদী, সুমিত্ৰানন্দন পন্ত, মুন্সি প্ৰেমচন্দ আদিৰ সাহিত্যসমূহৰ মাজেদি মাৰ্ক্সীয় আদৰ্শ প্ৰকাশ পাইছিল। 'দাদা কমৰেড', 'প্ৰেমাশ্ৰম', 'পাৰ্টী কমৰেড', দেশদ্ৰোহী, 'কৰ্মভূমি', 'গোদান', 'সেৱাদান' আদি উপন্যাসৰ মাজেদি শ্ৰেণী সংগ্ৰাম পুঁজিপতি শ্ৰেণীটোৰ শোষণ-নিপীড়ন, শ্ৰেণী বৈষম্য, সাম্প্ৰদায়িক সংঘৰ্ষ, আদি বিষয়বোৰ গভীৰভাৱে বিশ্লেষণ কৰিছে। হিন্দু সাহিত্যৰ লগতে উৰ্দু সাহিত্যত মূলকৰাজ আনন্দ আৰু খাজা আহমদ আব্বাচৰ লেখনিত মাৰ্ক্সীয় ভাৰধাৰাৰ প্ৰতিফলন দেখা পোৱা যায়। মূলকৰাজ আনন্দৰ 'কুলী' (coolie), 'আনটাচৰেল' (Untouchable), 'টু লিভচ এণ্ড এ বাড' (Two leaves and a bud) এইকেইখন তেওঁৰ উল্লেখযোগ্য উপন্যাস। ভাৰতৰ অন্যান্য প্ৰাদেশিক ভাষাবোৰৰ দৰেই অসমীয়া সাহিত্যলৈয়ো মাৰ্ক্সবাদৰ প্ৰৱেশ ঘটে কুৰি শতিকাৰ তৃতীয় দশকমানত। ভাৰতত কমিউনিষ্ট পাৰ্টিৰ গঠনৰ পিছত ১৯৪৩ চনত বীৰেশ মিশ্ৰক সম্পাদক হিচাপে অসমত কমিউনিষ্ট পাৰ্টিৰ অসম শাখা গঠন কৰা হয়। কিন্তু ইয়াৰ বহু পূৰ্বে ৰুছ বিপ্লৱৰ পিছত সমগ্ৰ বিশ্বতেই পুঁজিবাদী ব্যৱস্থা ধ্বংস কৰি সমাজতান্ত্ৰিক সমাজ প্ৰতিষ্ঠা কৰিব চেষ্টা, সাম্যবাদ আন্দোলন, মাৰ্ক্সবাদী কমিউনিষ্ট বিপ্লৱ, কৃষক আন্দোলন, ইংৰাজৰ বিৰুদ্ধে ভাৰতৰ স্বাধীনতা আন্দোলন আৰু কেদাৰনাথ গোস্বামীয়ে অনুবাদ কৰা 'কমিউনিষ্ট ইস্তাহাৰ'ৰ প্ৰভাৱ তথা অন্যান্য ভাষাত প্ৰকাশ পোৱা মাৰ্ক্সীয় বিপ্লৱী চিন্তাৰ প্ৰভাৱ অসমীয়া সাহিত্যতো আহি পৰেহি।

'ভাৰতৰ কমিউনিষ্ট পাৰ্টি', 'ট্ৰেড ইউনিয়ন', 'প্ৰগতি লেখক সংঘ', 'বঙ্গীয় প্ৰগতি লেখক সংঘ', 'গণনাট্য সংঘ'ৰ লগতে ৰবীন্দ্ৰনাথ ঠাকুৰ, প্ৰেমচন্দ, মূলকৰাজ আনন্দ, নজৰুল, মাণিক বন্দোপাধ্যায় এই লেখকসকলৰ মাৰ্ক্সীয় চিন্তাদৰ্শই অসমীয়া সাহিত্যতো প্ৰভাৱ বিস্তাৰ কৰে। অসমত কমিউনিষ্ট পাৰ্টিৰ মতাদৰ্শতে 'প্ৰগতিশীল লিখক আৰু শিল্পী সংঘ' গঠন কৰে। ইয়াৰ প্ৰথম সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰে ভবানন্দ দত্তই। এই সংগঠনটোত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে কমলনাৰায়ণ দেৱ, চক্ৰেশ্বৰ ভট্টাচাৰ্য, ধীৰেন দত্ত, অমূল্য বৰুৱা, সদানন্দ চলিহা, হেম বৰুৱা, গৌৰীশঙ্কৰ

ভট্টাচাৰ্য আদিৰ দৰে সাহিত্যিসকলে। এইসকল সাহিত্যিকেই প্ৰথমতে অসমীয়া সাহিত্যলৈ মাৰ্ক্সীয় আদৰ্শত সাহিত্য ৰচনা কৰে। ১৯২৯ চনত প্ৰকাশিত আৱাহন কাকতখনতে মাৰ্ক্সীয় সাহিত্যৰ চিন্তা-চৰ্চাৰ বীজে গজালি মেলিবলৈ আৰম্ভ কৰিছিল। সাম্যবাদী চিন্তাৰ লিখকসকলৰ সমাজ বাস্তৱতাৰ ভালেখিনি প্ৰবন্ধ প্ৰকাশ পাইছিল। সমাজ বাস্তৱতাৰ লগতে, মানৱতাবাদ, সমাজ সংস্কাৰ, নাৰীৰ শিক্ষাৰ অধিকাৰ, নাৰী মুক্তি, ধৰ্মীয় সদভাৱ আদি বিষয়বোৰৰ লগতে ফ্ৰয়েডিয় যৌন মনস্তত্ত্ব, অক্টোবৰ বিপ্লৱ, মাৰ্ক্সৰ দৰ্শন আদি নতুন লেখাসমূহে পাঠকৰ মনত বিপ্লৱী চেতনা জাগ্ৰত কৰিছিল।

আৱাহনৰ পাততে অসমীয়া মাৰ্ক্সবাদী সাহিত্য অঙ্কুৰিত হৈ 'জয়ন্তী'ৰ পাতত ই বিকাশ লাভ কৰিলে। 'জয়ন্তী'ৰ জৰিয়তে মাৰ্ক্সবাদী সাহিত্যৰ যথেষ্ট প্ৰসাৰ ঘটিল। জয়ন্তীৰ পাতত প্ৰকাশ পোৱা সাহিত্যই অসমৰ মানুহৰ অন্তৰত সাম্যবাদ চিন্তা, ইংৰাজৰ সাম্ৰাজ্যবাদৰ প্ৰতি ঘৃণা, শোষণ-নিপীড়নৰ বিৰুদ্ধে প্ৰতিবাদ, পুঁজিবাদী ব্যৱস্থাৰ ধ্বংস, সাম্যবাদ সমাজ গঠনৰ ভাৱ জগাই তুলিছিল। অসমৰ এই সাহিত্যিকসকল গৰ্কী, লু-চুন, ব্ৰেখট, মায়াক'ভস্কী আদিৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। ভবানন্দ দত্ত, ধীৰেন দত্ত, অমূল্য বৰুৱা, হেম বৰুৱাৰ দৰে কবিসকলে প্ৰগতিবাদী কবিতা ৰচনাত মন দিয়ে। অমূল্য বৰুৱাৰ বেশ্যা, কুকুৰ, কয়লা, লেম্পপোষ্ট আদি কবিতাবোৰৰ মাজেৰে সমাজৰ এক বাস্তৱ জীয়া ছবিখন দাঙি ধৰিছে। সমাজৰ লাঞ্ছিত-বঞ্চিতজনৰ প্ৰতি এয়া গভীৰ আস্থা প্ৰকাশ কৰিছে।

'জয়ন্তী'ৰ প্ৰথম পৰ্যায়ৰ কবিকেইজন হৈছে— ধীৰেন দত্ত, অমূল্য বৰুৱা, ভবানন্দ দত্ত আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্য আৰু দ্বিতীয় পৰ্যায়ৰ কবি হৈছে হেম বৰুৱা আৰু পৰৱৰ্তী কবিসকল। ধীৰেণ দত্তৰ 'সংস্কাৰ', 'কাঠমিস্ত্ৰীৰ ঘৰ', 'শুনা শুনা ৰুদ্ধ দেৱতা', 'মহা বলিদান', 'মহাপ্ৰলয়', 'যাত্ৰী', 'নতুন দৃষ্টিৰ সৃষ্টি' আদি কবিতাবোৰৰ মাজেৰে তেওঁৰ বিপ্লৱী ভাৱ প্ৰকাশিত হৈছিল। অমূল্য বৰুৱাৰ 'কুকুৰ', 'বেশ্যা', 'কয়লা', 'বিপ্লৱী', 'আন্ধাৰৰ হাহাকাৰ'। ভৱানন্দ দত্তৰ 'পূবেৰুণ', 'ৰাজপথ', 'পাউদাৰ' আৰু চক্ৰেশ্বৰ ভট্টাচাৰ্যৰ 'মাথোঁ এখন নোট', 'ৰাসলীলা', 'শ্ৰীমন্ত'। এই কবিতাসমূহৰ জৰিয়তে কবিকেইজনে সমাজৰ পয়ালগা জৰ্জ্জৰিত অৱস্থাৰ চিত্ৰ দেখুৱাইছে। মাৰ্ক্সবাদী আদৰ্শৰে উদ্বুদ্ধ কবিকেইজনে প্ৰচলিত সমাজ ব্যৱস্থাৰ প্ৰতি উপলুঙাসূচক দৃষ্টি দিছে। প্ৰচলিত সমাজ ব্যৱস্থাই সৰ্বসাধাৰণ মানুহখিনিক শোষণ কৰিছে। ইয়াৰ পৰৱৰ্তী সময়ত হেম বৰুৱা, হীৰেণ

ভট্টাচাৰ্য, অমলেন্দু গুহ, কেশৱ মহন্ত, হেমাঙ্গ বিশ্বাস, ৰাম গগৈ, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, নলিনীধৰ ভট্টাচাৰ্য, প্ৰসন্নলাল চৌধুৰী, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু ৰাভা আদি কবিসকলৰ কবিতাত সাম্যবাদৰ ধ্বনি, শ্ৰেণীহীন সমাজ গঢ়াৰ সংকল্প, সৰ্বহাৰাৰ শোষণ, নিষ্পেষণ আদি ভাববোৰ মূৰ্ত্ত হৈ উঠিছে। হেম বৰুৱাৰ কবিতা সম্পৰ্কে হোমেন বৰগোহাঞিয়ে মন্তব্য দিছিল যে — 'হেম বৰুৱা যোল অনাই সমাজ সচেতন কবি। আধুনিক সভ্যতাৰ সংকট, যুগ সংশয়, মানৱীয় মূল্যবোধৰ বিকৃতি আৰু পক্ষাঘাতগ্ৰস্ত সমাজ ব্যৱস্থাটোৰ সম্যক উপলব্ধি তেওঁৰ আছে।" (মজুমদাৰ, বিমল, সাহিত্যৰ তত্ত্ব আৰু প্ৰয়োগ, পৃ. ১১৭)। 'জয়ন্তী'ত প্ৰকাশ পাব ধৰিলে মাৰ্ক্সীয় সাম্যবাদ, ফ্যেচীবাদ, পুঁজিবাদ, সমাজতন্ত্ৰবাদৰ লগত জড়িত বিভিন্ন প্ৰবন্ধসমূহ। আলোচনীখনে অসমীয়া সাহিত্যক এক নতুন গতি প্ৰদান কৰিলে। লেখকসকলে পুৰণি ধ্যান-ধাৰণা, ৰীতি-নীতিৰ পৰা আঁতৰি আহি এক নতুন বৈজ্ঞানিক সমাজৰ প্ৰতিষ্ঠাত যোগদান দিলেহি। 'জয়ন্তী'ৰ পাততেই অসমীয়া মাৰ্ক্সীয় সাহিত্যই পূৰ্ণ বিকাশ লাভ কৰিলে। এই আলোচনীয়ে ৰোমাণ্টিকতাৰ জালৰ পৰা ওলাই আহি সমাজৰ বাস্তৱতাক আঁকোৱালি ল'লে। সমাজৰ সৰ্বহাৰা শ্ৰেণীটোৰ পক্ষে থিয় দিলে।

'জয়ন্তী'ৰ পৰৱৰ্তী সময়ত অসমীয়া সাহিত্যত 'পছোৱা', 'প্ৰবাহ', 'ৰামধেনু', 'নতুন প্ৰতিনিধি', 'নতুন পৃথিৱী', 'সাম্প্ৰতিক সাময়িকী', 'পদাতিক' এই আলোচনীকেইখনে মাৰ্ক্সীয় সাহিত্যৰ প্ৰসাৰ আৰু প্ৰচাৰত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

ভাৰতৰ 'প্ৰগতি লেখক আৰু শিল্পী সংঘৰ' আদৰ্শত অসমতো প্ৰায় পঞ্চাশৰ দশকত 'গণনাট্য সংঘ' গঠন কৰা হয়। 'গণনাট্য সংঘ'ই অসমৰ সাহিত্য-সংস্কৃতিক এক নতুন দিশ দিবলৈ সক্ষম হয়। 'গণনাট্য সংঘ'ৰ লগত হেমাঙ্গ বিশ্বাস, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, কেশৱ মহন্ত, অমলেন্দু গুহ, দীলিপ শৰ্মা, ভূপেন হাজৰিকা, চৈয়দ আব্দুল মালিক আদি শিল্পী-সাহিত্যিকসকলে জড়িত হৈ আছিল। 'গণনাট্য সংঘ'ই অসমৰ বিভিন্ন প্ৰান্তত নৃত্য-গীত, নাটক আদিৰ মাজেৰে ভাৰতৰ স্বাধীনতা সংগ্ৰাম, কু-সংস্কাৰ বিৰোধী, সামাজিক সমতা আদিৰ বিষয়ে প্ৰচাৰ কৰি জনগণক জাগ্ৰত কৰিবলৈ প্ৰচেষ্টা হাতত লৈছিল। 'গণনাট্য সংঘ'ৰ লগতে অসমত ভাৰতৰ 'কমিউনিষ্ট পাৰ্টি', 'অসম ছাত্ৰ সন্মিলন' আৰু 'অসমৰ প্ৰগতিশীল শিল্পী সাহিত্যিক সংঘ' এই তিনিওটা সংগঠনে বিপ্লৱী আদৰ্শ প্ৰচাৰত যথেষ্ট অৱদান আগবঢ়াইছে।

অসমীয়া ঔপন্যাসিকৰ উপন্যাসতো মাৰ্ক্সবাদী আদৰ্শৰ প্ৰতিফলন হৈছে। হিন্দী, ইংৰাজী

তথা বঙলা ভাষাৰ উপন্যাসৰ প্ৰভাৱ অসমীয়া উপন্যাসত পৰিছেহি। ছৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, উমাকান্ত শৰ্মা, অনিল ৰায়চৌধুৰী, হোমেন বৰগোহাঞি, তোযেশ্বৰ চেতিয়া আদিৰ উপন্যাসত মাৰ্ক্সবাদী আদৰ্শ প্ৰতিফলিত হৈছে। বিপ্লৱী আদৰ্শ প্ৰতিফলিত হোৱা অসমীয়া উপন্যাস কেইখনমান হৈছে— বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ 'ৰাজপথে ৰিঙিয়ায়', উমাকান্ত শৰ্মাৰ (পশুপতি ভৰদ্বাজ ছদ্মনামেৰে) 'উড়ন্ত মেঘৰ ছাঁ', 'ৰঙা ৰঙা তেজ', 'চিমচাঙৰ দুটি পাৰ', 'ভাৰগু পক্ষীৰ জাক'; অনিল ৰায়চৌধুৰীৰ 'শত্ৰু' আৰু 'কাণ্ডাৰী'; মুকুট ভট্টাচাৰ্যৰ 'গতি' আৰু 'হেৰোৱা বাটৰ আঁত'; চিদানন্দ শইকীয়াৰ জীৱনভিত্তিক উপন্যাস 'জুয়ে পোৰা সোণ'; তোযেশ্বৰ চেতিয়াৰ 'লৌহ পিঞ্জৰ' এই উপন্যাসকেইখনত মাৰ্ক্সবাদৰ বিপ্লৱী ভাৱাদৰ্শ প্ৰকাশ পাইছে।

আমাৰ এই আলোচনাৰ জৰিয়তে মাৰ্ক্সবাদী সাহিত্য তত্ত্বৰ বিষয়ে থুলমূল আভাস দিয়াৰ প্ৰযত্ন কৰা হৈছে।

## প্ৰসংগটোকা


গগৈ, পুৰন্দৰ। *আধুনিক ৰাজনৈতিক চিন্তাবিদ*। পৃ. ৩৫৭।

চক্ৰবৰ্তী, মধুসূদন। *মাৰ্ক্সবাদী জানবো*। পৃ. ৫৫।

চেতিয়া, তোযেশ্বৰ। *বিপ্লৱী শিল্পতত্ত্বৰ আভাষ*। পৃ. ৩৬৮-৪৫০।

ডেকা, ৰাতুল। *সাহিত্য সমালোচনা তত্ত্ব ঃ পৰিচয় আৰু প্ৰয়োগ*। পৃ. ৩১-৩৫।

দাস, ধনঞ্জয়। *মাৰ্ক্সবাদী সাহিত্য বিতৰ্ক*। পৃ. ৩৫-৩৬৮।

মজুমদাৰ, বিমল। *সাহিত্যৰ তত্ত্ব আৰু প্ৰয়োগ*। পৃ. ১১৭।

মুখোপাধ্যায়, বিমল কুমাৰ। *সাহিত্য বিচাৰ ঃ তত্ত্ব ও প্ৰয়োগ*। পৃ. ১১-৫৫।

ফৰহাদ, মজহাৰ। *মাৰ্কস পাঠেৰ ভূমিকা*। পৃ. ৩২।

মাৰ্ক্স, কাৰ্ল। *ফ্ৰয়েৰবাক সম্পৰ্কে থিসিস*। ষষ্ঠ পৰিচ্ছেদ।

মাৰ্ক্স, কাল আৰু এঙ্গেলচ ফ্ৰেডৰিক। *কমিউনিষ্ট ইস্তাহাৰ*। পৃ. ৩১-৩৩।

শৰ্মা, উমা। *মাৰ্ক্সীয় অৰ্থনীতিৰ চমু আভাস*। পৃ. ১০২-১০৪।

শাহজাহান, মো। *সোভিয়েট ইউনিয়েনেৰ ইতিহাস*। পৃ. ১০৭।

সেনগুপ্ত, পল্লব। *লোকসংস্কৃতিৰ সীমানা ও স্বৰূপ*। পৃ. ৩০-৩৫।

ষ্টেলিন, জে ভি (অনু.)। *দ্বন্দ্বমূলক আৰু ঐতিহাসিক বস্তুবাদ*। পৃ. ৩-৩২।

হেগেল। *যুক্তি শাস্ত্ৰেৰ বিজ্ঞান*। সংক্ষিপ্ত সাৰ।